# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখঃ ২১/০২/২০১৯ বৃহস্পতিবাৰ

**আজি ইংৰাজী ২১-০২-২০১৯ তাৰিখে পুৱা ৯.৩০ বজাত অসম বিধান সভাৰ ২০১৯ চনৰ বাজেট অধিবেশন মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৭৪। শ্ৰী চাহাবুদ্দিন আহমেদ।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ৩৯ নং জলেশ্বৰ বিধান সভা সমষ্টিত ২০১৪-১৮ চনলৈকে স্বচ্ছ ভাৰত অভিযানৰ অধীনত ২০১২-১৩ ৰ জৰীপ মতে Base Line Survey বিজ্ঞান সন্মত শৌচাগাৰ সম্পৰ্কে দিছিলো। ইয়াত মন্ত্ৰী মহোদয়ৰ পৰা ৰিপ্লাই আহিছে যে জলেশ্বৰ সমষ্টিত ১৮,৬৮৯ টা পৰিয়ালৰ বাবে individual House Hold Latrine নিৰ্মাণ কৰা হৈছে। দেখা গৈছে ইয়াত যথেষ্ট খেলিমেলি হৈছে। সেয়ে মই প্ৰশ্নটো বিধান সভাত আনিবলৈ বাধ্য হৈছো। জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত কাটাৰীহাৰা গাওঁ পঞ্চায়ত, এইটো মোৰ নিজা গাওঁ পঞ্চায়ত ইয়াত যিটো হিচাপত তথ্য দেখুওৱা হৈছে তাত ৫০ শতাংশ শৌচালয় বনোৱা হোৱা নাই। এইটো ফলচ্ দেখুওৱা হৈছে। তাত বিভাগীয় কতৃপক্ষ, জে ই বিলাক জড়িত আছে। জে ই বিলাকে তাত ঠিকাদাৰ হিচাবে ৫০ শতাংশ এন জি ও বিলাকৰ লগত মিলাপ্ৰীতি আছে। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত কাটাৰীহাৰা গাওঁ পঞ্চায়ত, এইটো মোৰ নিজা গাওঁ পঞ্চায়ত স্পেচিয়েলী ইয়াত এটা enquiry কৰিব লাগে। তাত এতিয়াও বহুত মানুহে শৌচালয় পোৱা নাই। কিন্তু তেওঁলোকৰ নামত বিল উঠোৱা হৈছে। কাগজে পত্ৰই বিলখিনি গৈ আছে, জে ই বিলাক জড়িত হৈ আছে। তেওঁলোকে এটা শৌচালয়ৰ বিপৰীতে ৫০০-৬০০ টকা কালেকশ্যন কৰি আছে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে সোনকালে এইখিনি তদন্ত কৰি দুখীয়া মানুহক যাতে সকাহ দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই যিটো অভিযোগ ইয়াত উত্থাপন কৰিছে সেইটো আমি বিভাগীয় ভাৱে চালিজাৰি চাম। তথাপি মই মাননীয় সদস্য ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যিহেতু জিলাখনত ভিজিলেঞ্চ এণ্ড মনিটৰিং কমিটি থাকে তাতো আপুনি আলোচনা কৰিব পাৰে। জিলাখনৰ বিভিন্ন চেল্ফ হেল্প গ্ৰুপ আৰু এন জি ও বিলাকৰ জৰিয়তে এই শৌচালয় বিলাক নিৰ্মাণ কৰা হয়। ইয়াত জিলা পৰ্য্যায়ৰ এখন কমিটি আছে য'ত ডি চি নিজে সভাপতি। গতিকে তেখেতৰ লগত আলোচনা কৰি আপুনি এইটো চাব পাৰে।

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ২৭ টা এন জি ও ৰ নাম দিয়া হৈছে। বিশেষকৈ ইয়াত Regional Educational Development Society, Akashdeep Society, APRDS and Social High দেখা যায় যে ইয়াত বৃহৎ পৰিমাণৰ ধন আদায়

দিয়া হৈছে। স্পেচিয়েলী এই কেইটা এন জি ও ওপৰত তদন্ত কৰিব লাগে। তেতিয়া আচল তথ্যটো ওলাই যাব। এইখিনি তদন্ত কৰিবলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ধন্যবাদ।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন জি ও বিলাকে যদি একেবাৰে কাম কৰা নাই আৰু তেনেকৈ যদি বিল বিলাক উঠাইছে নিশ্চয় ইয়াৰ কাৰণে বিহীত ব্যৱস্থা লোৱা হ'ব আৰু কোনো দিনে তেওঁলোকক এই কামটো কৰিবলৈ দিয়া নহ'ব। এইটো মই বিভাগীয় ভাৱে তদন্ত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আবুল কালাম ৰছিদ আলম।

**আবুল কালাম ৰছিদ আলম ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলেশ্বৰ সমষ্টিৰ দৰেই গোৱালপাৰা জিলাত ৪০ হাজাৰৰ অধিক শৌচালয়ৰ প্ৰপোজেল আছিলে। তাৰে ভিতৰত বোধকৰো ৯ হাজাৰ গৈ পাইছে আৰু শৌচালয় দিবৰ বাবে যিটো ভিজিলেঞ্চ কমিটিৰ কথা মন্ত্ৰী মহোদয়ে ক'লে তাত চেয়াৰ মেন আছে ডি চি আৰু বাকী কোন কোন আছে যিটো আমাৰ জলেশ্বৰৰ বিধায়কে ক'লে। কথাটো ১০০ শতাংশই সত্য আৰু অকল জলেশ্বৰ সমষ্টি বুলিয়েই নহয় অসমত কিজানি বহু ঠাইত এনেকুৱা সমষ্টি আছে গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিকে ধৰি বাকীখিনিও যাতে তদন্তৰ আওঁতাত অনা হয় তাৰবাবে মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰিহন দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা যদি স্পেচিফিক অভিযোগ আমাক দিয়ে আমি ব্যৱস্থা ল'ম, আমি বিভাগীয় ভাৱে ব্যৱস্থা লৈ আছে আৰু যিহেতু জিলাৰ ডি চি জনেই সভাপতি গতিকে যদি আপোনালোকে ডি চি ক অভিযোগ কৰে ডি চি য়ে নিশ্চয় ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৭৫, শ্ৰী মতী সুমন হৰিপ্ৰিয়া। প্ৰশ্ন নং ১৭৬, শ্ৰী আব্দুল হাই নাগৰী। তেওঁলোকে অনুপস্থিত। এতিয়া প্ৰশ্ন নং ১৭৭, শ্ৰী ৰূপজ্যোতি কুৰ্মী। মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত ৰখা হৈছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পাইছো কিন্তু উত্তৰত সন্তুষ্টটো নহয়েই চৰকাৰ খনে যে গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিয়া নাই তাৰ প্ৰতিচ্ছবি আমি ইয়াত দেখা পাইছো। উদাহৰণ স্বৰূপে মই এটা বিষয় আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচৰাৰ লগতে চৰকাৰৰ পৰা জানিব বিচাৰিছো allocation ৰ 14th Finance Commission for the year 2015-16 and 2016-17 ইয়াত যদি আমি চাওঁ ২০১৫-১৬ বৰ্ষত যিমান allocation দিছিল সেই অনুপাতে টকা ইয়াত সঠিক খৰচ কৰিছিল। কিন্তু বিগত চৰ কাৰৰ সময়ত ইয়াত যিমান allocation দেখুৱাইছে সেই অনুপাতে ইয়াত ৯১৫.৯৮ allocation and total fund transferred 511 বাকী টকাটো কিয় transfer কৰা নহ'ল আৰু তুলনামূলক ভাৱে স্কীম কিয় কমকৈ কৰা হ'ল ইয়াৰ উত্তৰ 14th Finance Commission ৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 14th Finance Commission ৰ যিখিনি প্ৰথম ইন্সটলমেণ্টৰ পইচা সেইখিনি খৰচ হৈছে আৰু তাত যিটো পাৰচেণ্টৰ কথা মাননীয় সদস্য গৰাকীয়ে কৈছে সেইটো পাৰচেণ্টততে টোটেল এলোকেশ্যনৰ পইচা গৈছে আৰু বিধান সভাৰ সকলো মাননীয় সদস্যই এইটো কথা জানে যে পঞ্চায়ত নিৰ্বাচন হোৱাৰ আগত আমাৰ বিধায়ক সকলে 14th Finance Commission ৰ পইচাখিনিৰে বিভিন্ন আঁচনি দি

থকা পইচাখিনি খৰচ হৈছে। যিটো এলোকেশ্যনৰ কথা আমাৰ বিধায়ক কুৰ্মী ডাঙৰীয়াই কৈছে এই পইচাখিনি এইকাৰণেই খৰচ হোৱা নাই যে আমাৰ এতিয়া নতুনকৈ পঞ্চায়ত হ'ল আৰু পঞ্চায়ত হোৱা কাৰণে এই পইচাখিনি পঞ্চায়তে নতুনকৈ খৰচ কৰিব পাৰিব। কিন্তু আগৰ যিখিনি ইন্সটলমেণ্ট সেইখিনি বিধায়ক সকলে নিজৰ নিজৰ সমষ্টিত বিভিন্ন আঁচনিত দিছিল আৰু এতিয়া যি খিনি পইচা আছে এইখিনি পঞ্চায়তে নিয়ম মাফিক নতুনকৈ খৰচ কৰিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি চৰকাৰৰ পৰা জানিব বিচাৰিছো অকল 14th Finance Commission বুলিয়েই নহয় এম জি এন ৰেগাকে ধৰি যিসমূহ স্কীম পঞ্চায়তত চলি আছে যোৱাকালিও কাটমোশ্যনত এই বিষয়টোৱে গুৰুত্ব লাভ কৰিছে, বহু আলোচনা হৈছে, চৰকাৰৰ ফালৰ পৰা আশ্বাস দিয়া হৈছে। পঞ্চায়তৰ বহু আপত্তি আছে। তলৰ পৰ্য্যায়ত জিলা উপায়ুক্ত বা অতিৰিক্ত উপায়ুক্ত, খণ্ড উন্নয়ন বিষয়া চি ই ও জিলা পৰিষদ, পি ডি ডি আৰ ডি এ ৰ বিষয়া কৰ্মচাৰী সকলে এটাই সঘনাই আপত্তি কৰি আহিছে যে বিষয়া কৰ্মচাৰীৰ নাটনিৰ কাৰণে Implementationটো ভালদৰে হোৱা নাই। বহু ঠাইত পঞ্চায়তৰ সভাপতি নাই, জুনিয়ৰ ইঞ্জিনিয়াৰ নাই, খণ্ড উন্নয়ণ বিষয়াক in-charge হিচাপে দি থোৱা আছে, full fledged BDO নাই। গতিকে Implementationৰ ক্ষেত্ৰত আমি যিখিনি অসুবিধা পাই আছো এই ক্ষেত্ৰত চৰকাৰে কেনেধৰণৰ গুৰুত্ব প্ৰদান কৰিব বা ভৱিষ্যতে নিযুক্তি সমূহ দিয়াৰ ক্ষেত্ৰত কেনেধৰণৰ চিন্তা চৰ্চা কৰিছে এইটো চৰকাৰৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই দুটা প্ৰশ্ন কৰিছে। এটা হ'ল যে আমাৰ কৰ্ম্মচাৰী কম আছে। সেই বিষয়ে হয়তো আপুনি নিশ্চয় অৱগত যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ইতিমধ্যে পোষ্টসমূহৰ বিজ্ঞাপন দিছে আৰু পৰীক্ষা পাতিছে। পৰীক্ষা পতাৰ পিছত যিখিনি কৰ্ম্মচাৰী কম হৈ আছে, এই পৰীক্ষাৰ ফলাফলৰ পিছত দিব পৰা যাব। আজিকালি নিযুক্তিৰ ক্ষেত্ৰত কিছুমান কঠোৰ নিয়ম হৈছে। ইণ্টাৰভিউ ভাল হ'ব লাগিব, ফলাফল ভাল হ'ব লাগিব. তাৰ পিছত নিযুক্তি দিয়া হ'ব। গতিকে এই পৰীক্ষাসমূহ চলি আছে আৰু ইতিমধ্যে কিছুমান কনিষ্ঠ অভিযন্তা পঞ্চায়ত বিভাগে লৈছে। তাৰ বাহিৰেও আমাৰ যি সমূহ Extension Officer বা অন্যান্য যিখিনি কৰ্ম্মচাৰী দৰকাৰ আছে, তাৰ বাবে ইণ্টাৰভিউ পাতিছে। এই সকলোখিনি হোৱাৰ পিছত আমি আপোনালোকক জনাব পাৰিম। দ্বিতীয় কথাটো হৈছে যে আমাৰ এতিয়ালৈকে ১ হাজাৰ ৰেগুলাৰ পোষ্টৰ ফলাফল প্ৰচেচত আছে। সেইখিনিৰো নিযুক্তি দিয়াৰ কামসমূহ হ'ব লাগিব। তাৰোপৰি আমাৰ যেনেকৈ MGNREGA ৰ কাম হোৱা নাই বুলি কৈছে, কথাটো এনেকুৱা যে ২০১৫-১৬ ত MGNREGA ত খৰচ হৈছিল-৩৩.৫৮ কোটি টকা। এইটো খৰছ হৈছিল National Resource Management যিটো Agriculture বা Irrigation plus Sub-Irrigation আদি বিভিন্ন ক্ষেত্ৰত খৰছ হয় । তাৰ পিছত আমাৰ চলিত বিত্তীয় বৰ্ষত আজিৰ দিনটোত খৰছ হৈছে-৬১.৩৪ কোটি। অৰ্থাৎ ২০১৫-১৬ চনৰ তুলনাত দুগুণ খৰছ হৈছে। তাৰোপৰিও আমাৰ যিখিনি কাম সম্পূৰ্ণ হৈছে, ২০১৪-১৫ চনত সম্পূৰ্ণ হৈছিল প্ৰায় ১৯,৬১৭। তাৰ পিছত হ'ল ১৬ হাজাৰ, তাৰ পিছত হ'ল ২২ হাজাৰ, তাৰ পিছত হ'ল ৫৫ হাজাৰ, এইবাৰ হৈছে ৪৭ হাজাৰ। বৰ্তমান এইখিনি কাম সম্পূৰ্ণ হৈছে। এই পৰিসংখ্যাই দেখুৱাই যে আগৰ তুলনাত দুগুণ কাম সম্পূৰ্ণ হৈছে। তাৰোপৰিও যিখিনি Household আছে, জব কাৰ্ডৰ জৰিয়তে যাক কাম দিয়া হয়, আমি যদি চাওঁ, আমি দেখিম যে ২০১৫-১৬ চনত আমাৰ খৰছ হৈছিল-৯.৬৭। তাৰ পিছত আমি ৯.৬৭

লাখ মানুহক কাম দিছিলো। তাৰ পিছত আকৌ ২০১৫-১৬ চনত দিয়া হ'ল-১৫.০২ আৰু ২০১৬-১৭ চনত দিয়া হ'ল-১৫.০৭। ২০১৭-১৮ চনত দিয়া হ'ল-১৬.৫৮। বৰ্তমান বছৰত চলি আছে মাৰ্চলৈকে বৰ্তমানলৈকে দিয়া হৈছে-১৩.৩২। গতিকে যোৱাবাৰৰ চৰকাৰৰ তুলনাত MGNREGA ৰ অধীন ৰ কাম দুগুণতকৈও বেছি হৈছিল। এই কথাখিনি আমাৰ মাননীয় সদস্যসকলে জানে। এইখিনি কাম বৰ্তমানলৈকে কৰা হৈছে। আমাৰ গোটেই অসমত মুঠতে ৪৪,১১,০০০ জব কাৰ্ড আছে। তাৰে সক্ৰিয় জব কাৰ্ড আছে, ২৭,৭০০০। তাৰোপৰিও আজিৰ দিনটোত আমাৰ খৰছ দুগুণতকৈও বেছি এইবাৰ হৈছে। মই এটা কথা জনাব বিচাৰিছো যে যোৱাবাৰৰ চৰকাৰৰ দিনত যিসমূহ জব কাৰ্ড দিয়া হৈছে। তাৰে কিছুমান ভুৱা জব কাৰ্ড আছিল আৰু তাৰে ৪লাখ জব কাৰ্ড বাতিল কৰা হৈছে।

**শ্ৰী ৰূপ জ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বিগত চৰকাৰৰ দিনত নতুন কৈ উন্নয়ন খণ্ডৰ বাবে এটা জৰীপ কৰা হৈছিল, বেলেগ বেলেগ পঞ্চায়তক লৈ। বৰ্তমান চৰকাৰ অহাৰ পিছত এই বিষয়টো গুৰুত্ব দিম বুলি কৈছিল। সেয়েহে নতুন উন্নয়ন খণ্ডৰ যিটো প্ৰপোজেল আছিল, সেই ক্ষেত্ৰত চৰকাৰে কেনে ধৰণে চিন্তা কৰিছে আৰু কিমান দূৰ আগবাঢ়িছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাত ৫০ খন নতুন উন্নয়ন খণ্ড যোৱাবাৰ চৰকাৰে ঘোষণা কৰিছিল। ঠিক তেনেকৈ মহকুমা আৰু জিলাও বহুত ঘোষণা কৰিছিল। মহকুমা আৰু জিলাৰ ক্ষেত্ৰত কেবিনেটে Sub-Committee গঠন কৰি ক'ত জিলা বা মহকুমা দিয়া হ'ব সেই কথাটো বিবেচনা কৰি থকা হৈছে। কিন্তু ইয়াত কেবিনেট Sub-Committee গঠন হোৱা নাই কিন্তু যিবিলাক ব্লক ঘোষণা কৰিছিল, ঘোষণা কৰাৰ সময়ত কিন্তু Staff sanction নহ'ল। ব্লক এখন যেতিয়া হয়, তাত B D O, Extension Officer, অন্যান্য কৰ্ম্মচাৰী লাগিব। কিন্তু এই গোটেই ষ্টাফসমূহৰ পদ Sanction নহ'ল। তেতিয়া হয়তো এনেকৈ ভৱা হৈছিল যে যিখিনি Existing Staff থাকিব Without Creating new post তেওঁলোকৰ দ্বাৰাই হয়তো কৰিব পৰা যাব। আপুনি অলপ আগতে প্ৰশ্ন কৰিছিল যে বহুত ঠাইত কৰ্ম্মচাৰী কম আছে। গতিকে কম কৰ্ম্মচাৰীৰ পৰাই যদি নতুন ব্লকত কৰ্ম্মচাৰী দিয়া হয়, তেতিয়াহ'লে বাকী ব্লকবোৰ বন্ধ হৈ যাব। বৰ্তমান বিভাগে এই কথাসমূহ বিবেচনা কৰি আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে যে প্ৰত্যেকটো সমষ্টিতে দুটাকৈ ব্লক থাকিব লাগে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সেই নিৰ্দ্দেশ মৰ্ম্মে বিভাগে এইবোৰ পৰীক্ষা কৰি আছে। আৰু অতি সোনকালে এইবোৰৰ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Supplementary Question, মাননীয় সদস্য কমলাক্ষ্য দে পুৰকায়স্থদেৱে কৰক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়ক (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয় গ্ৰামোন্নয়ন বিভাগত গ্ৰাম ৰোজগাৰ সহায়ক (GRS), এগ্ৰিগেট ইঞ্জিনিয়াৰ, কম্পিউটাৰ সহায়ক আৰু একাউণ্টটেণ্ট এচিষ্টেণ্টে কাম কৰি আছে। তেওঁলোকে আচলতে MGNREGA ৰ কৰ্ম্মচাৰী হয়। কিন্তু তেওঁলোকে গ্ৰমোন্নয়ন বিভাগৰ প্ৰত্যেকটো কামৰে অংশীদাৰী হয়। কিন্তু তেওঁলোকৰ পইচাটো MGNREGA ৰ ৮ শতাংশৰ পৰা আহে। আগতে ঘোষণা কৰা হৈছিল যে প্ৰত্যেক বছৰে বছৰে তেওঁলোকৰ দৰমহা ১০ শতাংশ কৈ বৃদ্ধি কৰা হ'ব। ত্ৰিপুৰাত তেওঁলোকে ১৫ হাজাৰকৈ দৰমহা পায়। হাৰিয়ানাত তেওঁলোকক পাৰ্মাণেণ্ট কৰা হৈছে। কিন্তু অসমত তেওঁলোকৰ কাৰণে

কোনো পদক্ষেপ লোৱা হোৱা নাই। গতিকে মই অনুৰোধ কৰিম যে যেতিয়ালৈকে তেওঁলোকক পাৰ্মাণেণ্ট কৰা নহয় অন্ততঃ সৰ্ব্ব শিক্ষাৰ কৰ্ম্মচাৰী বা NHM ৰ কৰ্ম্মচাৰীৰ নিচিনাকৈ Contractual দৰমহা ২০-২৫ হাজাৰকৈ দিব পৰাকৈ কিবা ব্যৱস্থা কৰিব পাৰে নেকি? তেনেহ'লে তেওঁলোকৰ কামবোৰ ভালকৈ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদেয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই দৰমহাৰ যিটো Componenet সেইটো স্কীমৰ পৰাই যাব। গতিকে ভাৰত চৰকাৰে কৈছে যে যিকোনো এটা স্কীমত ৬৫ শতাংশ আচলতে Wage হ'ব লাগে। কাৰণ Asset টো গঠন হ'ব লাগিব, Capital Expenditure টো বেছি হ'ব লাগিব। কথাটো হৈছে যে স্কীমৰ পৰা আমি যদি দৰমহাটো বঢ়াই দিওঁ আৰু এটা স্কীমত যদি Asset ত কৈ দৰমহাত বেছি পইচা যায়, Capital Expenditure যদি কম হয়, তেতিয়া অসুবিধা হ'ব। আপুনি কোৱা কথাটোৰ ক্ষেত্ৰত Without effecting the Asset and Creation of Asset কেনেকৈ বেলেঞ্চ কৰিব পাৰি সেইটো আমি বিভাগক নিশ্চয় পৰীক্ষা কৰিব ক'ম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Question No. 178, Ajanta Neog. (Absent)

Question No. 179, Debabrata Saikia. খালেক ডাঙৰীয়াক দিছে, তেওঁ নাই।

Question No. 180, Nizanur Rahman, is he present? No?

Question No. 181, Chakradhar Gogoi. (absent)

Question দি Questioner কেইজনেই যদি present নাথাকে then, what is the use? এইটো ভাল কথা হোৱা নাই। আজিটো একো function নাই। কেতিয়াবা কিবা programme থাকিলে absent থকাটো বেলেগ কথা।

Next, Aminul Islam. He is also absent. কিবা হৈছে নেকি?

Jakir Hussain Sikdar (absent), আজি এইটো record হ'ব। আমি আজি Unstarred Question সমূহলৈ যাব পাৰিম। এইটো ভাল লক্ষণ নহয়। মানুহখিনি উপস্থিত থাকিব লাগে।

Question No. 184, Ananta Kumar Malo.

**মাননীয় সদস্য শ্ৰী অনন্ত কুমাৰ মালো (দক্ষিণ অভয়াপুৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল- অসমৰ অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া দুখীয়ালোক সকলৰ আৰ্থিক দূৰৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাত নে? আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে- হয়, জ্ঞাত। লগতে সুধিছিলো - যদি জ্ঞাত, তেওঁলোকক আৰ্থিক ভাৱে স্বাৱলম্বী কৰণৰ কাৰনে কিবা আঁচনি গ্ৰহণ কৰিছে নে? তেতিয়া ক'লে যে- হয়, কৰা হৈছে- ১) কেন্দ্ৰীয় চৰকাৰী সাহাৰ্য্য প্ৰাপ্ত দুৰ্ঘটনাজনিত সমূহীয়া বীমা আঁচনি,

২) ৰাজ্য চৰকাৰৰ দ্বাৰা ৰূপায়িত অনুসূচীত জাতি উপ-পৰিকল্পনাৰ অধীনত অনুসূচীত জাতি লোকৰ নতুন পুখুৰী খন্দাৰ বাবে সাহাৰ্য্য দিয়া আঁচনি।

এতিয়া কথাটো হ'ল- এই যে চৰকাৰে 'ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছ' নামৰ নতুন আঁচনি লৈছে, এই ক্ষেত্ৰত মই জনাত মোৰ সমষ্টিত যি সকল প্ৰকৃত দুখীয়া মাছমৰীয়া মানুহ আছে তেওঁলোকৰ থাকিবলৈ অলপ মাটি আছে, তেওঁলোকে ক'ত পুখুৰী খান্দিব? সেই কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছো যে, এই অনুসূচীত জাতিৰ প্ৰকৃত দুখীয়া মাছমৰীয়া সকলৰ কাৰণে

কিবা বিকল্প ব্যৱস্থা কৰিব পৰা যায় নেকি ?

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, মীন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া দুখীয়া লোক সকল সঁচাকৈয়ে অৰ্থনৈতিক ভাৱে বহুত কষ্ট ভূগি আছে আৰু এই কথাটো বিবেচনা কৰিয়েই মাছ মাৰিবলৈ যাওঁতে দুৰ্ঘটনাত পতিত হোৱা মাছমৰীয়া সকলৰ বাবে আমাৰ কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা ২ লাখ টকালৈকে সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰা হৈছে য'ত কোনো instalment নাথাকে। ঠিক তেনেকৈ ৰাজ্য চৰকাৰেও আপুনি কোৱাৰ নিচিনাকৈ 'ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছ' নামৰ নতুন আঁচনিটো আপোনালোকৰ জৰিয়তেই আৰম্ভ কৰিছে। আপোনালোকৰ পৰামৰ্শ অনুসৰি মাছমৰীয়া সকলক আমি DBT system ত টকাটো দিয়াৰ ব্যৱস্থা কৰিছো। মালো ডাঙৰীয়াই যিটো কথা কৈছে যে, মাছমৰীয়া সকলৰ মাটিৰ পৰিমাণ কম থকাৰ বাবে তেওঁলোকে মাছৰ প্ৰতিপালন কৰিব নোৱাৰে গতিকে এই ক্ষেত্ৰত তেওঁলোকক বিকল্প উপায়েৰে সহায় কৰিব লাগে। কিন্তু ইয়াৰ বিকল্প উপায় উলিওৱাৰ ক্ষেত্ৰত চৰকাৰৰ অলপ অসুবিধা আছে কাৰণ মাছৰ প্ৰতিপালন কৰিবলৈ হ'লে পানী লাগিব আৰু পুখুৰী খন্দাৰ বাবে মাটিৰ প্ৰয়োজন হ'বই। গতিকে ব্ৰহ্ম পুত্ৰৰ ওচৰে-পাজৰে যি খাল-বিল আছে, সেইবোৰত মৎস্য পালনৰ বাবে যদি বিভাগৰ ফালৰ পৰা tender কৰা হয়, তেন্তে সেইখিনি আমাৰ বিভাগে চালি-জাৰি চোৱাৰ পিছত যদি নীতিগতভাৱে দিব পাৰি তেন্তে সেইখিনি দিয়াৰ ব্যৱস্থা আমি কৰিব পাৰিম। কিন্তু মাটি নাথাকিলে আমি মাছমৰীয়া সকলক অন্য বিকল্প উপায়েৰে সহায় কৰাটো সম্ভৱ নহ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**মাননীয় সদস্য শ্ৰী অনন্ত কুমাৰ মালো (দক্ষিণ অভয়াপুৰী)ঃ** অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে জুন, জুলাই আৰু আগষ্ট মাহত মাছ মৰা কাম বন্ধ থাকে আৰু এই সময়খিনিত দুখীয়া মাছমৰীয়া লোকৰ পৰিয়ালৰ পানীত হাঁহ নচৰা অৱস্থা হয়। সেয়েহে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাইছো যে সেই সময়খিনিত এই দুখীয়া মাছমৰীয়া সকলৰ বাবে কিবা আৰ্থিক সাহাৰ্য্য প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, মীন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীৰ supplemnetary ৰ পৰা বুজা গৈছে যে তেওঁ সঁচাকৈয়ে মাছমৰীয়া মানুহক ভাল পায় আৰু আমিও তেওঁলোকক ভাল পাওঁ। অধ্যক্ষ মহোদয়, অলপ আগতে যেতিয়া মাননীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই MGNREGA scheme ৰ কথা কৈছিল, সেই সম্পৰ্কত মই ক'ব বিচাৰিছো যে MGNREGAৰ কাম Job Card ৰ জৰিয়তে যিকোনো সময়তে দিব পৰা যায় কিয়নো চৰকাৰে দুখীয়া মানুহক যিকোনো উপায়েৰে সহায় কৰাৰ চেষ্টা কৰি আছে যেনে- ৩ টকাৰ চাউল আমি ১ টকালৈ আনিছো। গতিকে আজিৰ দিনত বিভাগত এনেধৰণৰ সুবিধা নাই য'ত ৩ ৰ পৰা ৪ মাহৰ বাবে মাছমৰীয়া সকলক আয়ৰ বিকল্প উপায় কৰি দিব পৰা যায়। সেয়েহে তেওঁলোকে নিজে অলপ চেষ্টা কৰিব লাগিব। মাছমৰীয়াৰ কথা যেতিয়া আহে, তেওঁলোকক প্ৰতিটো অঞ্চল, প্ৰতিখন ঠাইতে পোৱা যায়। সেয়েহে মই আপোনাৰ পৰামৰ্শটো বিবেচনা কৰি সুদূৰ ভৱিষ্যতত দুখীয়া মাছমৰীয়া সকলৰ বাবে যাতে কিবা পৰিকল্পনা কৰিব পাৰি তাৰ বাবে ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষঃ** মালো ডাঙৰীয়া, আপোনাৰ প্ৰশ্নৰ উত্তৰত বিভাগে ভৱিষ্যতত আঁচনি গ্ৰহণ কৰাৰ পৰিকল্পনা আছে বুলি উল্লেখ আছে। গতিকে এই সম্পৰ্কত আপুনি ইতিমধ্যে উত্তৰ পালে।

এতিয়া গুনিন্দ্ৰ দাস।

**মাননীয় সদস্য শ্ৰী গুণিন্দ্ৰ নাথ দাস (বৰপেটা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে

মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো যে সন্মানীয় সদস্য মালো ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে তাৰ যথেষ্ট গুৰুত্ব আছে। কাৰণ আমি দেখিবলৈ পাওঁ যে আমাৰ অনুসূচীত জাতিৰ মাছমৰীয়া সকলৰ অৱস্থাটো যথেষ্ট দুৰ্দশাৰস্থা আৰু আজিকালি মাছৰ ব্যৱসায়টো বিভিন্ন সম্প্ৰদায়ৰ লোকে কৰা দেখিবলৈ পোৱা গৈছে। মোৰ সমষ্টি বৰপেটাত আমি দেখিবলৈ পাইছো যে অনুসূচীত জাতিৰ লোক সকলৰ মাজৰ পৰা মাছ মৰাৰ বৃত্তিটো নাইকিয়া হৈ গৈছে। আনহাতে জুন, জুলাই আৰু আগষ্ট মাহত যে মাছমৰীয়া সকলৰ পানীত হাঁহ নচৰা অৱস্থা হয় এই বিষয়ে আমি সময়ে সময়ে মাননীয় উপায়ুক্তক অনুৰোধ কৰো যে এই সময়ছোৱাত এই দুখীয়া মাছমৰীয়া সকলক চলাৰ বাবে কিবা ব্যৱস্থা কৰি দিব লাগে। কিয়নো মোৰ চহৰৰ ২০ নং ৱাৰ্ডত ৰায়তপাৰা, ভকতপাৰা নামৰ দুখন মাছমৰীয়াৰ গাওঁ আছে আৰু এই গাওঁ দুখনক MGNREGA ৰ আঁচনি তথা চৰকাৰী ৰেচন কাৰ্ডৰ সুবিধাই ঢুকি নাপায়। সেয়েহে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই লোকসকলৰ দুৰৱস্থা চাই বিশেষ আঁচনি যুগুত কৰি তেওঁলোকক ৰক্ষা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে মন্ত্ৰী মহোদয়ৰ প্ৰতি মোৰ সেয়াই অনুৰোধ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, মীন ইত্যাদি ঃ** হয় অধ্যক্ষ মহোদয়। এই কথা সমূহ আমি লিখিত ভাৱে জনাইছো আৰু আমাৰ চৰকাৰে এই সমস্যাবোৰৰ ক্ষেত্ৰত বিবেচনা কৰি আছে। এইবাৰ আপোনালোকে দেখিবলৈ পাইছে যে কৃষি বিভাগত প্ৰকৃত দুখীয়া কৃষক সকলক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰী সাহাৰ্য্য যোজনাৰ জৰিয়তে ৫০০০ টকা দিয়াৰ ব্যৱস্থা কৰিছো। ঠিক তেনেদৰে, উক্ত তিনিটা মাহত মাছ মৰা কাম বন্ধ থকা সময়ছোৱাত মাছমৰীয়া সকলক সাহাৰ্য্য দিয়াৰ কথা আমি চিন্তা কৰি আছো। কিন্তু এইটো implement কৰিবলৈ হ'লে পুঁজিৰ প্ৰয়োজন গতিকে এইক্ষেত্ৰত বিত্ত বিভাগৰ লগত কথা হৈ এই লোকসকলক এই তিনিটা মাহত সাহাৰ্য্য দিয়াৰ বাবে ভৱিষ্যতলৈ আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া গুৰুজ্যোতি দাস।

**মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাস (মংগলদৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মালো ডাঙৰীয়াই মোৰ কথাখিনি উত্থাপন কৰিছে গতিকে মই ইয়াৰ লগতে আৰু এটা কথা ক'ব বিচাৰিছো যে যিবোৰ বিল আছে, সেই বিলবোৰৰ tender অনুসূচীত জাতিৰ নামতেই কৰা হয়। কিন্তু প্ৰকৃতাৰ্থত যদি আমি চাবলৈ যাওঁ তেওঁলোকৰ মাত্ৰ নামটোহে থাকে আৰু তেওঁলোকৰ পাছত বেলেগ মানুহ থাকে। সেইকাৰণে এনেকুৱা এটা ব্যৱস্থা কৰিব লাগিব যাতে প্ৰকৃতাৰ্থত যিসকল মাছমৰীয়া আছে তেওঁলোকেহে যাতে বিলটো পায়। তাৰোপৰি এইবাৰ চৰকাৰে অনুসূচীত জাতিৰ লোকসকলক পুখুৰী খন্দাৰ বাবে পইচাও দিছে, সাহাৰ্য্য আগবঢ়াইছে। আমি এইটো সমষ্টিত দিবলৈ পাই সুখী হৈছো। তাৰবাবে ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু চাবলৈ গলে আমাৰ মাটি কম। তাৰ কাৰণে আধুনিকীকৰণ কৰি যদি tank বহুৱাৰ সুবিধা কৰি দিয়ে তেতিয়া আৰু উপকৃত হ'ব বুলি মোৰ বিশ্বাস। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, গুৰুজ্যোতি ডাঙৰীয়াই এটা প্ৰকৃত সত্য উদঘাটন কৰিছে। আমাৰ AFDC ত প্ৰায় ১৮৫ টা বিল আছে। Revenue ৰ জৰিয়তে বহুখিনি বিল সমগ্ৰ অসমত চলাই আছো। এটা নিয়ম আছে যে মাছমৰীয়া জাতিয়ে tender কৰিব লাগিব। কিন্তু দেখা গৈছে যে SC ৰ নামত tender টো হয় কিন্তু আঁৰত বেলেগ মানুহ থাকে। Ear-

nest money ৰ যিটো কথা আপুনি কৈছে সেইটো সত্য। দুখীয়া মানুহে earnest money দিব নোৱাৰে। সেয়েহে তেওঁলোকৰ আঁৰত আন কিছুমান মানুহে সুবিধাটো লয়। সামগ্রিকভাৱে মই এই কথাটো কব পাৰো যে এই জাতিৰ যদি সঁচাকৈ অৰ্থনৈতিক উন্নতি হয় তেনেহলে তেওঁলোকে হয়তো ইয়াত directly participate কৰিব পাৰিব। এইটো আমি চৰকাৰৰ ফালৰ পৰা নিয়ন্ত্রণ কৰিব নোৱাৰো কাৰণ যিজন মানুহে tender দিলে, bidding কৰিলে তেওঁ ক'ব যে তেওঁ নিজৰ কাৰণে কৰিছে। এইটো আমি প্রমান কৰিব নোৱাৰো। কিন্তু আমি চেষ্টা কৰি আছো যাতে সচাঁ অৰ্থত মাছমৰীয়াবিলাকে বিলটো পায়। আমিও যাতে নিজে care লওঁ দুখীয়া মানুহবিলাকে এইটো পায়। প্ৰতিটো জিলাত আমাৰ DFDO আছে, তেখেতসকলৰ লগতো যদি আমি এই কথাবোৰ share কৰো, তেতিয়া নিশ্চয় কিছু লোকে justice পাব।

**মাননীয় অধ্যক্ষ ঃ** এইটো আমাৰ সমাজৰ আটাইতকৈ দুৰ্বল শ্ৰেণীৰ মানুহখিনিৰ ওপৰত আলোচনা হৈছে। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা আপোনাৰ supplementary টো কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অনুসূচিত জাতিৰ যিসকল মাছমৰীয়া আছে তেওঁলোক সচাঁকৈয়ে অৰ্থনৈতিকভাৱে যথেষ্ট দুৰ্বল। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে জুন, জুলাই, আগষ্ট মাহত বিশেষভাৱে তেওঁলোকক যদি MGNREGA ৰ কাম দিয়া হয় সেইটো ভাল কথা। কিন্তু জুন, জুলাই, আগষ্ট মাহত বাৰিষা হয়। সেই সময়ত বানপানী হয় আৰু সেই সময়ত MGNREGA ৰ কাম বন্ধই হৈ থাকে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ জনাইছো যাতে কৃষিৰ ক্ষেত্ৰত কৃষকসকলক যেনেদৰে সা-সজুলিৰ নামত ৫ হাজাৰ টকাকৈ দিয়াৰ যিটো কথা ক'লে তেনেদৰে সেই তিনি মাহত তেখেতসকলক উপকৃত কৰাৰ কিবা আচঁনি গ্ৰহন কৰিব নেকি?

দ্বিতীয়তে, দ্বীপৰ বিলৰ দুয়োকাষে প্ৰায় ডেৰশ বা দুশ মাছমৰীয়া আছে। তেওঁলোকে আগতে দ্বীপৰ বিলত মাছ মাৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। কিন্তু এতিয়া দ্বীপৰ বিলৰ অৱস্থা তেনেই তথৈবচ। দ্বীপৰ বিলৰ চাৰিশ হেক্টৰ মাটি wildlife sanctuary আৰু ১১০০ হেক্টৰ মাটি wetland হিচাপে আছে। দ্বীপৰ বিলৰ সেই মাছমৰীয়া সকলৰ কাৰণে NABARD ৰ পৰা টকা আনে কিন্তু তেওঁলোকৰ ওপৰত কাৰো চকু নপৰে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে দ্বীপৰ বিলতো scientific method ত যদি তেনেধৰণে যিসকল মাছমৰীয়া আছে তেখেত সকলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে কিবা বিশেষ পদক্ষেপ গ্ৰহন কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰথম প্ৰশ্নটোৰ উত্তৰ দিব নালাগে। এইটোৰ উত্তৰ (গ) ত আছে। উত্তৰত চৰকাৰে ভৱিষ্যতে আচঁনি গ্ৰহন কৰিব বুলি কৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভৱিষ্যত মানে কেতিয়া সেইটো জনাই দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অহা session ত এইটো শুধিব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিভাগে যেতিয়া কিবা আচঁনি হাতত লওঁ স্বাভাৱিকভাৱে আমি অৰ্থ পাব লাগে। আমিও বিচাৰো যাতে এই দুখীয়া মাছমৰীয়া মানুহখিনিৰ যাতে অৰ্থনৈতিক উন্নয়ন হয়। তাৰ কাৰণে চৰকাৰ সাজু আছে। মাছটো agriculture department ৰ ভিতৰত পৰে। agriculture department ৰ দ্বাৰা সা-সঁজুলিৰ নামত যিটো ৫ হাজাৰ টকা দিয়া হ'ব সেইটোও কিছুমান দুখীয়া মাছমৰীয়াই পাব। এইটো বেলেগকৈ sector wise ভাগ নহয়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এটা পদক্ষেপ লোৱা হৈছে

যাতে আমি দুখীয়া লোকসকলৰ ওচৰ চাপিব পাৰো।

ইয়াৰ উপৰিও দ্বীপৰ বিলৰ কথাটো আপুনি ভালদৰে জানে। দ্বীপৰ বিলৰ যিটো water land আছে তাৰ ভিতৰত ৪.০১ কিলমিটাৰ Forest area. এইটো eco sensitive zone ত পৰে। দ্বীপৰ বিল মানে হাতীৰ বিল। বাকী যিখিনি revenue sector ৰ মাটি। তাৰ wet land ত আগতে যিবিলাক মাছ পোৱা গৈছিল সেইবিলাক যথেষ্ট ভাল আছিল কিন্তু এতিয়া দ্বীপৰ বিলৰ পানীৰ যি দুৰ্গন্ধি সেই পানীৰ মাছ খালে মানুহ বেমাৰত পাৰিব। সেইকাৰণে আমি এটা society বনাইছো । ৪-৫ টা বিভাগৰ লগত ময়ো বহিছো য'ত আপুনিও আছিল। আমি সকলোৱে মিলি দ্বীপৰ বিলৰ আজিৰ যি ৰুগ্ন অৱস্থা এই অৱস্থাৰ পৰা কেনেদৰে এই বিলখনক অলপ ভাল কৰিব পাৰো তাৰ চেষ্টা কৰি আছো। দ্বীপৰ বিলৰ মাছৰ ক্ষেত্ৰত যদি আমি এটা প্ৰকৃত পৰি ৰেশ সৃষ্টি কৰিব লাগে এইটো fishery department য়ে অকলে কৰিব নোৱাৰে। আন আন কেইটামান বিভাগক লৈ আমি এইটো কৰিব লাগিব। আপোনিও যিহেতু ইয়াৰে এজন সদস্য সেয়েহে মই আপোনাৰ জ্ঞাতাৰ্থে এটা কথা কওঁ যে আমাৰ এই society ত মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত কাম আৰম্ভ কৰিছো আৰু মই ভাৱো যে আমাৰ চৰকাৰৰ কাৰ্য্যকালতে এই কামটো সম্পূৰ্ণ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা ।

**শ্ৰীপ্ৰদীপ হাজৰিকা, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ স্থানীয় বহুত মাছ নাইকীয়া হৈ গৈছে। যেনেকৈ গেদগেদি মাছ নাই, এতিয়া চেঙা মাছ নাই, বটিয়া মাছ নাই। এতিয়া লাহে লাহে আমাৰ দিহিংত যিটো মাছ পাই কাচ মাছ সেইটো নাইকীয়া হৈছে। আৰু এনে ধৰণৰ বহুত জাতীয় মাছ নাকিীয়া হৈছে। এতিয়া এই কথাটো অলপ গুৰুত্ব দি চাব লাগে। দিহিংত নোহোৱাৰ এটা কাৰণ আছে। এতিয়া মাৰ্ঘেৰিতাত কয়লাৰ pollutant যিবিলাক, সেই বিলাক পেলাই দিয়াৰ কাৰণে ধিংৰ বহুত মাছ মৰি গৈছে। দিখৌত ঠিক তেনেকৈ পেলাই দিয়া কয়লা আৰু গেদ বিলাক তাত অহাৰ কাৰণে দিখৌৰ এতিয়া বহু মাছ নাইকীয়া হৈ গৈছে। জাজীত শিলঘৰীয়া মাছটো এতিয়া নাইকীয়া হৈছে কাৰণ তাত পেপাৰ মিলৰ পৰা যিখিনি গেদ পেলাইছিলে, এই বিলাকৰ কাৰণে নৈখন নষ্ট হৈ পৰিছে। এতিয়া আমাৰ স্থানীয় মাছবিলাক ৰক্ষণাবেক্ষণৰ এটা ব্যৱস্থা কৰা ভাল। আজি খলিহনা মাছ নাই। সেইটো এটা মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিছো আৰু ২য়টো হৈছে যে ফাচীজালটো যে লগাইছে অধ্যক্ষ মহোদয়, এই ফাচীজালটোৱে সৰু সৰু মাছবিলাকো ধৰি পেলাইছে। সৰু সৰু মাছবিলাক এতিয়া ধৰি পেলোৱাৰ কাৰণে কি হৈছে? আগতে পথাৰত যি ধৰণে মাছ আছিলে, এতিয়া তেনেকৈ মাছ নাই আৰু বাৰিষাত যিটো উজান হয় সেই উজানটো নাইকীয়া হৈছে অধ্যক্ষ মহোদয়। এইটো ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা লব নেকি ?

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। Thank you.

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ-** অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় প্ৰদীপ হাজৰিকা ডাঙৰীয়াই এটা গুৰুত্বপুৰ্ন Suplimentary ৰ যোগেদি এটা প্ৰশ্ন উত্থাপন কৰিছে। সেইটো আমাৰ বিভাগেও চিন্তা কৰি আমি দেখিছো হয় আমাৰ যিটো প্ৰাচীন মাছ বা স্থানীয় মাছ সেইটো একেবাৰে নাইকীয়া হবলৈ গৈ আছে। সেইকাৰণে আমাৰ চৰকাৰে আমি যোৱা বছৰ ৰহা ফিচাৰী কলেজৰ জৰিয়তে আৰু আমাৰ বিভাগেও অধ্যয়ন কৰি আমি এটা জিন বেংকৰ কাম আৰম্ভ কৰিছো। এই জিন বেংকৰ আচল লক্ষ্য হৈছে যে আমাৰ স্থানীয় যি প্ৰজাতি বিলাক আছিল, এই প্ৰজাতি আমি কেনেকৈ সংৰক্ষিত কৰিব পাৰিম ? বিশেষজ্ঞকলৈ আমি ৬ কোটি টকা ব্যয়ৰে এটা জিন বেংক কৰিবলৈ লৈছো। এইটোত ৫-৬ বছৰ সময় লাগিব। আমি এটা project বনাই যোৱা বছৰৰ পৰা কাম আৰম্ভ কৰিচো। টকাও

আমি মুকলি কৰি দিছো। আৰু ছাৰ, মই ভাৰো এই জিন বেংকৰ জৰিয়তে স্থানীয় যি সকল প্ৰজাতি আছে, সেইটো আমি সংৰক্ষণ কৰি আকৌ আমি দিব পাৰো। আৰু আপুনি শুনিলে ভাল পাব আজি কিছুমান যেনেকৈ চেনীপুথি মাছ প্ৰায় নাইকীয়া হব ধৰিছে। আজিৰ দিনত আমাৰ বিভাগে এইবিলাক অধ্যয়নৰ যোগেদি এতিয়া আমি বিভিন্ন ঠাইত Suplly দি আছো যাতে এই প্ৰজাতিটো আকৌ আগৰ নিচিনাকৈ আমি পাব পাৰো। ঠিক তেনেকৈ আমাৰ বিভাগৰ ফালৰ পৰা আমাৰ কিছুমান বিশেষজ্ঞক লৈ এই চেষ্টা চলাই আছো। মাননীয় অধ্যক্ষ ঃ- ঠিক আছে। ভৰেন ভড়ালী।

**শ্ৰীভৰেন ভড়ালী, সদস্য ঃ**- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মালো ডাঙৰীয়াৰ প্ৰশ্নটোত মীন বিভাগৰ মাছমৰীয়া মানুহখিনিৰ আৰ্থিক অৱস্থাৰ কথা ইয়াত আছে। সচাঁ অৰ্থত কবলৈ গলে এই অনুসূচীত জাতিৰ মাছমৰীয়া মানুহখিনি একেবাৰে আৰ্থিক ভাৱে দুৰ্বল। কিন্তু তেওঁলোকৰ আৰ্থিক অৱস্থা উন্নত কৰিবলৈ চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ আঁচনি নাই। মাত্ৰ দূৰ্ঘটনা হলে দিয়া সাহাৰ্য্য দিয়া ইত্যাদি। প্ৰশ্ন হ'ল কিয় মানুহখিনি দুৰ্বল হৈছে? সেই কথাখিনি অকনমান চাব লাগিব। এতিয়া আমাৰ যিবিলাক জালৰীয়া আছে, যিমান বিল আছে টেণ্ডাৰৰ জৰিয়তে বিলবিলাক Settlement হয়। কিন্তু ইয়াৰ আগতে টেণ্ডাৰ নাছিল। Direct Settlement আছিল। তেতিয়া মানুহখিনিয়ে অকন মান চলি থাকিব পাৰা হৈছিল। এতিয়া টেণ্ডাৰ মৰাৰ লগে লগে ইয়াৰ ভেলু বাঢ়ি যায়, ফলত মানুহখিনিয়ে লব নোৱাৰা হয়, আৰু পিছফালে বেলেগ এটা আৰ্থিক ভাৱে স্বচ্ছল মানুহ ৰাখিব লগা হয়। যাৰ ফলত মানুহখিনি দিনে দিনে দুখীয়া হৈগৈ আছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো এই মানুহখিনিৰ যদি সচাঁ অৰ্থত উন্নয়ন বিছাৰে, তেতিয়া হলে এই মানুহখিনিক Direct Settlement দিয়াৰ ব্যৱস্থাটো কৰিব লাগিব। আৰু ২য়তে আমাৰ যিমানখিনি মানুহ আছে, কাষে কাষে যথেষ্ট খাল বিল আছে, এইখিনিৰ যদি উন্নয়ন নকৰে মাছ পোহাৰ যদি ব্যৱস্থা নকৰে, অন্ধপ্ৰদেশৰ পৰা মাছ আনিয়েই থাকিব লাগিব। গতিকে সেই যিখিনি জমা জলৰাশি আছে, সেই ঝলৰাশি উন্নয়ন কৰি মানুহখিনিৰ উন্নয়ন হ'ব আৰু আমিও কিছু সুন্দৰ মাছ খাবলৈ পাম। গতিকে মন্ত্ৰী মহোদয়ক এই সম্পৰ্কত কিবা আছে নেকি উত্তৰত।

**মাননীয় অধ্যক্ষ ঃ**- Thank you. Question টো ভাল।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ**- অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় ভৰেন ভড়ালী ডাঙৰীয়াই এটা ভাল প্ৰশ্ন কৰিছে। ছাৰ আমাৰ যিটো প্ৰক্ৰিয়া, আমি টেণ্ডাৰ ৰ জৰিয়তে দিব লাগে। এতিয়া মাছ মৰীয়া মানুহক যদি আমি Direct Settlement দিওঁ, তেতিয়া কাজিয়া পেচাল হ'বই। কাৰণ আপোনালোকে জানেআমি আঢ়ৈ বছৰ হ'ল আমি চৰকাৰ পৰিচালনা কৰিছো। আজি হয়তো Question ইয়াতে আহিছে, কিন্তু Direct Settlement দিবলৈ হলে ছাৰ, ভেটি লব কিবা কৰিব, এই পেচালটো আছেই। ইয়াৰ পৰা হঠাৎ কথাটো কব নোৱাৰো যে Direct Settlement দিয়াৰ ব্যৱস্থা আমি কৰিব পাৰিম। তথাপি যদি সঠিক মানুহে পায় তাৰ কাৰণে আমি চেষ্টা কৰি আছো। আপোনালোকে শুনিলে আচৰিত হ'ব আমি টেণ্ডাৰ ৰ জৰিয়তে দিয়াৰ পাছতো আজিৰ দিনত আটাইতকৈ বেছি কেচ মীন বিভাগৰ হাইকোৰ্ট চলি আছে। এই সমস্যাটো আছে। আৰু এটা কথা আপুনি যিটো কৈছে যে Wet land ৰ কথাটো। আমাৰ চৰকাৰ অহাৰ পাছত, আমি বহুত ঠাইত, নাৰ্বাডিৰ জৰিয়তে আমি SOPD ৰ জৰিয়তে practically wet land মানে কি যে নতুন লোৱাৰ কথা দুৰৰ কথা হয়, আমাৰ পুৰনা যি বিলাক আছিল ছাৰ এইবিলাক দখল হৈ গ'ল বহুত ঠাইত। ভৰ্তি হৈ গ'ল একেবাৰে চিল হৈ গ'ল। আজি আমি বহুত ঠাইত এইবাৰো সম্ভৱত এই মুহুৰ্তত তথ্য নিদিলেও কব পাৰো যে এতিয়াও আমাৰ RIDF ৰ জৰিয়তে অন্তঃ ২০-২৫ টা বিলত

এইবিলাক যাতে ঠিক কৰিব পাৰো, তাৰ ব্যৱস্থা হৈছে। D.C. লৈ আমি যোগাযোগ কৰি আছো যে ক'ত ক'ত Wet land পড়ি আছে, এইবিলাকত আমি নতুনকৈ কিবা ব্যৱস্থা কৰিব পাৰোৰ নেকি পুজি সাপেক্ষে আমি নিসন্দেহে আমি আগুৱাই গৈ আছো।

মাননীয় অধ্যক্ষ ঃ- last কমলাক্ষ্য

**শ্রী কমলাক্ষ দে পুরকায়স্থ:-** মাননীয় অধ্যক্ষ মহোদয়, শনবিল এশিয়ার মধ্যে দ্বিতীয় বৃহত্তম বিল। মন্ত্রী মহোদয় এ বিষয়ে জানেন। যেহেতু মন্ত্রী মহোদয় আমাদের বরাক ভ্যালির মিনিষ্টার। এই শনবিলের জন্য কি কোনও মাষ্টার প্ল্যানের ব্যবস্থা করা হচ্ছে? আগে শুনেছিলাম ১০০ কোটি টাকার সেংশন্ হয়েছে। কিন্তু তারপরও কোন কাজ হয় নি। এই শনবিলের সাথে অনেক মানুষ জড়িত। অধ্যক্ষ মহোদয়, আমাদের ভবেন বরা মহাশয় যে কথাগুলি বলেছেন direct settlement র কথা। আমি সে ব্যাপারে সহমত প্রকাশ করছি। অনেক ভালো-ভালো society আছে সেই society দের ডেকে এনে আমাদের উদ্দেশ্য সফল করা হোক। তা নাহলে গরীব মানুষদের অনেক সমস্যার সম্মুখীন হতে হচ্ছে।

**মাননীয় অধ্যক্ষ** ঃ- সেইটো উত্তৰ তেওঁ দিছে। সোন বিলৰ কথাটো উত্তৰ দিলেই হ'ব।

**শ্রী পৰিমল শুক্লবৈদ্য, মন্ত্রী** ঃ- অধ্যক্ষ ডাঙৰীয়া, হয় এই ক্ষেত্রত আপোনাৰ অভিজ্ঞতা আছে, যাৰ কাৰণে আপুনি কাছাৰ গৈছে আগতে। ছাৰ সোনবিল সচাঁকৈ খালী আমাৰ মাছৰ ক্ষেত্রত নহয়, tourism sector টো এটা ভুমিকা পালন কৰিছে। এইক্ষেত্রত যোৱা চৰকাৰৰ কাৰ্য্যকালটো কিছুমান টকা চেংশ্যন হৈছিল, কিছু কিছু কাম হৈছে সেই কথাটোত আমি যাব বিছৰা নাই। আমাৰ চৰকাৰ অহাৰ পাছত আমি মাননীয় মুখ্য মন্ত্রীৰ নেতৃত্বত আমি যেতিয়া আমাৰ ইয়াত নামামী বৰাক পাতিছিলো তেতিয়াও আমি সোনবিলৰ গোটেই বিষয়টো যাতে আমি উঠাই আনিব পাৰো তাৰ কাৰণে আমি প্রয়াস কৰিছো। আজিৰ দিনত ছাৰ, বিভিন্ন এনজিঅৰ জৰিয়তে আমাৰ বিভাগৰ হৈ আমি কিছুমান project, central ত জমা দিলো আমি বিভাগৰ ফালৰ পৰা সোনবিল আমি মানুহ পঠাইছো, আমাৰ Fishery Department গৈছে। গৈ কেনেকৈ আমি ইয়াৰ মাছ production বঢ়াব পাৰো আৰু লগতে আমি টুৰিজিমৰ কথা কৈছো। যাতে আমি ভৱিষ্যৎত আমি টকা দি যাতে আমি ইয়াতে সচাঁকৈ কিবা এটা মাছৰ production ৰ লগে লগে tourism sector টোও যাতে develop কৰিব পাৰো তাৰ কাৰণে এই চৰকাৰে প্রয়াস চলাই আছে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে।

**শ্রী কমলাক্ষ দে পুৰকায়স্থ,সদস্যঃ**- Allotment টো long Tearm কৰিব লাগে।

**শ্রীপৰিমল শুক্লবৈদ্য, মন্ত্রী** ঃ- অধ্যক্ষ ডাঙৰীয়া, Allotment ৰ কথা মই অলপতে আমাৰ মাননীয় উপাধ্যক্ষ মহোদয়ৰ চিঠি পাইছো। আগৰ যিজন Settlement ত আছে, এতিয়া উপাদ্যক্ষ ছাৰেও কৈছে যে এইটো Settlement টো অলপ বঢ়াব লাগে। কাৰম আপুনি অলপ আগতে এটা কথা কৈছিল, ২ বছৰ নহয় আমি ৭ বছৰৰ কাৰণে আমি Settlement দি থাকো। তেতিয়া ৭ বছৰ দিয়াৰ পাছত কোনো কোনো সময়ত মই কেৱল সোনবিলৰ কথা কোৱা নাই, যি সকলে Settlement লয়, তেওলোকে আহি ওজৰ আপত্তি কৰে আমাৰ Fishery টো Flooded হৈ গৈছিল, কিবা হৈছিল এই কাৰণেই আৰু বঢ়াই দিব লাগে। কিন্তু আমি চৰকাৰত অহাৰ পাছত আমি এই কথাটো কৈছো কোনো extension নাই, কোনো remittance নাই। এই remittance আৰু extension সেই ছাৰ আমাৰ এই Sector টো আৰু বেয়া কৰি দিলে। আমি যিমানখিনি পাৰো নিয়ন্ত্রিত কৰিবৰ কাৰণে চাম যাতে আমি ভালকৈ develop কৰিব পাৰো, তাৰ কাৰনে চেষ্টা চলাই

আছো।

**মাননীয় অধ্যক্ষ** ঃ- আজি কথাটো ভাল আলোচনা হ'ল। It is a heart fact.এইটো শুনিবলৈ বেয়া। Court is there তেওঁলোকেও highest bidder ক কিয় নিদিলা? এইটো মই নিজেও তাতেও দেখিচো, ৮০ হাজাৰ টকাৰ যিখন বিল আজিৰ পৰা ১০-১২ বছৰৰ আগত লৈছিল। এতিয়া সেই বিলাক ১৪ লাখ ১৫ লাখত গৈছে। আচলতে যিটো ভৰেন ভড়ালীয়ে কৈছে I support him. সাধাৰণ মাছমৰীয়া বিলাকে বহুতখিনি suffer কৰিছে। গতিকে মাছমৰীয়া মানুহ, দুখীয়া মানুহৰ কথা ভাবি এটা প'লিচি লাগিব, কাৰণ কোৰ্টেও সেইটো agree কৰিব লাগিব যে আমি কিছুমান কথাত দুখীয়া সকলৰ কাৰণে Fishery ৰ যিটো income সেইটো আমি খুব এটা major income বুলি নলৈ যদি কেতিয়াবা তেনেকুৱা কওঁ, তেতিয়াহ'লে তেওঁলোকে জীয়াই থকাৰ কথা I think we should discussing details later on. Ok, thank you very much for your corporation. Now next Question 185, Shri Utpal Dutta. Minister Please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী উৎপল দত্ত, লখিমপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো দিছে সঞ্জীৱ কুমাৰ শইকীয়াই কৰা কামৰ বিপৰীতে পাব লগা ধন আদায় তথা আধৰুৱা কামটো সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হৈছে। এতিয়া, কেতিয়া হৈছে, কিবা অৰ্ডাৰ দিছে নেকি? মোৰ প্ৰশ্নটোৰ উত্তৰত আপুনি সাধাৰণ ভাৱে দিবলগীয়া উত্তৰটো দিছে। মোক এই কথাটো অলপ স্পষ্ট কৰি দিয়কচোন।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে দত্ত ডাঙৰীয়াই ঠিকেই কৈছে কথাটো। প্ৰথমতে এজন ঠিকাদাৰ দিলে, দৈমাৰী। কিছু কাম কৰি ১২ লাখ মান টকা লৈ তেওঁ গ'ল। তাৰপাছত আকৌ দিলে এজন, শইকীয়া। তেওঁকো ১ কোটি ১৬ লাখ ১৮ হাজাৰ ৭ শ ৭৯ তেওঁৰ কামৰ আৱণ্টন দিলে, প্লিণ্টটো কৰি তেওঁ ৰৈ আছে, পইচা পোৱা নাই। এতিয়া এই গোটেই বিষয়টো হৈছে এনেকুৱা যে, এই কামটো ASTC য়ে কৰিছিল। সেই সময়ত এই DTO Office এ বনোৱা এই পইচাখিনি ASTC য়ে দৰমহা দি দিছে। গতিকে অফিচ বনোৱা পইচাখিনি যেতিয়া দৰমহা লৈকে divert কৰি দিছে, কেনেকৈ চলিব। নতুনকৈ আমি ফাইনেঞ্চক কৈছো যে, এই পইচাটো দিব লাগে। ফাইনেঞ্চে কৈছে যে, আপোনালোকৰ পইচা আমি দিলো। দিয়াৰ পিছত অফিচ বনোৱাৰ পইচা দৰমহা দিলে। গতিকে এতিয়া কেনেকৈ পইচা দিও। সেই কাৰণে এতিয়া অধ্যক্ষ ডাঙৰীয়া, মই খালী আপোনাক এটা কথায়েই কওঁ, এইটো আপুনি বেছি ধৰি থাকিব নালাগে, মই সেই কাৰণে ASTC ক কৈছো, ASTC ক এইবাৰ কিছু পইচা ফাইনেঞ্চে দিছে। এইটোৰ কাৰণে দিয়া নাই। বিভিন্ন ধৰণৰ Station বিলাক ASTC ৰ Station Development ৰ কাৰণে। গতিকে আমি এই ASTC ৰ MD ক কৈছো যে, যিখিনি পইচা এইবাৰ চৰকাৰে আমাক বিভিন্ন Station Develop কৰাৰ কাৰণে দিছে, গতিকে তাৰ পৰা এটা পইচা ইয়াতে যিখিনি দৰমহাত আপোনালোকে divert কৰিছিল, সেই divert কৰা পইচাখিনি ইয়াত উলিয়াই দি এইটো কমপ্লিট কৰিব লাগিব। এইটো মই কৈছো। গতিকে সেইটোৰ কাৰণে এই বাজেটৰ কাৰণে আমাৰ সময় লাগিব কিন্তু কামটো হ'ব।

**শ্ৰী উৎপল দত্ত, লখিমপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ নহয়, যোৱা দুটা Session ৰ আগত এই প্ৰশ্নটো বিধান সভাত আহিছিল। তেতিয়া মন্ত্ৰী ডাঙৰীয়াই মোক ক'লে যে মই M.D.

ক পঠিয়াম আৰু মই নিজেও গৈ চাম alternative মাটি ক'ত হ'ব। এখেতৰ আগৰ যিজন M.D.ভাৰপ্ৰাপ্ত তেখেত মোৰ লগত গ'ল। মই দুটা ঠাইত মাটি দেখুৱালো। মন্ত্ৰী ডাঙৰীয়া আজি দুবছৰ হ'ল এই সিদ্ধান্তটো নিদিয়াৰ কাৰণে এতিয়া য'তে আছে ত'তেই বনাওক, কিন্তু আপুনি আকৌ এবাৰ ক'ব নেকি যে এই পইচাটো কিমান দিনৰ ভিতৰত মানুহজনক আদায় দিব আৰু কামটো কেতিয়াৰ ভিতৰত সম্পূৰ্ণ কৰিব এই কথাটোত অলপ স্পষ্টকৈ কৈ দিলে মই ভাল পাম।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মই আপোনাতকৈ বেছি ভাল পাম কামটো সম্পূৰ্ণ হ'লে আৰু DTO Office টো হ'লে। এতিয়া য'ত কামটো প্লিণ্টৰ লৈকে হ'ল সেইটো বোধহয় নাওঁবৈচা সমষ্টি পৰে নেকি এৰিয়াতো। গতিকে নাওঁবৈচা সমষ্টিতে সেই এৰিয়াতে হওঁক দলঙৰ কাষত সেইটো তাৰ পৰা আমি উঠাই নিব নালাগে। কিন্তু দুবছৰ মানে আমি আগতে frankly speaking আমাৰ ASTC ৰ আগতে পইচা নাছিল, আমিতো lost ত চলি আছিলো। গতিকে সেইকাৰণে আপোনাক ইমানদিন মই কৈ আছো চেষ্টা কৰি আছো। আমি পাৰা নাই। এইবাৰ যিহেতু আমাক বাজেটত পইচাটো দিছে, এতিয়া ধৰক, বাজেট পাছ হ'ব, Appropriation Bill Pass হ'ব, ইয়াৰ পাছত এই বাজেট যাব Governor asent হ'ব, হোৱাৰ পাছত বাজেটখন প্ৰত্যেক বিভাগে বিভাগে নিজৰ পইচাবিলাক যাব। যিমান পাৰো, সিমান সোনকালে মই কৰাৰ চেষ্টা কৰিম, তাৰিখ আৰু সময় নিদিওঁ, কিন্তু মই কৰি দিম। হোৱাতো খাটাং, কৰি দিয়াটো খাটাং।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী চাহাবুদ্দিন আহমেদ।

**শ্ৰী চাহাবুদ্দিন আহমেদ, জলেশ্বৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই এটা কথা জানিব বিচাৰিছো। যোৱা বিধান সভাতে মই তেখেতক অনুৰোধ কৰিছিলো যে, মোৰ সমষ্টিৰ গুৱাহাটীৰ পৰা জলেশ্বৰলৈ বাচ এখন দিব লাগে আৰু গোৱালপাৰাৰ পৰা জলেশ্বৰলৈ। মন্ত্ৰী মহোদয়ে এইটো দিছিলে, কিন্তু বৰ দুখৰ বিষয় যে আজি নামনি অসম বাচ মালিক সন্থাৰ পৰা আঠ খন বাচ চলি আছে। আমাৰ এই ৰাজ্যিক পৰিবহন গাড়ীয়ে খুব বেছি একমাহমান চলিছিল। চলাৰ পাছত বন্ধ হৈ গৈছে। মই MD চাহাবক ফোন কৰি কৈছিলো আজিলৈকে respond পোৱা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে য'ত ইমানখিনি প্ৰাইভেট বাচ চলি আছে , তাত আপোনালোকৰ Undertaking বাচো দুখন চলে আৰু প্ৰাইভেট বাচ ছখনমান চলে, আঠ খন বাচ চলি আছে আৰু সৰু-ডাঙৰ গাড়ী চলি আছে। প্ৰায় বিছখনমান গুৱাহাটীৰ বাচ চলি আছে। সেইক্ষেত্ৰত অসম ৰাজ্যিক পৰিবহনৰ বাচ বন্ধ হোৱাৰ কাৰণটো কি? সেই কাৰণে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যাতে এই বাচ পুনৰ আৰম্ভ কৰি আমাৰ মানুহখিনিক অহা-যোৱাৰ কাৰণে সুবিধা কৰি দিয়ে। ধন্যবাদ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নৰ লগত জড়িত নহয় যদিও মই উত্তৰটো দি থওঁ। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ লগে লগে বাচ এখন দিছিলো মই তেতিয়া। বাচ এখন দিলো, বাচখন হয়তো বেয়া হৈছে কিবা কাৰণত। ঠিক আছে। নতুন বাচ এখন দিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যিহেতু অসমীয়া এষাৰ প্ৰবাদ আছে শিল ঘহি থাকিলে ক্ষয় যায় বুলি কয়। মই point of order তো কেইদিনমান আগতে কৈছিলো। পৰিবহনৰ শিতানত এটা প্ৰশ্ন আছিল। মই কিন্তু প্ৰশ্নটো তুলিব নোৱাৰিলো। মোৰ প্ৰশ্নটো হ'ল যে মৰিয়নী সমষ্টিত এটা বাচষ্টেণ্ড মাননীয় মন্ত্ৰী মহোদয়ে point of order ৰ যোগেদি তেখেতৰ দৃষ্টিগোচৰ কৰিছিলো

যদিও,পুনৰ জানিব বিচাৰিছো, ইয়াত এটা শতাংশ পুঁজি দিছিল, বাকী শতাংশ পুঁজিটো মোকোলাই নিদিলে। প্ৰায় আঠ-ন শতাংশ। টকা কিন্তু sanction হৈ থকা। এইটো তিনিবছৰ হ'ল কামটো বন্ধ হৈ থকা। অৱস্থাটো একেই। উত্তৰটো জানিব বিচাৰিছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, माननीয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিটো কথা কৈছে, মই কথাটো জানো। এইবিলাক সকলো divert. পইচাটো divert কৰাৰ কাৰণে কামবিলাক হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পিছৰ প্ৰশ্নটো ১৮৬, শ্ৰী নুৰুল হুদা।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নুৰুল হুদা, ৰূপহীঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ মোৰ যিটো প্ৰশ্ন, সেই প্ৰশ্নৰ উত্তৰত মই হতাশ হলো যে আমাৰ অসমত কিমান উদ্যোগ আছে, সেই উদ্যোগৰ সংখ্যাটো দিলে এই যে কৰ্মৰত কৰ্মচাৰী শ্ৰমিকৰ সংখ্যাটো চৰকাৰে দিব পৰা নাই। তথ্য সংগ্ৰহ কৰি থকা বুলি কৈ আছে। পূৰ্বত যেনেকুৱা ধৰণে কয়, যদি এনেকৈ চৰকাৰ এখনৰ তথ্য হাতত নাথাকে, কেনেকৈ চৰকাৰ পৰিচালনা হ'ব। যোৱা ১৮ ফেব্ৰুৱাৰী মাহত Advantage Assam ৰ সন্মিলনৰ যোগেদি বিভিন্ন বিনিয়োগকাৰী সকলৰ লগত উদ্যোগ বিনিময় সম্পৰ্কীয় ২০৭ খন বুজাবুজিৰ চুক্তি হৈছিল আৰু এই ২০৭ খন চুক্তি ৭৯ হাজাৰ কোটি টকাৰ প্ৰস্তাৱ আছিলে আৰু এই প্ৰস্তাৱ কিমানখিনি উদ্যোগ স্থাপন হৈছে আৰু সেই উদ্যোগ সমূহত কোন কোন উদ্যোগত কিমান ভূমি আৰু সা-সুবিধা দিয়া হৈছে এই উত্তৰখিনি কিন্তু নাপালো। মই উত্তৰখিনি মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে যে সংখ্যা আমি কৰ্মচাৰীক দিব পৰা নাই। চৰকাৰী কৰ্মচাৰীৰ তথ্য চৰকাৰৰ হাতত থাকে, কিন্তু ব্যক্তিগত খণ্ডৰ উদ্যোগ সমূহৰ ৪৯ হাজাৰ উদ্যোগ অসমত আছে আজিৰ দিনটোত। গতিকে এই গোটেই বিলাকৰ সংখ্যাবিলাক আমি ল'ব লাগিব। আমি সেই কাৰণে এটা data base বনাই আছো যে কোনে কিমান কৰিছে। যোৱা বছৰ আমি এটা বিজ্ঞাপন দিছিলো, যিকেইটা উদ্যোগ হৈছিল, ক'ত কিমান হৈছে। নতুনকৈ আমাৰ চৰকাৰে এইবিলাক সিদ্ধান্ত এতিয়া গ্ৰহণ কৰিছে। তাৰ উপৰিও আপোনাক Advantage Assam ৰ কথাটো যিটো কওঁ, অধ্যক্ষ ডাঙৰীয়া মই আজি এটা কথা অসম বিধান সভাত মাননীয় শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই এই Advantage Assam প্ৰথম বাৰৰ বাবে তেখেতৰ উদগনিত হৈছিল আৰু মই আজি সদনক এই কথাখিনি আশ্বস্থ কৰিছো এইটো মই ভাবো যে, ভাৰতৰ স্বাধীনতাৰ পাছত Advantage Assam ইয়াত অনুষ্ঠিত কৰাৰ ফলত আজি Advantage Assam ৰ 79 thousand crore ৰ MoU হৈছিল আৰু 79 thousand crore ৰ MoU ৰ ভিতৰত ৫১ হাজাৰ কোটি টকা আজিৰ দিনটোত বিনিয়োগ হোৱাৰ পথত এই অসম ৰাজ্যখনত। 51 thousand crore including hydrocarbon sector. This is a record in the country. কোনো International এনেকৈ event কৰি কোনো ৰাজ্যই প্ৰথমতে 2% ত কৈ বেছিকৈ কৰিব পৰা নাই। But, we are doing more than 50%. গতিকে অসম বিধান সভাই আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু আমাৰ চৰকাৰক ধন্যবাদ দিব লাগিব, সৰ্বকালৰ ৰেৰ্কড এইটো ।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. এতিয়া পইন্ট অৱ অৰ্ডাৰ।

**শ্ৰীকমলেখ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ ষ্টাৰড কোৱেশ্যন নং- ১৮৯ , ০১-

১৩-২০১৭ পৰা ১২-০২-২০১৯ লৈ নগাওঁ কাগজ কলৰ ১৬ জন কৰ্মী আৰু পাঁচ গ্ৰাম কাগজ কলৰ ১৩ জন কৰ্মী কোনে কোনে আত্মহত্যা কৰিছে প্ৰশ্ন কৰিছিলো- তাৰ উত্তৰত পালো যে দূৰ্ভাগ্যজনিত কাৰণত মৃত্যুবৰণ কৰিছে - আচলতে অধ্যক্ষ মহোদয় ধৰিব পৰা নাই ঘটনাটো কি? অধ্যক্ষ মহোদয় পৰিষ্কাৰ হ'ব লাগে কাৰণটো কি আৰু কেইজন মানুহৰ মৃত্যু হৈছে, গতিকে চৰকাৰে মৃতকৰ পৰিয়ালক আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিব লাগে। দৰমহাটো যদি সোনকালে ৰিলিজ নহয় তেন্তে আৰু কৰ্মচাৰী আত্মহত্যা কৰিব মহোদয়। মন্ত্ৰী মহোদয়ে কৈ থাকে কিন্তু ultimately কোনো action লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ১৮৯ - এইটো আপুনি পিচত দিব। উত্তৰটো পিচত দিব। এতিয়া আব্দুল খালেক।

**শ্ৰীআ ব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, আমাৰ এথিকছ কমিটিৰ এটা ৰিক'মেণ্ডেশ্যন আছিল- সদনত আহিলে আমি Formal Dress বা Traditional Dress পিন্ধি আহিব লাগে। আপুনি মাজে মাজে ধৰেও- মন্ত্ৰীসকলো বেছিভাগেই আহে। কিন্তু দুই এজনে আধা ফৰ্মেল ড্ৰেছ পিন্ধি আহে। বিষয়টো আপুনি চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই চাম বাৰু, I will Call The Ethics Committee meeting once again. If it will be possible I would notify. It is not possible always. ইয়াৰ পিছত ৰূপজ্যোতি কুৰ্মী- পইন্ট অৱ অৰ্ডাৰ।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** অধ্যক্ষ মহোদয়, আনষ্টাৰড কোৱেশ্যন নং-৩৪৮, বিষয়টো খুৱ গুৰুত্বপূৰ্ণ আজি এই প্ৰশ্নটো আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অসম -নাগালেণ্ড, অসম-অৰুণাচল বা অসম- মেঘালয়ৰ সীমা সমস্যাটো লৈ অসম গণ পৰিষদ দলৰ চৰকাৰে ১৯৮৮ মহামান্য উচ্চ তম ন্যায়ালয়ত এখন affidavit দিছিল। প্ৰথম গোচৰ টো দিছিল আৰু আজি ৪০ বছৰে কেচটো বিচৰাধীন। এই চাবজুডিছ মেটাৰটে- চুপ্ৰিম কোৰ্টত পেণ্ডিং হৈ থকা কাৰণে লৈ নগালেণ্ডে সুযোগ লৈ আছে। আপুনি যদি চৰকাৰৰ উত্তৰটো চায় দেখিব- আমাৰ সময়তো ইমান মাটি আছিল। এতিয়াৰ চৰকাৰেও সঠিক তথ্য দিছে যে এনকোৰ্ছমেন্ট হৈছে। বহু শতাংশ মাটি তেওঁলোকে এনকোৰ্ছমেন্ট কৰি ল'লে । এইটো অতি ভয়াবহ হৈছে। সেই কাৰণে আমি কি উপায়েৰে ব্যৱস্থা ল'ব পাৰিম চৰকাৰক গুৰুত্বসহকাৰে ল'বলৈ আহ্বান জনালো। ক'বলৈ মন যোৱা নাই যদিও ক'বলৈ বাধ্য হৈছো- আমাৰ বিষয়া কৰ্মচাৰীসকলে কয়- বিশেষকৈ বন বিভাগৰ আই এফ এছ বিষয়াসকল, বিশেষকৈ চি চি এফ বা আন বিষয়াসকল বা গৃহ বিভাগৰ অনা অসমীয়া বিষয়াসকলে অসমৰ মাটি ৰক্ষাৰ বাবে যিমান গুৰুত্ব দিব লাগে সিমান গুৰুত্ব নিদিয়ে। চৰ জমিন তদন্ত নকৰা কাৰণে , ফোৰ্ছ লৈ নোযোৱা বাবে বা চাৰ্ভে নকৰাৰ বাবে নগাই দখল কৰিবলৈ সুবিধা পাইছে। দ্বিতীয়তে আছিল আনষ্টাৰড -৩৬২, ইয়াত চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো হয়তো চৰকাৰে পাহৰি যাব পাৰে আচাম টি কৰ্পোৰেশ্যনৰ এটা কেবিনেট চাব কমিটি গঠন কৰি দিয়া হৈছিল য'ত মইও এগৰাকী সদস্য আছিলো। সভা আহ্বান কৰা হৈছিল আৰু আমি সভাত উপস্থিত হলো। কিন্তু উদ্যোগ মন্ত্ৰী ডাঙৰীয়া সময় দিব নোৱাৰা বাবে হিমন্ত বিশ্ব ডাঙৰীয়াই সভাখন অনুষ্ঠিত নকৰিলে। মই আগতেও দৃষ্টিগোচৰ কৰিছো -আজিও কৰিছো চৰকাৰে সদিচ্ছা প্ৰকাশ কৰি অসম চাহ নিগমৰ সভাখন অতি শীঘ্ৰে অনুষ্ঠিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমাঃ** অধ্যক্ষ মহোদয় , মই এটা ক্লেৰিফিকেশ্যন দিব বিচাৰিছো আমাৰ কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো কৰ্মচাৰী আত্মহত্যাৰ কথা কৈছে,

সেইটো ক্ষেত্রত ক'ব বিচাৰিছো যে এজন মানুহে আত্মহত্যা কৰিছে বাকীকেইজন বেমাৰ হৈ ঢুকাইছে।
মাননীয় অধ্যক্ষ ঃ মই এই ক্ষেত্রত ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিটো কথা কৈছে সেই ক্ষেত্রত এটা কথা কৈছো। হয় এইটো দূৰ্ভাগ্যজনক। কিন্তু বহু অনা অসমীয়া আই এ এচ- আই এফ এচ বিষয়াই আমাৰ কাৰণে কামো কৰিছে। আপোনাৰ কথাটোও মই মানি লৈছো, তেনেকুৰাও হৈছে। Assam -Nagaland Border is a very sensitive issue. Everybody knows about this. আপুনি যিটো পৰামৰ্শ দিছে এইটো ভাল পৰামৰ্শ দিছে। আমি সচেতন নহ'লে আৰু হৈ থাকিব। এতিয়া নোমল মোমিন।

**ডাঃ নোমল মোমিনঃ** অধ্যক্ষ মহোদয়, মোৰ আনষ্টাৰড কোৱেশ্চ্যন-৩২৬- তাৰ উত্তৰটো পাইছিলো, যোৱা বছৰটোত অসমৰ বিভিন্ন প্ৰান্তত পথ দুৰ্ঘটনাত২৯৬৬ গৰাকী ব্যক্তি নিহত হৈছিল আৰু যোৱা কালিও ১০ গৰাকী ব্যাক্তি নিহত হৈছে। মোৰ (C) নং উত্তৰত পালো পথ দুৰ্ঘটনা Avoid কৰাৰ কাৰণে কি কি ব্যৱস্থা লৈছে। তাত উত্তৰ পালো অধ্যক্ষ মহোদয় - As per Report received from National Highway Authority of India, they have made Corre-spondence with the Deputy Commissioner concerned for measure to prevent Road users from using Wrong Lanes . Counterflow had been installed by the National Highway Authority of India to alert the Road users not to drive Wrong Way . অকল এলাৰ্ট কৰিলেই নহ'ব অধ্যক্ষ মহোদয়, তেখেতসকলক Punishmentৰ ব্যৱস্থা কৰিলে এই ভুল তেওঁলোকে ৰাস্তাবিলাক ব্যৱহাৰ নকৰিব। মই ভাবো তেতিয়া বহুখিনি Accident কমাব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া নুৰুল হুদা।

**শ্ৰীনুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন - ৩৪১- ইয়াত মোৰ প্ৰশ্ন আছিল যে ৰূপহীহাট সমষ্টিৰ জন স্বাস্থ্য কাৰিকৰী বিভাগৰ খোৱাপানীৰ কিমান আঁচনি বিকল হৈ আছে। উত্তৰত দিছে ১০ আঁচনি অচল হৈ আছে তাৰে ভিতৰত ৯ খন আঁচনি কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা হাতত লৈছে। অধ্যক্ষ মহোদয় এই তথ্যটো শুদ্ধ নহয়। মাননীয় মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মোৰ ৰূপহীহাট বিধান সভা সমষ্টিত ২৩ টা খোৱাপানী যোগান আঁচনি বিকল হৈ আছে আৰু তাৰ মাজত ৬ টা আঁচনিৰ কামহে চলি আছে। মই মন্ত্ৰী মহোদয়ক বাকী থকা আঁচনিখিনি যাতে মেৰামতিৰ ব্যৱস্থা লয় এই কথাটো আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Minister- You have to check your officials and give the answer later on to him. এতিয়া আমি আমাৰ যোৱাকালি গ্ৰামোন্নয়নৰ ওপৰত যিটো কাট মোশ্যন আনিছিল তাৰ ওপৰত ডিবেট হৈ আছিল। লাষ্টত কৈছিল নিজানুৰ ৰহমান। তেখেত নাই গতিকে আমি নেক্সট স্পীকাৰলৈ যাম। এতিয়া শ্ৰীৰমেন কলিতা । মোক যেনেকৈ নাম দিছে সেই মতে এক'মোডেট কৰিম।

**শ্ৰীৰমেন্দ্ৰ নাথ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগটো এটা অন্যতম বিভাগ। এই বিভাগটোয়ে বিশেষভাবে গ্ৰামোন্নয়ণৰ বিকাশ আৰু অৰ্থনৈতিক দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিশেষভাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰেও গ্ৰামোন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি ইতিমধ্যে যথেষ্টখিনি পুঁজি আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগক পুঁজি আবন্টন দিছে। আমি যদি চাও বিগত দিনৰ যিটো কাৰ্য্যপ্ৰণালী তেতিয়া হ'লে আমি দেখিবলৈ পাম যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগত বিশেষকৈ আজি বিভিন্ন আঁচনিৰ জৰিয়তে যিসমূহ

পুঁজি আজি ৰাজ্য চৰকাৰলৈ কেন্দ্ৰীয় চৰকাৰে পঠায় সেই টকাৰে যদি গ্ৰাম্যাঞ্চলত কাম হ'লহেঁতেন। যি সমূহ পুঁজি আজি ৰাজ্য চৰকাৰে, কেন্দ্ৰীয় চৰকাৰে পঠিয়ায় সেই টকাৰে আজি বিশেষভাৱে যদি গ্ৰাম্যাঞ্চলত তেনেধৰণে কাম হ'ল হেতেন তেনেহলে যথেষ্টখিনি কাম কৰিবৰ কাৰণে সক্ষম হ'ল হেতেন। কিন্তু বিগত দিনত মই দেখিছো যে ২০১১ চনৰ পৰা ২০১৬ চনলৈকে সেই সময়ত কংগ্ৰেছ চৰকাৰ, বেয়া পাব নালাগে, কিছুমান বাস্তৱ আৰু সত্য কথাখিনি কব লাগিব। সেই সময়ত বিশেষভাৱে মই অন্য সমষ্টিত নাজানো, মোৰ সমষ্টিত বিশেষভাৱে মই দেখিছো যে MGNREGAৰ যিখিনি পুঁজি বা ইন্দিৰা আৱাস যোজনাৰ যিখিনি পুঁজি সেই পুঁজিখিনি যিভাৱে ব্যৱহাৰ হ'ব লাগিছিল তেনেধৰণে কিন্তু ব্যৱহাৰ হোৱা পৰিলক্ষিত হোৱা নাই। আজি মোৰ সমষ্টিতে বিভিন্ন অঞ্চলত MGNREGA ৰ জৰিয়তে যিখিনি পুঁজি আহিছিল তাৰ সৰহভাগ পুঁজিয়ে যি ধৰণে ব্যৱহাৰ হ'ব লাগিছিল হোৱা নাই আৰু বিশেষ ভাৱে আজি যদি আমি চাবলৈ যাওঁ যে যিটো পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল, সেই পৰিয়ালটোকে এটা ঘৰ নিৰ্মাণৰ কাৰণে টকা দিয়া হৈছিল। কিন্তু আজি যদি মই চাবলৈ যাও তেনেহলে মোৰ সমষ্টিত আজিলৈকে ইন্দিৰা আৱাস যোজনাৰ বহু ঘৰ অসম্পূৰ্ণ হৈ ৰৈছে। আনকি এইটো কথাও স্বীকাৰ কৰিব লাগিব যে বিভিন্ন সময়ত যদিও এই টকা সমূহ Directly সেই হিতাধিকাৰীৰ নামত বেংকত যায়, তথাপিতো যিহেতু নিৰেক্ষৰ মানুহ এই নিৰেক্ষৰ মানুহে বেংকত গৈ কি ভাৱে টকা উলিয়াব লাগে নজনাৰ বাবে কিছু দালালৰ সৃষ্টি হৈছিল আৰু সেই দালালে সেই পৰিয়াল টোৰ পৰা ৫ হাজাৰ, ১০ হাজাৰ টকা লৈ সেই ঘৰটো নিৰ্মাণ কৰাৰ ফলত আজি সেই ঘৰবিলাক সম্পূৰ্ণ কৰিব পৰা নাই। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, যে যিটো উদ্দেশ্য আগত ৰাখি আজি ইন্দিৰা আৱাস যোজনাৰ ঘৰৰ বাবদ টকা দিয়া হৈছিল সেই ঘৰ বিলাক সম্পূৰ্ণ কৰাৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে সেই ঘৰ সমূহ সম্পূৰ্ণ কৰাৰ কাৰণে টকা কিছু আৱন্টন দিয়া হয়। বিশেষভাৱে আমাৰ আঢ়ৈটা বছৰ হ'ল অৱশ্যে এই আঢ়ৈটা বছৰত আমি যি ভাৱে কাম কৰিব লাগে আমি কৰিছো। কিন্তু তাৰ মাজত মাননীয় অধ্যক্ষ মহোদয়, আমি কিছু অসুবিধাৰো সন্মুখীন হৈছো। এই অসুবিধাটো হৈছে যে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ নিয়ম অনুযায়ী এটা ৰাস্তাৰ কাম কৰিব লগা যদি হয় তেনেহলে 60% wages and 40% materials ত খৰচ কৰিব লাগে। কিন্তু যেতিয়া wagesৰ টকা আহে সেই টকাৰে যেতিয়া ৰাষ্টাৰ কাম কৰিবলৈ লওঁ, সেই ৰাষ্টাটো সম্পূৰ্ণ হোৱাৰ পিছত যিটো materialsৰ টকা আহিব লাগে সেইটোৰ কাৰণে যথেষ্ট দিন অপেক্ষা কৰিব লগা হয়। যাৰ ফলত wagesৰ যিখিনি কাম কৰা হয় সেই কামখিনি বাৰিষাৰ সময়ত আকৌ সেই কামকৰা অংশখিনি নষ্ট হয়, সেই কামখিনি একেবাৰে বিনষ্ট হয় আৰু যাৰ ফলত materialsৰ কাম নকৰাৰ কাৰণে সেই কামখিনি অৰ্থহীন হৈ পৰে। গতিকে মই ভাৱো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে wagesৰ কামখিনি কৰাৰ পিছতে যাতে আমি আমাৰ materialsৰ যিখিনি কাম সেই কামখিনি কৰাৰ ক্ষেত্ৰত যাতে উচিত ব্যৱস্থা গ্ৰহণ কৰে, নহ'লৈ আমাৰ যি টকা সেই টকাখিনি অপব্যৱহাৰ হোৱাও পৰিলক্ষিত হৈছে। ইতিমধ্যে আমাৰ PMGSYৰ যিখিনি কাম, ইতিমধ্যে হয় যে আমাৰ সমষ্টিতো বা অসমৰ বিভিন্ন প্ৰান্তত ইতিমধ্যে PMGSYৰ কাম হৈছে, ইতিমধ্যে ভালদৰে কামখিনি কৰা হৈছে আৰু তেনেধৰণে যদি দুখীয়া পৰিয়ালখিনিয়ে যিখিনি PMGSYৰ জৰিয়তে আজি পুঁজি আহিছে, সেই পুঁজিখিনি যদি সৎ ব্যৱহাৰ কৰি সেই ঘৰবিলাক সম্পূৰ্ণ কৰো তেতিয়াহ'লৈ নিশ্চয় সেই দুখীয়াটোৰ যিটো সপোন, পৰিয়ালটোৰ যিটো সপোন, সেই সপোন নিশ্চয় বাস্তৱত সফল ৰূপ পাব। তাৰোপৰি মাননীয় অধ্যক্ষ মহোদয়, আমাৰ

সমষ্টিবিলাকক বিশেষকৈ মোৰ অসম মেঘালয় সীমান্তবৰ্তী এলেকা আৰু বহুতো এৰিয়া আমাৰ ফৰেষ্ট ৰিৰ্জাভত আছে। ফৰেষ্ট ৰিৰ্জাভত থকা বাবে এই বিলাক Appear নহয় চাৰ। এইবিলাক ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ আগৰে পৰাই সেই ফৰেষ্ট ৰিৰ্জাভবিলাকত পৰিয়াল বিলাকে বসবাস কৰি আছিল। কিছুমান এৰিয়া ইতিমধ্যে ফৰেষ্ট ভিলেজ হিচাপে ঘোষণা হৈছে আৰু কিছুমান পৰিয়াল ফৰেষ্ট ভিলেজ হিচাপে notification নোহোৱাৰ কাৰণে এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, যে ২০০৬ চনত schedule Tribe and of the other traditional forest dwellers recognition of Forest Tribe Act, 2006. অনুযায়ী গোটেই এই আইন মতে ৰিৰ্জাভ ফৰেষ্টত যি সকল জনজাতীয় মানুহে বসবাস কৰি আছে সেই সকলক তাতে তেওঁলোকৰ বিভিন্ন স্কুলৰ পৰা আদি ঘৰ-দুৱাৰ নিৰ্মাণৰ ক্ষেত্ৰতো ইয়াত প্ৰভিজন আছে। কিন্তু আজি ফৰেষ্ট বিভাগে বিশেষকৈ এই আইনখন অগ্ৰাহ্য কৰি সেই অঞ্চলবিলাকত এতিয়াও তেনেধৰণে PMGSYৰ জৰিয়তে যি সুবিধা প্ৰদান কৰা হৈছে সেই সুবিধাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। বিশেষভাৱে যিহেতু অসম মেঘালয় সীমান্তবৰ্তী এলেকা, সেই এলেকা বিলাকত যদি আমি PMGSYৰ জৰিয়তে তেনেধৰণৰ ঘৰ নিৰ্মাণৰ সুবিধা কৰি দিব পাৰো তেতিয়াহলে আজি মেঘালয়ৰ আগ্ৰাসনৰ যিটো মনোভাৱ এই মনোভাৱটো নিশ্চয় তেতিয়া পৰিত্যাগ কৰিবৰ কাৰণে বাধ্য হ'ব আৰু মানুহখিনিয়ে যদি স্থায়ীভাৱে তাতে বসবাস কৰাৰ সুবিধা পায় তেতিয়াহলে নিশ্চয় সেই অঞ্চলখিনিও ৰক্ষণাবেক্ষণ দিয়াত আমাৰ কাৰণে যথেষ্ট সুবিধা হয়। আজি যদি মেঘালয় অঞ্চলটোত চাওঁ সীমান্তবৰ্তী এলেকাত আজি ঘৰ-দুৱাৰে নাই, আজি বিভিন্ন সুবিধা কিন্তু তেওঁলোকে লাভ কৰিবৰ কাৰণে সক্ষম হৈছে। আজি ৰাস্তাঘাট হৈছে, আজি বিজুলী বাতিৰ সুবিধা পাইছে, পানীযোগান আঁচনিৰ সুবিধা পাইছে। গোটেই সুবিধা বিলাক আজি মেঘালয়ৰ যিখিনি সীমান্তবৰ্তী এলেকাত বসবাস কৰি আছে সেই সীমান্তবৰ্তী এলেকাৰ পৰিয়াল সমূহে কিন্তু এই সুবিধা বিলাক লাভ কৰিবৰ কাৰণে সক্ষম হৈছে আৰু আমাৰ অসমৰ সীমান্তবৰ্তী এলেকাই এই সুবিধা বিলাকৰ পৰা বঞ্চিত হৈ আছে। সেই কাৰণে আমাৰ অসমৰ বাসিন্দা সকলৰ, সীমান্তবৰ্তী বাসিন্দা সকলেও সেই কাৰণে মেঘালয় ৰাজ্যৰ ওপৰত তেওঁলোকে নিৰ্ভৰশীল হ'ব লগীয়া হৈছে আৰু সেই কাৰণে মেঘালয়ে বা নিকটবৰ্তী যিখিনি ৰাজ্য আছে সেই ৰাজ্যখিনিয়ে কিন্তু এই সুযোগটো গ্ৰহণ কৰিছে। গতিকে মই ভাৱো যে এই সুবিধাবিলাক আমাৰ অসম মেঘালয় সীমান্তবৰ্তী এলেকাতো যাতে লাভ কৰিবৰ কাৰণে সক্ষম হয়, তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো আৰু প্ৰয়োজন হ'লে মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ মাননীয়া বন বিভাগৰ মন্ত্ৰীমহোদয়াৰ লগত আলোচনা কৰি এই এক্ট অনুযায়ী যাতে এই সুবিধাবিলাক লাভ কৰিব পাৰে তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো। বিশেষভাৱে আমাৰ যিবিলাক গাওঁ পঞ্চায়ত আছে, এতিয়া এই গাওঁপঞ্চায়ত বিলাকত আমাৰ যিদৰে কৰ্মচাৰী লাগে, যিভাৱে আমাৰ তাতে সুবিধা লাগে এই সুবিধা বিলাক কিন্তু আজি গাওঁ পঞ্চায়ত কাৰ্য্যালয় সমূহত নাই। গতিকে আজি যদি বিশেষকৈ পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগত আজি অধিক টকা আহে, অধিক পুঁজি আহে, আৰু এই কাম বিলাক কৰিবলৈ লওঁতে যদি তাত সঠিক ভাবে কনিষ্ঠ অভিযন্তা নাথাকে, কৰ্মচাৰী নাথাকে, তেনেহ'লে সেই কাম বিলাক যি ধৰণে ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰিব লাগে, তেনেধৰণে ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়, সেই কাৰণে এটা গাওঁ পঞ্চায়তত বা আমাৰ Block office ত বা খণ্ড উন্নয়ন কাৰ্য্যালয়ত প্ৰকৃতাৰ্থত কিমানখিনি কৰ্মচাৰী প্ৰয়োজন। কিমানখিনি কনিষ্ঠ অভিযন্তাৰ প্ৰয়োজন, সেই গোটেইখিনি চাই Survey কৰি

যাতে এটা পূৰ্ণাংগ খণ্ড উন্নয়ন কাৰ্য্যালয় হব পাৰে, এটা পূৰ্ণাংগ গাওঁ পঞ্চায়ত যাতে হ'ব পাৰে, তাৰ বাবে তেনেধৰণৰ এটা আন্তঃগাঠনি তৈয়াৰ কৰি তেনেধৰণে ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। বিশেষভাবে আমি লক্ষ্য কৰিছো যে বিগত চৰকাৰে আমাৰ সমষ্টি সমূহত য'ত য'ত প্ৰয়োজন হয়, সেই সমষ্টি সমূহত আমাৰ খণ্ড  উন্নয়ন কাৰ্য্যালয় বৃদ্ধি কৰাৰ বাবে এটা সিদ্ধান্ত লৈছিল। মই ভাবো সেই সিদ্ধান্তটো এটা উপযুক্ত সিদ্ধান্ত আছিল আৰু সেই কাৰণে বিগত দিনত যিখিনি খণ্ড উন্নয়ন কাৰ্য্যালয় নতুনকৈ গঠন কৰাৰ কাৰণে যিটো সিদ্ধান্ত লৈছিল, এই সিদ্ধান্তটো যাতে কাৰ্য্যকৰী কৰাৰ  ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো। আজি অৱশ্যে প্ৰশ্নৰ উত্তৰ কালত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে মাননীয় মুখ্যমন্ত্ৰীয়ে সেই কেইটা খণ্ড উন্নয়ন কাৰ্য্যালয় নহয়। প্ৰতিটো সমষ্টিত দুটাকৈ আকৌ খণ্ড উন্নয়ন কাৰ্য্যালয় দিয়াৰ চিন্তা চৰ্চা কৰিছে, মই আশা ৰাখিছো যাতে এই বছৰতে বেছি পলম নকৰি এই বছৰতে যাতে  খণ্ড উন্নয়ন কাৰ্য্যালয় সমূহ গঠন কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই বিশেষ ভাবে অনুৰোধ জনাইছো। আমি এটা কথা লক্ষ্য কৰিছো যে সমগ্ৰ অসমত আজি আমাৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰতটো যিটো Job Card ৰ ব্যৱস্থা কৰিছে, কিছু সকাহ দিয়াৰ উদ্দেশ্যৰে আজি Job Card ৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে যিখিনি দুখীয়া পৰিয়ালে Job Card পাৱৰ কাৰণে সক্ষম হল সেই সকলোৰেও ইতিমধ্যে Job Card ৰ জৰিয়তে কিছু কাম-কাজত তেওঁলোকে ব্যস্ত থাকি, কিছু হয়টো তেওঁলোকে উপাৰ্জন কৰিবৰ কাৰণে সক্ষম হৈছে। কিন্তু দুখৰ বিষয় মোৰ সমষ্টিত আৰু বহু এনেকুৱা দুখীয়া পৰিয়াল আছে, যি সকলে এতিয়া Job Card পোৱা নাই। গতিকে এটা সমষ্টিৰ প্ৰতিটো দুখীয়া পৰিয়ালক যাতে Job Card ৰ অন্তৰ্ভূক্ত কৰি সেই পৰিয়াল সকলক অৰ্থনৈতিক ভাবে সকাহ দিয়াৰ যিটো চিন্তা-চৰ্চা কৰিছে, সেই চিন্তা-চৰ্চাত যাতে ইয়াৰ পৰা বঞ্চিত হৈ থকা পৰিয়াল সমূহকো যাতে অন্তৰ্ভূক্ত কৰি তেওঁলোকক যাতে ইয়াৰ সুবিধা পাব পাৰে তাৰ কাৰণে মই বিশেষভাবে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ এই ক্ষেত্ৰত এটা সিদ্ধান্ত ল'বৰ কাৰণে মই অনুৰোধ জনাইছো। আৰু যিখিনি পুঁজি  আহে সেই পুঁজিখিনি যাতে আমি সময় মতে কামখিনি কৰিব পাৰো উন্নয়নমূলক কামখিনি যাতে সময়মতে হ'ব পাৰে তাৰ কাৰণে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত এই পুঁজিখিনি যাতে আমাৰ DRDA ৰ কাৰ্য্যালয়লৈ দিয়া হয়, তাৰ বাবে মই বিশেষ ভাবে অনুৰোধ জনাইছো আৰু নহ'লে এই পুঁজিখিনি আমি প্ৰথম পৰ্য্যায়ৰ যিখিনি পুঁজি দিয়া হয়, সেইখিনি যদি পলমকৈ দিয়া হয়, তেনেহলে আমাৰ উন্নয়নৰ কাম-কাজত যথেষ্টখিনি আমি বাধা প্ৰাপ্ত হওঁ আৰু সেই কাৰণে মই বিশেষ ভাবে পুঁজিখিনিও এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত যাতে মুকলি কৰি দিয়া হয় তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। আৰু এটা সমস্যাৰ সৃষ্টি হৈছে, যে এটা সমষ্টিত এটা জিলা ৬০/৪০ ৰ যিটো Ratio এই ratio টো এটা জিলাভিত্তিত হয়, আৰু বিশেষভাবে মই এতিয়া দেখিছো যে মোৰ সমষ্টিত ৬০/৪০ সম্পূৰ্ণ ভাবে পালন কৰিছো। মই ৬০/৪০ ৰ ওপৰত যাব দিয়া নাই। এনেকুৱা কিছুমান সমষ্টি আছে, য'ত materials ৰ টকা ৭০ শতাংশ লৈকে খৰচ কৰিছে, য'ত wage ৰ ৩০ শতাংশ হৈছে তাৰ ফলত জিলাত মিলাবলৈ যাওঁতে ইতিমধ্যে য'ত ৭০ শতাংশ হৈছে, য'ত ৩০ শতাংশ wage ৰ কাম হৈছে, তাৰ ফলত গোটেই জিলা বিলাকত সেই balance টো আনিবৰ কাৰণে আকৌ গোটেই সমষ্টি বিলাকৰ কাম-কাজ বন্ধ ৰখা হৈছে। গতিকে আজি যদি মই নীতি নিয়মৰ মাজত থাকি ৬০/৪০ % ratio সেই ratio টো মানি চলাৰ পিছটো কিন্তু আজি মই এই যিটো নিয়ম পালন কৰি

থকাৰ কাৰণে যথেষ্টখিনি আমি অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছে। গতিকে এই নিয়মটো বিশেষ ভাবে ৬০/৪০ % ratio এইটো strict থাকি যদি কোনোৱা সমষ্টিয়ে এই ratio টো পালন কৰা নাই, তেতিয়া সেই সমষ্টিত তেওঁলোকে প্ৰশ্ন কৰক। মই যদি ৬০ শতাংশ খৰচ কৰিছো, তেতিয়া হলে সেই প্ৰশ্নটো, সেই সমষ্টিটোৰ কাৰণে মই কিয় অসুবিধাত পৰিবলগীয়া হয়, এই বিষয়টো কিন্তু চাবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। পঞ্চায়ত প্ৰতিনিধিৰ যিখিনি remuneration তেওঁলোকে পায় সেইটো দেখা গৈছে বিগত দিন বিলাকত বহু বছৰ ধৰি তেনেধৰণে remuneration পোৱা নাই। এতিয়া মোৰ কথাটো হৈছে, যে বৰ্তমান নতুন পঞ্চায়ত আছে, এই পঞ্চায়তৰ প্ৰতিনিধি সকলে তেওঁলোকে খুব বেছি টকা নাপায়, কম কমকৈ টকা পায়। গতিকে এই টকাখিনিও যাতে সময়মতে মুকলি কৰি দিয়া হয়, তাৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এই দিশটোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবৰ কাৰণে মই অনুৰোধ বিচাৰিছো। যদি remuneration টো যদি সময়মতে নহয়, তেতিয়া হলে তাত corruption ৰ যথেষ্ট স্থল থাকে। কাৰণ তেওঁলোকে চলিব লাগিব, তেওঁলোকে খাব লাগিব, তেওঁলোকে জীৱিকা নিৰ্বাহ কৰিব লাগিব। যদি সময় মতে তেওঁলোকে সময়মতে এই ধনখিনি নাপায়, তেতিয়া হলে হয়টো তেওঁলোকে ক'ৰবাৰ পৰা দুই এটকা লৈয়ে হয়টো পৰিয়ালটোক পোহ পাল দিব লগীয়া এটা অৱস্থাৰ সৃষ্টি হৈছে। গতিকে এই বিষয়টোৰ ওপৰটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যিখিনি পুঁজি আহে এই পুঁজিখিনি যাতে সদ্ব্যৱহাৰ হয়, যাতে তাত কোনো দুৰ্নীতিৰ আশ্ৰয় ল'ব নোৱাৰে তাৰ বাবে সঠিক পদক্ষেপ গ্ৰহণ কৰিব লাগে, আজি block বিলাকত Vigilance & Monitoring Cell আছে, কিন্তু Vigilance & Monitoring Cell য়ে যেতিয়া আমি কেতিয়াবা কিবা দুৰ্নীতিৰ কথা, ক'ৰবাত যদি বেয়া কাম কৰিছে তেতিয়া হ'লে আমি জিলালৈ পঠাও, চৰকাৰলৈ প্ৰস্তাৱ পঠিয়াও সেইটো প্ৰস্তাৱ পঠোৱাৰ পিছত চৰকাৰৰ ফালৰ পৰা যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণে আজি হয়টো বিষয়া সকলে সেই সুবিধাটো লাভ কৰিবৰ কাৰণে সক্ষম হৈছে। যদি Vigilance & Monitoring Cell ত সম্পূৰ্ণ কৰ্তৃত্ব দিয়া হয়। কোনোৱাই যদি দুৰ্নীতি কৰিছে, তেনেহ'লে Vigilance & Monitoring Cell ত সম্পূৰ্ণ কৰ্তৃত্ব দিছো। যে তেওঁলোকে এই ক্ষেত্ৰত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব, তেতিয়া হয়টো গ্ৰাম্য অঞ্চলৰ যিখিনি টকা পইচা দিয়া হয়, সেইখিনি সঠিক ভাবে ব্যৱহাৰ হ'ব বুলি মই ভাবিছো। গতিকে মই এইখিনি কথা ক'লো, মই আশা ৰাখিছো যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে যাতে আমি এটা নতুন গতি দিব পাৰো তাৰ বাবে নিশ্চয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক বিশেষকৈ ৰাজ্য চৰকাৰক অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ মহোদয় ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ এই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে নিজৰ বিভাগ আৰু ৰাইজ হকে কাম কৰিবৰ কাৰণে যিখিনি পূজি তেখেতসকলে বিচাৰি তেওঁলোকে উত্থাপন কৰিছে, ইয়াৰ বিৰুদ্ধে আমাৰ বিৰোধী দলৰ পৰা যিটো কৰ্তন প্ৰস্তাৱ আনিছে, ইয়াৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই আমাৰ বিভাগে পূজি দিয়াৰ স্বাৰ্থত তেওঁলোকৰ সপক্ষে কথা কবলৈ আগবাঢ়িছো।

আমি সকলোৱে জানো যে পঞ্চায়তীৰাজ ব্যৱস্থা এটা constitutional ব্যৱস্থা। এই পঞ্চায়তীৰাজ ব্যৱস্থাৰ constitutional ৰ যিটো arrangement ইয়াৰ ৰাইজৰ কাৰণে কাম

কৰাৰ স্বাৰ্থত যিটো বিভাগ আছে P&RD বিভাগ। এই বিভাগৰ যিটো কাৰ্য্যক্ষেত্ৰ আৰু তেখেতসকলৰ কাম কৰাত ৰাইজৰ কাৰণে দায়িত্ব পোৱা সেইটো বিশাল বিষয় বুলি আমি সকলোৱে জানো। P&RD বিভাগ আজি আমাৰ গাঁও অঞ্চলত বসবাস কৰা যিসকল ৰাইজ আছে, আমাৰ নাগৰিকসকল আছে, তেখেতসকলক direct connect কৰি তেওঁলোকৰ অঞ্চল উন্নতিৰ কাৰণে, পিছপৰি থকা গ্ৰাম্য অঞ্চলৰ ৰাইজৰ কাৰণে, তেখেতসকলৰ অভাৱ-অভিযোগ, দুৰ্দশা সেইবিলাক আতৰাই সেইবোৰ অঞ্চলৰ ক্ষীপ্ৰ উন্নয়নৰ কাৰণে কাম কৰা এটা গধূৰ বিভাগ। ইয়াৰ কাৰণে এই বিভাগক যথেষ্ট টকা-পইচাৰ প্ৰয়োজন আছে, পুঁজিৰ প্ৰয়োজন আছে। পঞ্চায়তীৰাজ ব্যৱস্থা এটা grass root level এটা democrtic institution । নিম্ন স্তৰৰ এটা গণতান্ত্ৰিক ব্যৱস্থা আৰু এইটো এটা Decentralisation of power, ক্ষমতাৰ বিকেন্দ্ৰকৰণৰ এটা ব্যৱস্থা, য'ত ৰাইজ, প্ৰতিনিধি, চৰকাৰ সকলোৱে জড়িত হৈ পেলাই আমাৰ গ্ৰামীণ বিকাশৰ বাবে মহৎ উদ্দেশ্য লৈ তেওঁলোকে কাম কৰিব লগা হয়। আজি গ্ৰামোন্নয়ন বিভাগে নিজৰ বিভাগৰ যিবিলাক কাম-কাজ আছে, ৰাইজৰ কাৰণে তেখেতসকলৰ কৰণীয় যিবিলাক দায়িত্ব আছে বিভাগীয়ভাৱে উপৰঞ্চি ইয়াৰ বাহিৰেও তেখেতসকলে আন আন বিভাগ বিলাকৰো কাম-কাজো কৰিব লগীয়া হয়। আজি কৃষি বিভাগৰ বান নিৰ্মাণ, দং নিৰ্মাণ কৰা, জলসিঞ্চন বিভাগৰ বান নিৰ্মাণ, দলং নিৰ্মাণ কৰা, PWD বিভাগৰ ৰাস্তা বনোৱাৰ কাম কৰা, মীন বিভাগৰ কাম কৰা, আজি Social Forestry বিলাকৰ plantation ৰ কাম কৰা। MLA area development fund ৰ পৰা আজি implementation ৰ যিটো কাম, গ্ৰামোন্নয়ন বিভাগে এইবিলাক গোটেই কাম-কাজ বিলাক তেখেতসকলে এটা দায়িত্ব লৈ পেলাই কাম কৰিবলগীয়া হোৱা এটা বিভাগ। এই বিভাগে ৰাইজৰ স্বাৰ্থত গোটেইখিনি কাম কৰে। যিবিলাক অনুদান ৰাইজৰ নামত আজি সুতা-কম্বলৰ পৰা আৰম্ভ কৰি, টিনপাত দিয়া, গৃহহাৰা যিসকল ৰাইজ আছে, যিসকল beneficiary ৰাইজ আছে, তেওঁলোকক অনুদান দিয়াৰ পৰা যিখিনি কাম-কাজ আজি চৰকাৰে কৰিবলৈ দিয়া হৈছে, সেইখিনি কাম-কাজ গ্ৰামোন্নয়ন বিভাগৰ পৰাই ৰূপায়ন কৰা হয়। গতিকে বেলেগ যিবিলাক বিভাগ আছে, সেই বিভাগবিলাকৰো কাম-কাজ গধুৰ হয়। কিন্তু multi-purpose angle ত গ্ৰামোন্নয়ন বিভাগে থাকি কাম কৰিবলগীয়া হোৱাতো আমি সকলোৱে জানো। গতিকে এই বিভাগটো এটা ডাঙৰ বিভাগ। আজি গ্ৰামোন্নয়ন অঞ্চলৰ উন্নয়নৰ কাৰণে যদি আমি কাম কৰিব লাগে গ্ৰামোন্নয়নৰ বিভাগৰ দ্বাৰাই আমি কাম কৰিব লাগিব। আৰু গ্ৰাম অঞ্চল বুলি কোৱাৰ লগে লগে it is mainly complete backward area । backward area ৰ কাৰণে আমি কাম কৰিবলগীয়া হোৱা, বেকাৰ মানুহবিলাকৰ কাৰণে কাম কৰিবলগীয়া হোৱা, ৰাইজৰ কাৰণে কাম কৰিবলগীয়া হোৱা এইটো বিভাগ। গতিকে এই বিভাগটো চলোৱাৰ কাৰণে manpower ৰ প্ৰয়োজন আছে, টকা-পইচাৰো প্ৰয়োজন আছে আৰু বহুখিনি তেনেকুৱা material ৰ প্ৰয়োজন আছে। সেই shortage বিলাক fill up কৰি পেলাই কাম কৰিবৰ কাৰণে বিভাগটোক আমি active কৰিবৰ কাৰণে যথেষ্ট টকা-পইচাৰ প্ৰয়োজন আছে। আজি আমি MGNREGA ৰ আঁচনিৰ বিষয়ে, এইটোৰ implementation ৰ machanism system ৰ বিষয়ে বহু আলোচনা কৰা হয়। ইয়াত দুৰ্নীতি আদি কিবা কিবি হয়, সময়মতে নহয়, নানা ধৰণৰ অভিযোগ আহে। কিন্তু ইয়াৰ বহুকথা সোমাই আছে -

(১) আগৰ আমাৰ দিন বিলাকত আমি দেখিবলৈ পাইছিলো, এইযে জব কাৰ্ড বিলাক issue কৰা হৈছিলে , যোৱা দিন বিলাকত বহুত এনেকুৱা ধৰণৰ ভুৱা জব কাৰ্ড, আনকি মৰি যোৱা মানুহবিলাকৰ নামতো জব কাৰ্ড issue কৰাটো আমি দেখিবলৈ পাইছিলো। জালিয়তি কৰি পেলাই

বহুত এনেকুৱা দুই নম্বৰী double, triple জব কাৰ্ড issue কৰাটো আমি দেখিবলৈ পাইছিলো। তেনেকুৱা একো system wise কৰা হোৱা নাছিল, তেনেকুৱা একো regularisation ব্যৱস্থা কৰা হোৱা নাছিল, যেনেকৈ ইচ্ছা তেনেকৈ কৰা হৈছিল। কিন্তু এই চৰকাৰখন অহাৰ পিছত আমি ধন্যবাদ দিব লাগিব যে আমাৰ মূখ্যমন্ত্ৰী ডাঙৰীয়া দেৱৰ নেতৃত্বত যিটো চৰকাৰ চলি আছে, সেই চৰকাৰখনে এটা দৃঢ় পদক্ষেপ ললে যে যিমানখিনি আমাৰ ভুৱা জব কাৰ্ড আছে সেইবিলাক বন্ধ কৰিব লাগে আৰু সেইবিলাক বন্ধ কৰাৰ পিছত এতিয়া প্ৰকৃতাৰ্থত যিবিলাক আচল জব কাৰ্ড আছে, সেইবিলাকৰ দ্বাৰাই আমাৰ MGNREGA ৰ আঁচনি বিলাক ৰূপায়ন কৰি থকাতো আমি দেখিবলৈ পাইছো। যাৰ কাৰণে এতিয়া ভুৱা জব কাৰ্ড ব্যৱহাৰ কৰি সেই কাম বিলাক ৰূপায়ন কৰাৰ কাৰণে যোৱা দিন বিলাকত যিখিনি দূৰ্নীতি আমি দেখিবলৈ পাইছিলো, in the implementation of the MGNREGA scheme, সেইবিলাক এতিয়া বন্ধ হৈছে। কাৰণ ভুৱা, অসৎ উপায়েৰে পইচা উলিয়াই লৈ যোৱাৰ যিটো ব্যৱস্থা আছিলে, সেই ৰাষ্টাতো বন্ধ হৈ গ'ল। এতিয়া যিবিলাক genuine Job Card holder আছে তেওঁলোকৰ জব কাৰ্ড ব্যৱহাৰ কৰিহে সুচাৰুৰূপে MGNREGA কামখিনি চলি আছে। ইয়াত যিহেতু বহুত ধৰণৰ, বহুতো category, বহু mentality মানুহবিলাকে জড়িত হৈ আছে, evey job card holder all are active সেইটোতো নহয়, ইয়াৰো মাজত হয়তো অলপ-চলপ ইফাল-সিফাল থকাতো স্বাভাৱিক। সেইটো ঠিক-ঠাক কৰিবৰ কাৰণে বিভাগে বহুতো চেষ্টা চলাই আছে। কিন্তু ইয়াত এটা কথা আহিব, মই চৰকাৰক দৃষ্টিগোচৰ বা চৰকাৰক অনুৰোধ কৰিব খুজিছো যে জব কাৰ্ডৰ মানুহবিলাকৰ যিটো আজিৰ কাম কৰাৰ অনিচ্ছা, সেইটো দূৰ কৰিবৰ কাৰণে কিছুমান সংশোধন কৰিবলৈ প্ৰয়োজন আছে। কিছুমান চৰকাৰৰ ফালৰ পৰা পলিচি লোৱাৰ প্ৰয়োজন আছে। এই যে দিন হাজিৰা বা যিটো মজুৰি দিয়া হয় জব কাৰ্ডৰ মানুহ বিলাকক **১৮২** টকা, সেইটো জব কাৰ্ডৰ মানুহ বিলাকে পচণ্ড নকৰে। তেখেতসকলে বাহিৰত যিহেতু **৩০০, ৪০০** টকাৰ দৈনিক মজুৰি পাই আছে আৰু জব কাৰ্ডৰ **১৮২** টকালৈ গোটেই দিনটো তেখেতসকলে কাম কৰাৰ ক্ষেত্ৰত অসুবিধা পায় আৰু ইয়াৰ কাৰণে সময়মতে এই আচঁনি বিলাক ৰূপায়ন কৰাত যথেষ্ট অসুবিধা হয়, পলম হয়। যাৰ কাৰণে more and more attractive কৰিবৰ কাৰণে, মানুহ বিলাকক কামত জড়িত হোৱাৰ কাৰণে, যিহেতু নিযুক্তি দিয়াতো আমাৰ উদ্দেশ্য at the same time there should be development in the rural area। ইয়াৰ লগে লগে যিসকল unemployee আছে, তেখেতসকলেও they should also get the job আৰু এই দুটা উদ্দেশ্য পূৰণ কৰিবৰ কাৰণে নিশ্চয় চৰকাৰৰ ফালৰ পৰা কাম কৰা মানুহ বিলাকৰ যিটো কামৰ মুল্য, সেই মুল্যতো উচিত ভাৱে দিয়াৰ প্ৰয়োজন আছে। যেনেকৈ আমি তেওঁলোকৰ পৰা কাম বিচাৰিছো, তেওঁলোকৰ পৰিশ্ৰমৰ যিটো মুল্য, সেইটো দিয়াৰো নিশ্চয় প্ৰয়োজন আছে। গতিকে it posible, যিটো remuneration that has to be increased, ইয়াৰ ব্যৱস্থাটো কৰিব পৰা যায় নেকি ? চৰকাৰৰ ফালৰ পৰা, এইখিনি কথা চিন্তা-চৰ্চা কৰাতো বা কেন্দ্ৰীয় চৰকাৰৰ লগত take up কৰাৰ বিষয় আছে, সেইখিনিকো আমাৰ চৰকাৰে নিশ্চয় কৰিব। মই আজি সদনত মোৰ যুক্তিতো ৰাখিছো। At the same time আমি বহু কাম বিচাৰিছো, কিন্তু আমি সেই বিভাগক কি দিব পাৰিছো, সেইটো চাব লাগিব। addition time আমি বহু কাম বিচাৰিছো। কিন্তু আমি তেওঁলোকক কি দিব পাৰিছো। সেই পাৰ্থক্যটোও চাব লাগিব। অলপ আগতে কলিতা ডাঙৰীয়া দেৱে যিটো মেন পাৱাৰৰ কথা ক'লে সঁচাকৈ মেন পাৱাৰ যথেষ্ট কম আছে। মই এটা উদাহৰণ দিব বিচাৰো মোৰ সমষ্টি আৰু বি পি এফ ৰ বিধায়ক মাজেন্দ্ৰ ডাঙৰীয়াৰ সমষ্টি ২৮ নং গোসাঁইগাওঁ

সমষ্টি আৰু ২৯ নং কোকৰাঝাৰ ৰেষ্ট সমষ্টি, এই দুটা সমষ্টি লৈ কছুগাওঁ ডেভেলপমেণ্ট ব্লক হয়। এতিয়া তাত মাত্ৰ এজনেই JE আছে। How it is possible to implement all these schemes by only one JE in that Block. তাত আপুনি implementation কেনেকৈ আশা কৰিব পাৰিব? পি. এম. এ. ওৱাই., এম জি এন ৰেগা, বৃদ্ধ পেঞ্চন, এম এল এ এৰিয়া ডেভেলপমেণ্ট ফাণ্ডকে ধৰি বিভিন্ন ধৰণৰ বিভাগৰ কাম বিলাক আছে। বি টি চি ত পি এন আৰ ডি বিভাগৰ পৰা কিছুমান কাম কৰিবলৈ দিয়া হয়, চি ডি ফাণ্ড ইত্যাদি নানান ধৰণৰ কাম আছে। এজন JE ৰ দ্বাৰা ইমান ডাঙৰ ব্লক এটা চলোৱা কেতিয়াওঁ সম্ভৱ নহয়। অথচ এইটো টাইম বাউণ্ড। আমি টাইমলী implementation কৰিব পাৰিব লাগিব। চৰকাৰৰ ফালৰ পৰা কৈ আছে যে আপোনালোকৰ পি. এম. এ. ওৱাই., এম জি এন ৰেগা ৰ কাম কিমান আগ বাঢ়িছে? বি ডি ও য়ে conferencing কৰি আছে। বি ডি ও বিলাকে ৰিপ্লাই দিবলৈ আজি ভয় কৰিব লগা হৈছে যে আমি কেনেকৈ ৰিপ্লাই দিম আমাৰ timely যিহেতু implementation নহয়। মেন পাৱাৰ যিহেতু নাই আমি কেনেকৈ কৰিম? টেকনিকেল পাৰচনৰ দ্বাৰাই দি হে যিটো সম্ভৱ হয় আমাৰ নিচিনা মানুহৰ দ্বাৰা এইটো সম্ভৱ নহয়। গতিকে তাত এই চৰ্টেজটো কেনেকৈ মেকআপ কৰিব? তাত প্ৰয়োজনীয় জে ই খিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। অকল কছুগাওঁ ডেভেলপমেণ্ট ব্লকতেই নহয়, কোকৰাঝাৰ ব্লক, দত'মা ডেভেলপমেণ্ট ব্লক, গোসাইগাওঁ ডেভেলপমেণ্ট ব্লক আৰু হয়তো গোটেই অসমৰ প্ৰায়বিলাক ব্লকতেই এই চৰ্টেজ বিলাক আছে। জে ই নহ'লে আমি কোনো এটা প্ৰগ্ৰেমেই implementation কৰিব নোৱাৰো। গতিকে সোনকালে এই চৰ্টেজটো ফিলাপৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা সোনকালে কৰিব লাগে। যিহেতু accredited engineer বিলাকক তাত ফিক্স পে হিচাপত নিযুক্তি দিয়া হৈছে, তেওঁলোকে কিন্তু আমাৰ যিসকল ৰেগুলাৰ JE আছে তেওঁলোকৰ নিৰ্ভৰ কৰিব লগা হয়। যিহেতু জে ই ৰ গাইডেঞ্চত তেওঁলোকে কাম কৰিব লগা হয়। তেওঁলোক সম্পূৰ্ণ independent নহয়। তেওঁলোকে বহুতো সমস্যাত পৰিব লগীয়া হয় আৰু এই ৰেগুলাৰ JE বিলাকৰ সহায় লৈ কাম কৰিব লগীয়া হয়। বি ডি ও সকলে ১০০ শতাংশ গাইড কৰাতো সম্ভৱ নহয়। গতিকে আমি চৰকাৰৰ ফালৰ পৰা এনেকুৱা এটা পলিচী ল'ব পাৰো নেকি যে যিসকল accredited engineer আজি ১২ ৰ পৰা ১৫ বছৰ ধৰি ব্লক বিলাকক ফিক্স পে হিচাপত নিযুক্তি হৈ আছে, তেওঁলোকৰ কেৰিয়াৰ যাতে ধ্বংস নহয় আমি মানৱতাৰ খাতিৰত চৰকাৰৰ ফালৰ পৰা যিসকল accredited engineer আছে, তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰিবৰ কাৰণে কিবা এটা চিন্তা-চৰ্চ্চা কৰিব পৰা যায় নেকি? তেতিয়াহ'লে নিশ্চয়কৈ JE বিলাকৰ চৰ্টেজটো পুৰণ হ'ব আৰু timely implementation কৰাৰ কাৰণে সুবিধা হ'ব। আৰু এটা অসুবিধা হৈছে বি ডি ও অফিচ বিলাকত ষ্টাফ কোৱাৰ্টাৰ নাই। দত'মা, কছুগাওঁ কতোৱেই নাই। অফিচৰ টেবুলত শুই থাকি হ'লেও অফিচাৰ সকলে কাম কৰিব লাগিব বুলি কোৱা কথা বিলাক কিমান প্ৰেকটিকেল আৰু কিমান ইম-প্ৰেকটিকেল সেইটো মই বুজিব নোৱাৰো। আমি কাম বিচৰা ধৰণে তেওঁলোকক সুবিধাও দিব লাগিব। তেওঁলোকে ব্লক, উন্নয়ণৰ বাবে কাম কৰিছে গতিকে তেওঁলোকক থকা মেলা, কামৰ মূল্য দিব লাগিব। তেওঁলোকে ডট'মালৈ যাবলৈ হ'লে কোকৰাঝাৰত ৰুম ভাৰা লৈ ৩০ কি. মি. দূৰত্বলৈ সদায় অহা যোৱা কৰিব লগা হয়। এইদৰে কাম কৰিবলৈ বহুতো অসুবিধাৰ সৃষ্টি হয়। কেতিয়াবা বন্ধ হয়, ৰাস্তা ব্লক হয় ফলত তেওঁলোকে যাব নোৱাৰে। ইফালে ব্লক অফিচত মানুহ বিলাকে কাম বিচাৰি, ডিমাণ্ড বিচাৰি ভিৰ কৰেহি। গতিকে আমাৰ যদি JEয়ে নাথাকে এই অফিচ বিলাক কেনেকৈ চলিব? গতিকে আমাৰ যিসকল AE, JE,

BDO ইত্যাদি ষ্টাফ বিলাক আছে তেওঁলোকে যাতে ষ্টাফ কোৱার্টাৰত থাকি ১২ ঘণ্টা বা ২৪ ঘণ্টাই কাম কৰিব পাৰে তাৰ বাবে মই ভাৰো ষ্টাফ কোৱার্টাৰৰ ব্যৱস্থা কৰি দিয়াৰ প্ৰয়োজন আছে। Infrastructure Development কাৰণে চৰকাৰে যাতে অনাগত দিনত পুঁজি ধাৰ্য্য কৰে তাৰ বাবে মই অনুৰোধ জনাইছো। BDO নিযুক্তিৰ ক্ষেত্ৰতো যথেষ্ট পলম হোৱা দেখা যায়। এজন BDO ই দুটা তিনিটা ব্লক চলাব লগীয়া হয়। ইয়াৰ লগতে এন. আৰ.চি. আৰু অন্যান্য ডিউটি তেওঁলোকক দিয়া হয়। ফলত তেওঁলোকৰ যথেষ্ট অসুবিধা হয়। গতিকে BDO. ৰ নিযুক্তি বিলাক যাতে সময়মতে হয় তাৰ ব্যৱস্থা কৰিব লাগে। পি. এম. এ. ওৱাই. ৰ যিটো implementation সেইটো execution ৰ বাবে আমি চৰকাৰক ধন্যবাদ জনাব লাগিব কাৰণ আমাৰ চৰকাৰখন অহাৰ পিছত আমাৰ যিবিলাক গৃহহীন ভাৰতীয় নাগৰিক আছে তেওঁলোকক ৰং দি মেলি সুন্দৰ ভাৱে ঘৰ বিলাক বনাই দিয়াত তেওঁলোক ভালদৰে চলি আছে। মাননীয় সভাপতি মহোদয়, আমি ধন্যবাদ দিব লাগিব যে আমাৰ চৰকাৰখন অহাৰ পিছত যিসকল গৃহহীন ভাৰতীয় নাগৰিক আছে তেওঁলোকৰ ঘৰবোৰ খুব সুন্দৰকৈ ৰং আদি কৰি বনাই দিয়াৰ বাবে। আমি ধন্যবাদ দিব লাগিব PMAY ক। কাৰণ ইয়াৰ জৰিয়তে গৃহহীন ভাৰতীয় নাগৰিকক ঘৰ দিয়াৰ ব্যৱস্থা কৰিছে। ‘ৰুটী কপৰা ঔৰ মকান’ আমাৰ যিটো Fundamental Need হয়, সেইখিনি আমাৰ চৰকাৰখনে পূৰণ কৰি দিয়াৰ ব্যৱস্থা কৰিছে। যিসকল অত্যন্ত দুখীয়া লোক বাদ পৰি গ'ল, তেওঁলোকে Code নাম্বাৰ পোৱা নাছিল, তেওঁলোকক আকৌ Re-Survey কৰি PMAY ৰ অধীনত কৰিবৰ বাবে নতুনকৈ Code পোৱাৰ যিখিনি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। আমি নিশ্চিতভাৱে এইটো ক'ব পাৰো যে অসমত যিখিনি গ্ৰামাঞ্চল বা চহৰ অঞ্চলত বসবাস কৰা যিসকল মানুহ আছে, তেওঁলোকে নিশ্চয় ঘৰ পাবলৈ সক্ষম হ'ব। কিন্তু এই ঘৰবোৰ বনোৱাৰ ক্ষেত্ৰত কিছুমান অসুবিধা নথকা নহয়। PMAY ৰ অধীনত ঘৰ বনোৱাৰ যিখিনি টকা সেইখিনি পোনপটীয়াভাৱে হিতাদিকাৰী সকলৰ একাউণ্টত যায়। ইয়াত মাজে মাজে কিছুমান অসুবিধা হয় যে যিসকল হিতাদিকাৰীৰ নামত একাউণ্টত টকা সোমাইছে, তেওঁলোক নিত্যান্তই দুখীয়া। কিছুমানৰ সেই সময়ত হয়তো স্বামী হস্পিতালত থাকে, ছোৱালীৰ বিয়া থাকে, ল'ৰাৰ বেমাৰ হয় ইত্যাদি সমস্যাবোৰ থাকে। তেনেক্ষেত্ৰত তেওঁলোকে বিপদত পইচা নাপাই কেতিয়াবা এই PMAY ৰ অধীনত নিজৰ একাউণ্টত যিখিনি টকা সোমাইছে, সেই টকাখিনি ব্যৱহাৰ কৰিবলগীয়া হয়। যাৰ কাৰেণ এই ঘৰবোৰ সময়ত সাজি উলিওৱাত বহুত অসুবিধা হয়। গতিকে আমাৰ চৰকাৰী টকাৰ যাতে অলপ Accountability আৰু Responsibility যাতে থাকে। আমি হিতাধিকাৰীক ১০০ শতাংশ বিশ্বাস কৰিব নোৱাৰো। তেওঁলোকক আমি চকু মুদি সম্পূৰ্ণৰূপে বিশ্বাসত ল'ব নোৱাৰো। ইয়াৰ মাজতো কিছুমান হিতাধিকাৰীয়ে খেলি-মেলি কৰাটো স্বাভাৱিক। কিছুমানে হয়তো ভালকৈ ব্যৱহাৰ কৰিছে। যিহেতু এইটো চৰকাৰী টকা ইয়াৰ অলপ চৰকাৰীভাৱে নিয়ন্ত্ৰণ থকাটো দৰকাৰ। গতিকে অফিচসমূহক আমি Accountable কৰিব লাগে। আগতে যেনেকৈ হিতাধিকাৰী আৰু চৰকাৰী কৰ্মচাৰী, J.E. তেওঁলোকৰ মাজত জইণ্ট একাউণ্টে চিষ্টেম আছিল, সেই চিষ্টেমটো যদি পুনৰ হয়, তেনে ক্ষেত্ৰত কোনেও সেই টকাটো অপব্যৱহাৰ কৰিব নোৱাৰে। সেইখিনিৰ অৱশ্যে কি গাইড লাইন আছে, কি চিষ্টেম আছে, আইনত কি আছে সেই দিশটো হয়তো বেলেগ হ'ব। কিন্তু আমি যিটো প্ৰকৃততে বাস্তৱত যিটো উপলব্ধি কৰি আছো বা Face কৰিবলীয়া হৈছে, সেইটো হ'ল- কেতিয়াবা হিতাধিকাৰী সকলে নিজৰ একাউণ্টৰ টকাখিনি ঘৰ বনোৱাৰ পৰিৱৰ্ত্তে বেলেগ কামত অপ-ব্যৱহাৰ কৰা বাবে PMAY ৰ অধীনত ঘৰ সময় মতে সম্পূৰ্ণ নোহোৱৰ উদাহৰণ আমি বহুত দেখা পাইছো। সেইটো নিয়ন্ত্ৰণ আৰু চিষ্টেমেটিক

কৰাৰ বাবে হিতাধিকাৰী আৰু চৰকাৰী কৰ্ম্মচাৰীৰ মাজত জইণ্ট একাউণ্ট থাকিলে গোটেই কামখিনি Implementation Smoothly হ'ব বুলি উপলব্ধি কৰিছো আৰু চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো যে সম্ভৱ হ'লে সেইটো Modify কৰিবৰ বাবে চিষ্টেমটো যদি ৰিভিউ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চিন্তা-চৰ্চ্চা কৰে। মই এই বিষয়ে সদনত আজি উত্থাপন কৰিছো পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে এই বাজেটত যিমানখিনি পুঁজি বিচাৰিছে সেইখিনি দিয়াৰ ক্ষেত্ৰত মই সম্পূৰ্ণভাৱে সমৰ্থন জনাই বিভাগক আৰু বেছিকৈ কাৰ্য্যক্ষম কৰিবৰ বাবে আমি তেওঁলোকক টকা-পইচা, Man Power, Material, Vehicle আদি সকলো প্ৰদান কৰি তেওঁলোকক Well-equiped কৰিবৰ বাবে চৰকাৰে আৰু বেছিকৈ মনোযোগ বা গুৰুত্ব দি কাম কৰাৰ ব্যৱস্থা কৰে। ইয়াৰ বাবে মই চৰকাৰৰ সমৰ্থন জনাই বিৰোধীয়ে অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। ধন্যবাদ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ ঃ** উপাধ্যক্ষ মহোদয় পয়েন্ট অফ অর্ডার একটা আছে। আজকে আন্তর্জাতিক মাতৃভাষা দিবস। শহীদদের প্রতি আমি শ্রদ্ধা নিবেদন করছি। যদিও আই টি আই মাছখওয়াতে আজকে প্রোগ্রাম হচ্ছে। সামনের বার থেকে যাতে সরকারের পক্ষ থেকে যাতে প্রোগ্রাম করা হয়, যেহেতু আন্তর্জাতিক মাতৃভাষা দিবস আপনার মাধ্যমে আমি সরকারের দৃষ্টি আকর্ষণ করছি।

**সুজাম উদ্দিন লস্কর ঃ** -মাননীয় উপাধ্যক্ষ মহোদয়, আমার বিধায়নী দলের পক্ষ থেকে গ্রাম নং ৫৬ এবং ৫৭ এর উপরে যে কর্ত্তন প্রস্তাব আনা হয়েছে, তার সমর্থনে আমাকে বলার সুজোগ করে দেওয়ার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। আমাদের হাইলাকান্দি জেলার গ্রামীন রাস্তা ঘাটের এত দুরবস্তা, হাইলাকান্দি জেলাতে ৫টি development ব্লক আছে কিন্তু তার মধ্যে মাত্র ১ জন স্থায়ী বিডিও আছেন।

**মাননীয় উপাধ্যক্ষ ঃ** continue করক।

বাকী চারটি development ব্লকে আমি বিধায়ক হওয়ার পর বিভাগীয় মন্ত্রী মহোদয়ের সঙ্গে বহুবার দেখা করেছি। কিন্তু দুর্ভগ্যের বিষয় আজ পর্যন্ত আমার চারটি development ব্লকে কোন স্থায়ী ভিডিও দেওয়া হয় নাই। অস্থায়ী ভিডিও ইনচার্জ হিসাবে কাজ করছেন। যার কারনে ইংরাজী ২০১৭-১৮ তে আমার লালা development ব্লকে যদিও Governing body MGNREGA বিভিন্ন স্কীম অনুমোদন দেওয়া হয়েছিল। administrative approval একটিও দেওয়া হয় নাই। ১৮ টি গ্রাম পঞ্চায়েতে MGNREGA কোন কাজই হয় নাই। এর মধ্যে আমাদের দলছোড়া বিলাইপুর বলে একটা গ্রাম পঞ্চায়েত যেখানে ৩৬০০০ পোপুলেশন । কিন্তু এই development ব্লকে কোন কাজ নেওয়া হয় নাই। বিভিন্ন স্তরে জি.আর.এস, কম্পিউটার এসিসটেন্ট, ডি পি সেক্রেটারী প্রত্যেকটা পদ খালি আছে। আমাদের হাইলাকান্দি জেলাতে ৬২ টি গ্রাম পঞ্চায়েতের মধ্যে মাত্র ৩০ জন সচিব আছেন। বাকী ৩২ টি গ্রাম পঞ্চায়েতে একজন ডাবল ইনচার্জ ২ টি ডি পি র দায়িত্বে আছেন। তাই হাইলাকান্দির জেলার গ্রামীন রাস্তা-ঘাটের, উন্নয়ন বা আরও যে গ্রামীন উন্নয়নমূলক কাজ-কর্ম আছে, তার কিছুই উন্নয়ন হয় নাই। আমি নিজে বহুবার মাননীয় মন্ত্রী মহোদয়ের সঙ্গে দেখা করেছি। কিন্তু আজ পর্যন্ত কোন বি ডিও দেওয়া হয় নাই। বর্তমানে ফেব্রুয়ারী মাস পর্যন্ত লালার যে একজন ভিডিও আছেন, তিনিও অবসরে যাচ্ছেন। প্রত্যেকটি স্তরে আজ যদি গ্রামের উন্নয়ন গুলো দেখতে হয়, তখন বিভাগীয় স্তরে যদি কর্মচারী না থাকেন, তাহলে কাজ-কর্ম গুলো কি ভাবে হবে। ইন্দিরা আবাস যোজনার ১৩, ১৪,১৫,১৬, পুরানো দিনের অর্ধ সমাপ্ত অবস্থায় পড়ে আছে যে ঘর গুলো তা সম্পূর্ণ হয় নাই। সেই অর্ধ সমাপ্ত কাজ গুলোর

জন্য আমি আপনার মাধ্যমে বিভাগীয় মন্ত্রীর কাছে অনুরোধ রাখছি যে, এই অর্ধ সমাপ্ত ইন্দিরা আবাস যোজনার ঘর গুলো সম্পূর্ণ করার জন্য। আজকে প্রধানমন্ত্রী আবাস যোজনার কাজ চলছে। সেটাও আমাদের হাইলাকান্দি জেলাতে খুব ধীর গতিতে চলছে। বিভিন্ন সময়ে যে ১৪ ফাইনান্সের টাকা গুলো বোধহয় অসমের মধ্যে এমন কোন জেলা নেই যে ২০১৬-১৭ ফাণ্ড পড়ে আছে। কিন্তু আমাদের হাইলাকান্দি জেলায় ১৬-১৭ এর কাজে এখন পর্যন্ত ১৪ ফাইনান্সে হাত দেওয়া হয় নাই। তাই মাননীয় উপাধ্যক্ষ মহোদয় আপনার মাধ্যমে আমি বিভাগীয় মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখছি। এই বছর যেন কাজ গুলো সম্পর্ণ করা হয়। বিগত দিনের ১৬-১৭ এবং ১৮-১৯ এই দুটা বছরে কোন MGNREGA কাজ হাতে নেওয়া হয় নাই। আমি এইবারও বিধান সভায় একটি প্রশ্ন এনেছিলাম কিন্তু উত্তরটা সঠিক দেওয়া হয় নাই। হাইলাকান্দি জেলার কাজ নেওয়া হয়েছে। কিন্তু আমাদের লালা development ব্লকে ১৭-১৮ তে একটি স্কীম ও নেওয়া হয় নাই। তাই আমি এই কথাগুলো বলে কর্ত্তন প্রস্তাবের প্রতি সমর্থন জানিয়ে আমার বক্তব্য এখানেই শেষ করছি। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া শ্ৰী কিশোৰ নাথ।

**শ্ৰী কিশোৰ নাথ (বৰখলা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। এখন গাঁৱৰ উন্নয়ন কৰিবলৈ হ'লে প্ৰথমে গাওঁখন চহৰৰ লগত সংযুক্ত কৰিব লাগিব। তেতিয়াহে ইয়াৰ উন্নয়ন হ'ব। ২০০০ চনত আমাৰ প্ৰয়াত প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সময়ত PMGSY নামৰ আঁচনিটো আৰম্ভ হৈছিল আৰু এই আঁচনিটো আৰম্ভ হোৱাৰ বাবে আজি গ্ৰামাঞ্চল খুব উপকৃত হৈছে। গাওঁ বিলাক চহৰৰ লগত সংযুক্ত হৈছে। ইয়াৰ বাবে মই মাননীয় অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াক কোটি কোটি ধন্যবাদ জনাইছো। আনহাতে, গ্ৰামাঞ্চলত আগতে যিবোৰ স্কুল আছিল, সেই স্কুলবোৰৰ অৱস্থা যথেষ্ট বেয়া আছিল আৰু স্কুল ঘৰবোৰ কেঁচা আছিল। কিন্তু, অটল বিহাৰী বাজপেয়ীৰ সময়ছোৱাত সৰ্বশিক্ষা অভিযান অনাৰ পিছত এই স্কুলবোৰৰ অৱস্থা যথেষ্ট উন্নত হৈছে আৰু স্কুল ঘৰবোৰো পকী building কৰা হৈছে। এতিয়া গ্ৰমাঞ্চলত যদি কেতিয়াবা ধুমুহা হয় তেতিয়া কেঁচা ঘৰত থাকি পৰিয়াল পোহ-পাল দি থকা মাক-দেউতাকে তেওঁলোকৰ ল'ৰা-ছোৱালীক স্কুলৰ building লৈ যাব দিয়ে কিয়নো building ত থাকিলে সিহঁতে সুকলমে থাকিব। গতিকে একমাত্ৰ অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ সময়তে গ্ৰামাঞ্চলত ৮০% উন্নতি হৈছে।

ইয়াৰোপৰি, পঞ্চায়ত পৰ্যায়ত আগৰ দিনত বৃদ্ধ পেঞ্চন পাবলৈ হ'লে লাইনত থিয় হ'বলগীয়া হৈছিল। আগতে বৃদ্ধ পেঞ্চনৰ বাবে quota আছিল আৰু quota ৰ হিচাপত আহিলেহে লোকসকলে বৃদ্ধ পেঞ্চন পাবলৈ সক্ষম হৈছিল। কিন্তু, আমাৰ চৰকাৰ অহাৰ দিনৰ পৰা সবকা সাথ সবকা বিকাশ নীতিৰে কোনো ধৰণৰ ভেদ ভাৱ নকৰি ৬০ বছৰৰ ওপৰৰ যি সকল প্ৰাপ্য, সকলোকে বৃদ্ধ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে। আজিকালি বৃদ্ধ পেঞ্চন প্ৰাপ্ত সকলক account ত directly টকা ভৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছে য'ত কোনো ধৰণৰ দুৰ্নীতি হোৱা দেখিবলৈ পোৱা নাই। গতিকে এনে সুবিধা কৰি দিয়াৰ বাবে মই মাননীয় মুখ্য মন্ত্ৰী সোণোৱাল ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ এনে পদক্ষেপৰ ফলত গ্ৰামাঞ্চলৰ লোকসকল যথেষ্ট উপকৃত হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, গ্ৰামাঞ্চলত “জন ধন যোজনা”ৰ মাধ্যমেৰে zero balance account ৰ যি ব্যৱস্থা কৰা হৈছিল ইয়াৰ ফলতো গ্ৰামাঞ্চলৰ লোক সকল যথেষ্ট উপকৃত হৈছে। তাৰোপৰি আমি বাগানত ধনমেলা কৰিছিলো যাৰ বাবে শ্ৰমিকসকলৰ account ত ২৫০০, ২৫০০

কৈ ৫০০০ টকা দিয়া হ'ল। এনে ধৰণৰ উন্নতি আমাৰ চৰকাৰৰ দিনতে হৈছে। ইয়াৰ লগতে, 'কনকলতা মহিলা সৱলীকৰণ যোজনা'ৰ মাধ্যমত বহুতো SHG উপকৃত হৈছে। তাৰ ভি তৰত মোৰ বৰখলা সমষ্টিত ১০০৮ টা SHG ক ১০-১৫ হাজাৰকৈ টকা দিয়া হৈছে। গতিকে ইয়াৰ দ্বাৰা অতিকমেও ১০ হাজাৰ লোক নিশ্চয়কৈ উপকৃত হৈছে। ঠিক একেদৰে DDUGKY ৰ মাধ্যমত বহুত নিবনুৱা যুৱক-যুৱতীক ৩ মাহৰ প্ৰশিক্ষণ দিয়া হৈছে আৰু এই প্ৰশিক্ষণ সম্পূৰ্ণ হোৱাৰ পিছত তেওঁলোকক বিভিন্ন ঠাইত placement দিয়া হৈছে। তাত তেওঁলোকে Health, Textile industry, BPO, Automobile ইত্যাদি sector ত placement পাইছে। মোৰ সমষ্টিত যোৱা দুই বছৰত এতিয়ালৈ ১২৫ জন নিবনুৱা যুৱক-যুৱতীয়ে বাহিৰত চাকৰি পাইছে। গতিকে এনে ধৰণে উপকৃত হোৱাৰ মূল কাৰণ হ'ল আমাৰ চৰকাৰ।

আমি শুনিবলৈ পোৱা মতে, আগৰ চৰকাৰৰ দিনত IAY ৰ ঘৰ পাবলৈ হ'লে আগতীয়াকৈ টকা দিব লাগিছিল আৰু তাৰ পিছতহে নামটো IAY ত listed কৰা হৈছিল । পৰৱৰ্তী পৰ্যায়ত হিতাধিকাৰীসকলে প্ৰথমটো কিস্তি পোৱাৰ পিছত যিমান অংশ ঘৰ বনাব পাৰে সিমানখিনি বনালে কিন্তু বিভিন্ন কাৰণত দ্বিতীয়টো কিস্তি নোপোৱাৰ ফলত ঘৰটো সম্পূৰ্ণ হ'ব নাপালে। মোৰ সমষ্টিৰ বহু ঠাইত এনেকুৱা বহুত IAY ৰ অসম্পূৰ্ণ ঘৰ দেখিবলৈ পাইছো য'ত অকল চাৰিটা খুঁটাহে গাঠি থোৱা হৈছে য'ত বাঁহৰ চালি দি বিভিন্ন পাচলি যানে- উৰহী, লাও আদিৰ খেতি কৰিব পাৰিছে। এনে ঘৰ সমূহ মানুহ থকাৰ পৰিৱৰ্তে শাক-পাচলিৰ খেতি কৰাৰ বাবেহে ব্যৱহাৰ কৰা হৈছে। কিন্তু আমাৰ দিনত যেতিয়া PMAY ঘৰৰ sanction দিয়া হৈছিল তেতিয়া প্ৰতিটো ঘৰৰ কাম আমি অতি কম দিনৰ ভিতৰতে কৰি শেষ কৰি উদ্‌ঘাটন কৰিব পাৰিছো। সেই সময়ৰ IAY ৰ ঘৰ আৰু এতিয়াৰ PMAY ৰ ঘৰ যদি দুয়োটাকে আজি একেলগে ৰখা হয় তেন্তে তাত দিন-ৰাতিৰ পাৰ্থক্য দেখিবলৈ পাব। এইটো মই এনেয়ে কোৱা নাই, আপোনালোকে practically field ত গ'লেই দেখা পাব। আমি শুনা মতে IAY ৰ ঘৰ পোৱা কাৰণে আগতে লাইন ধৰিব লাগিছিল, টকা-পইচা দিব লাগিছিল কিন্তু আজিৰ দিনত এনেকুৱা নহয়। কোনো টকা পইচা নিদিয়াকৈ আমি PMAY ৰ ঘৰৰ আবন্টন দিছো আৰু সেই ঘৰসমূহৰ কাম সময়ত সম্পূৰ্ণ হৈছে। ঠিক একেভাৱে মোৰ সমষ্টিৰ Block ৰ যদি কথা কওঁ, মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি জানি আচৰিত হ'ব যে মোৰ সমষ্টিত Block Building বনোৱা হৈছিলে, Accountant, BDO ৰ Quarter বনোৱা হৈছিলে আজিৰ পৰা ৩০ বছৰ আগতেই। কিন্তু দুখৰ কথা আজিলৈকে এই Building বিলাক খালী হৈয়ে আছে। আগৰ চৰকাৰৰ দিনত ইমানেই দুৰ্নীতি হ'ল যে এই Block Building টোৱেই বেলেগৰ হাতত দি দিয়া হৈছিল আৰু বাহিৰা মানুহে সেইটো occupy কৰি লৈছিল। যোৱাবাৰ যেতিয়া বিধানসভাত এই বিষয়ে মই প্ৰশ্ন আনিলো তেতিয়া ইয়াৰ পৰা এটা নিৰ্দেশ গল। তেতিয়াহে এই Block Building আৰু Quarter বিলাক খালী কৰা হ'ল। এতিয়া এই Building টো খালী হৈয়ে আছে। ১০ বিঘা মাটিৰ ওপৰত এই Building সমূহ বনাই ৰখা হৈছিলে। যিটো Block Office আছে সেইটো এটা ভাড়া ঘৰত চলি আছিলে নিজৰ Office Building থকাৰ পিছতো। মাননীয় উপাধ্যক্ষ মহোদয়, তাতকৈ আৰু কি দুৰ্নীতি হ' ব পাৰে? ঠিক তেনেদৰে মোৰ সমষ্টিত মই বিধায়ক হৈ অহা ২ বছৰ ১০ মাহ মান হ'ল। এই সময়খিনিতে ৯ বাৰ BDO সলনি হ'ল যাৰকাৰণে মোৰ Block ৰ কামবিলাক অলপ পিছপৰি আছে। এইবিলাক অলপ সলনি কৰিব লাগিব। এতিয়া এজন permanent BDO পাইছো। কিন্তু তাৰ লগতে Junior Engineer থাকিব লাগে তিনিজন কিন্তু মোৰ সমষ্টিত মাত্ৰ এজনহে আছে। এইজন

Junior Engineer কো বিচাৰি পোৱাটো কঠিন। তেওঁ ঘৰত থাকিলেও কয় যে তেওঁ NRC ৰ কামত ব্যস্ত। NRC ৰ অজুহাত দেখুৱাই তেওঁলোকে কাম ভালদৰে নকৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই ক'ব বিচাৰিছো মোৰ সমষ্টিত Junior Engineer ৰ লগতে Secretary, GRS, Excutive Enginner ও কম আছে। যোৱা দুবছৰৰ ভিতৰত মোৰ সমষ্টিত Accountant ও নাছিলে। বহুবাৰ অনুৰোধ কৰাৰ পিছত যোৱাবছৰ মই এজন Accountant পালো। এতিয়া সেইকাৰণে কামবোৰ অলপ smoothly চলি আছে। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যাতে Block টো ভালদৰে পৰিচালনা কৰিবৰ কাৰণে দুজন Junior Engineer, Excutive Enginner আৰু Secretary নিয়োগ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ২০১৬ ত মোৰ বৰখলা Block ৰ কাৰণে ১১ কোটি টকা sanction হৈছিলে MGNREGA ৰ মাধ্যমত। এইটো শুনি আমি যথেষ্ট আনন্দিত হৈছিলো। য'ত য'ত কামবিলাক sanction হৈছিলে সেইবিলাক আমি চাবলৈ গলো। বহুঠাইত আমি আধাৰশিলা স্থাপন কৰাৰ লগতে কামো আৰম্ভ কৰিলো। কিন্তু দুখৰ কথা বহু ঠাইত কাম সম্পূৰ্ণ নহল, আজিলৈকে ongoing হৈ আছে। ইয়াৰ কাৰণেটোৱে হৈছে wages আৰু meterial ৰ ratio ৰ Problem. সমগ্ৰ অসমত এই Problem টো হোৱাৰ কাৰণে মোৰ সমষ্টিতো এই কামটো বন্ধ হৈ গল। সেইসময়ত বহু যুৱকে লগ হৈ টকা খটোৱাই এই কামটো কৰিছিলে যদিও চৰকাৰৰ ফালৰ পৰা কামটো বন্ধ কৰি দিয়াৰ কাৰণে সেই যুৱকসকলে টকাটো নাপালে। এইটোৰ ওপৰত দৃষ্টি দিবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো।

ইয়াৰ ওপৰিও আন এটা ডাঙৰ সমস্যা হৈছে যে আমি JE বা officer ৰ সকলক কোনো কথা ক'ব নোৱাৰো। ক'লেও তেওঁলোকে কথা নুশুনে। এজন supplier আছে তেওঁৰ নাম হৈছে RT Hardware. এই Hardware খনৰ মালিকজন হৈছে এজন BPL card hoder মানুহ। তেওঁৰ নাম হৈছে ৰামধন তন্দুৱাই। এজন BPL card hoder মানুহ কেনেদৰে supplier হ'ব পাৰে? তেওঁৰ account ত কোটি কোটি টকাৰ transaction হৈ আছে। যোৱাবাৰ PMAY ৰ ঘৰৰ list খনতো তেখেতৰ নাম আহিছে। তেতিয়া আমি Deputy Commisioner ক অনুৰোধ কৰিলো এইটোৰ ওপৰত তদন্ত কৰিবলৈ। তদন্তত দেখা গল যে ৰামধন তন্দুৱাই নামটো আছে। কিন্তু তেখেতে এই বিষয়ে নাজানে যে তেওঁৰ নামত account খোলা হৈছে। আগৰ চৰকাৰৰ দিনৰে পৰাই তাত এটা syndicate জড়িত হৈ আছে। এই syndicate টো ভাঙিব লাগে। এই syndicate টোত এজন JE ৰ নামো জড়িত হৈ আছে। কিন্তু ইয়াৰ ওপৰত কোনো ধৰণৰ action লোৱা হোৱা নাই। যোৱাবছৰ যেতিয়া আমি উপায়ুক্ত মহোদয়ক কৈছিলো, তেখেতে নিজে গৈ গোটেই বস্তুটো verification কৰাৰ পিছত investigation কৰি পালে যে ৰামধন তন্দুৱাই বুলি কোনো মানুহ নাই, এইটো বেলেগে চলাই আছে। তেখেতে সেই JE জনক on the spot suspend কৰাৰ কথাও কৈছিলে কিন্তু আজিলৈকে এইটো হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাবছৰ মোৰ সমষ্টিত যিজন JE আছিলে তেখেতক আমাৰ PRI ৰ সদস্য সকলে কোনেও ভাল পোৱা নাছিলে। বহুবাৰ PRI ৰ সদস্য সকলে মোৰ লগতে উপায়ুক্ত আৰু Commissioner, PNRD লৈও চিঠি লিখি complain দিছিলে তেখেতৰ বিৰুদ্ধে। সেই সময়ত PRI body কংগ্ৰেছ চৰকাৰৰ আছিলে। তেওঁলোক সকলোৱে বিচাৰিছিলে

এই JE জনক transfer দিব লাগে। এই PRI body ৰ অনুৰোধ ক্ৰমে আমি লিখিলো যে এই JE জনৰ ঠাইত আন এজনক দিব লাগে। কিন্তু আপুনি শুনি আচৰিত হ'ব সেই JE জনৰ নলবাৰী জিলালৈ transfer হ'ল যদিও তেওঁ বৰখলাৰ পৰাই salary draw কৰি আছে। তেওঁ office নোযোৱাকৈয়ে ঘৰতে বহি দৰমহা লৈ আছে।সেই JE জনৰ নাম হৈছে আফজল হুছেইন লস্কৰ। তেখেতৰ ওপৰত অতি সোনকালে action লবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো। এনেকুৱা ধৰণৰ officer ৰ ওপৰত যদি action লোৱা নহয় তেনেহলে Block কেনেকৈ চলিব ? Block ৰ উন্নতিৰ কাৰণে স্বচ্ছ Junior Engineer, Excutive Enginner আৰু Secretary নিয়োগ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা কালি এই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱত আমাৰ সতীৰ্থ বিধায়ক এজনে কৈছিল যে উন্নয়ন হোৱা নাই। উন্নয়ন দেখি পোৱা নাই এইটো আচলতে সত্য নহয়। এটা কাহাৰত আছে, যদি কোনো এজন মানুহ টোপনি যায় তাক মাটিলেই উঠি যায়, কিন্তু কোনোৱা মানুহে যদি জাগি জাগি শুৱে তাক মাতিলে উটোৱা নাযায়। তাত কষ্ট হয়। ঠিক তেনেকুৱা ধৰণৰ আমাৰ যোৱা কালি এজন সতীৰ্থ বিধায়ক তেওঁ কৈছিলে, কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই, তেওঁ কৈছিলে যে development দেখা নাই। মই কৈছো আজিৰ পৰা২ বছৰ আগতে তেখেতৰ সমষ্টিৰ পৰা গুৱাহাটী আহিবৰ হলে তেওঁৰ কিমান সময় লাগিছিল ? সেই সময়ত তেখেতৰ সময় লাগিছিল ১২-১৪ ঘন্টা আৰু আজিৰ দিনত ৬-৭ ঘন্টাৰ ভিতৰত আহিব পাৰে কেনেকৈ development হোৱা নাই মাননীয় উপাধ্যক্ষ ডাঙৰীয়া development হৈছে। কিন্তু development টো চাব লাগিলে চাব গলে development টো হব। আগতে বৰাক ভেলীৰ পৰা ওলাই আহোতে গুৱাহাটীলৈ ট্ৰেইনৰ কোনো লাইন নাছিল, ট্ৰেইন লাইন সকলো বন্ধ আছিল। আজিৰ দিনত কিমনাখন ট্ৰেইন তাৰ পৰা আহি আছে ইয়াত। ইয়াত develop হোৱা নাই নেকি ? তাৰ পাছত আগতে শিলচৰৰ পৰা গুৱাহাটী আহিবলৈ বিশেষ ব্যৱস্থা নাছিল। আজিৰ দিনত কিমানটা flight আহি আছে শিলচৰৰ পৰা গুৱাহাটীলৈ। শিলচৰৰ পৰা দিল্লী, কলিকতালৈ। সেইটো কি সলনি হোৱা নাই নেকি ? এইয়ো কি পৰিবৰ্তন হোৱা নাই নেকি ? সেইটো কি develop হোৱা নাই নেকি ? মাননীয় উপাধ্যক্ষ্য ডাঙৰীয়া develop টো হৈছে। গোটেই অসমৰ মানুহে development টো বুজি পাইছে, কিন্তু কিছুমান মানুহে development টো দেখি পেলাই নেদেখাৰ নিচিনা কৰিছে। বুজি নুবুজাৰ ভাওঁ ধৰিছে। যি মানুহে দেখি নেদেখাৰ দৰে কৰে, বুজি নুবুজাৰ দৰে কৰে তেওঁলোককটো আৰু কৈ লাভ নাই। সময়ত এনেয়ে বুজি পাব। তেতিয়া ৰাইজৰ লগতে এনেয়েও গম পাই যাব। ঠিক একেদৰে আৰু এটা কথা থাকিল, জব কাৰ্ড লৈ আগৰ চৰকাৰৰ দিনত কিমান দুৰ্নীতি হৈছিল সেইটো আজি ওলাই আহিল। জব কাৰ্ড১লাখ ৫০ হাজাৰ জব কাৰ্ড কেঞ্চল কৰা হ'ল। ১লাখ ৫০ হাজাৰ জব কাৰ্ড কেঞ্চল কৰা হ'ল, সেই দিনত এই ১লাখ ৫০ হাজাৰ জব কাৰ্ডত যি আছিল সিহতেটো দুৰ্নীতি কৰি আছিল। সেই সময়ত দুৰ্নীতি চলি আছিল। সেই দুৰ্নীতি তেতিয়া ৰোধ কৰা নাই। আমাৰ চৰকাৰ অহাৰ পাছত সেই বিলাক তদন্ত কৰি ১লাখ ৫০ হাজাৰ জব কাৰ্ড কেঞ্চেল কৰা হ'ল। আৰু আজি বহুত মানুহ এনেকুৱা আছে যাৰ জব কাৰ্ড নাই। BPL শ্ৰেনীৰ বহুত মানুহ আছে, যিয়ে জব কাৰ্ড পোৱা নাই। তেতিয়া তেওঁলোকৰ যে ১ লাখ ৫০ হাজাৰ কেঞ্চেল কৰা হ'ল, তাৰ পৰা তেওঁলোক উপকৃত হ'ব। ঠিক একেধৰণে মাননীয় উপাধ্যক্ষ মহোদয়, যদি মই সোধো ৰেচন কাৰ্ডৰ কথা ৰেচন কাৰ্ডো তেনেকুৱা আছিল। সেই দিনত কিমান হাজাৰ হাজাৰ ৰেচন কাৰ্ড অবৈধ আছিল, পাব নালাগে তেওঁলোকে পাইছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পাছত সেই বিলাক ৰেচনকাৰ্ড সকলো কেঞ্চেল

কৰা হ'ল আৰু আজিৰ দিনত সেই ৰেচন কার্ড বিলাক আকৌ উপযুক্ত লোকক দিয়া হৈ আছে। গ্রাম্য অঞ্চলৰ মানুহৰ কি লাভ হৈছে কি লোকচান হৈছে সেইটো অলপ জানিব লাগিব। সচাঁ কথাটো অলপ শুনিলে ভাল মই মিছা একো কোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয় মই আৰু বেছি নকও, যি কেইটামান কথা কলো তাৰ ভিতৰতে সেই কেইটা যদি অলপ পৰিবর্তন কৰা হয়, তেতিয়া হলে অলপ ভাল হব। মোৰ সমষ্টিৰ ওপৰত কেইটামান কথা কলো আৰু বাকী যি বিলাক কৈছো আজি আমি চাইছো, যে গ্রামোন্নয়ন হৈ আছে। গাওঁ চহৰৰ লগত সংযুক্ত হৈ আছে। এইটো মানিব লাগিব। এইটো যদি কোনোৱে নামানে, এইটো কৰিব লগা একো নাই। আৰু পৰিবর্তন হৈ আছে, সেইটো আমি মানিব লাগিব। আমি যে চব কা চাথ চব কা বিকাশ কৰি আছো, সেইটোও মানিব লাগিব। ইমানখিনিকৈ এই কর্তন প্রস্তাৰক বিৰোধীতা কৰি মই মোৰ বক্তব্য ইয়াতে সামৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ-** ঠিক আছে। Thank you. এতিয়া নন্দিতা দাস।

**শ্ৰী মতী নন্দিতা দাস, সদস্যাঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, P&RD Department ৰ ওপৰত যিটো কর্তন প্রস্তাৱ আমাৰ দলে আনিছে, আৰু সেই প্রস্তাৱক সমর্থন জনাই মই দুষাৰ কব বিচাৰিছো। P&RD Department টো এটা বৃহৎ বিভাগ। আৰু এই বিভাগটোত আমাৰ গাৱৰ ৮৬ শতাংশ মানুহ জৰিত হৈ আছে। ইয়াত ৰাষ্টা ঘাট, পদুলি, খোৱা পানী, বিদ্যুৎ সকলো সমস্যা ইয়াত সাঙোৰ খাই আছে। এই বিভাগটো শক্তিশালী কৰাৰ কাৰণে চৰকাৰৰ যথেষ্ট দায়িত্ব আছে। আৰু পঞ্চায়তৰ বা গাওঁৰ উন্নয়নৰ ক্ষেত্ৰত যদি আমি ইতিহাস চাওঁ আমি Constitution চালে কিন্তু এইটোৱেই কথা সকলোৱেই জানো যে মহামানৱ মহাত্মা গান্ধীয়ে, তেখেতে গ্রাম স্বৰাজৰ কথা চিন্তা কৰিছিল। আৰু তেওঁৰ Local self Government বুলিও কৈছিল। আৰু তেওঁ কৈছিল যে ২০ জন মানুহ কেন্দ্ৰত বহি এখন দেশৰ উন্নয়ন কৰিব নোৱাৰে। দিশপুৰত বহি ২০ জন মন্ত্ৰী বিধায়কে এখন দেশৰ উন্নয়নৰ কথা চিন্তা কৰিব নোৱাৰে। তাৰ বাবে আমাৰ ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হ'ব লাগিব। আৰু সেই বাবে decentralization of power যিটো ব্যৱস্থা কৰি পঞ্চায়ত ব্যৱস্থাটো আনিলে, আৰু সেইটোৰ দ্বাৰা তেওঁৰ সপোন আছিল যে গাৱৰ প্ৰকৃত উন্নয়ন হ'ব লাগে। ৰাষ্টা পদুলিৰ উন্নয়ন হব লাগে। মানুহে খোৱা পানী পাব লাগে। বৃদ্ধ, বিধৱা, বিকলাংগ সকলে তেওঁলোকৰ আঁচনিবোৰ পাব লাগে। সেয়ে এই বিভাগটো আমি সকলো দিশৰ পৰা যদি চাওঁ অতি গুৰুত্বপূৰ্ন। যোৱা আমাৰ চৰকাৰৰ দিনত আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুন গগৈৰ ডাঙৰীয়াই কিন্তু ৩ বাৰকৈ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰি প্ৰকৃতাৰ্থত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ যিটো ব্যৱস্থা সেইটো তেওঁ গ্ৰহণ কৰিছিল। আৰু আগৰ চৰকাৰবোৰে এ জি পি চৰকাৰ দুবাৰ চৰকাৰ আহিল কিন্তু পঞ্চায়ত নিৰ্বাচন চৰকাৰে পাতিবই খোজা নাছিল। ৰাইজৰ বিপুল হেচাঁত হাইকোৰ্টৰ নিৰ্দেশত পঞ্চায়ত নিৰ্বাচন আয়োজিত হ'ল। আৰু সেই কাৰনে আমি এইটো মানি লব লাগিব যে তৰুণ গগৈ ডাঙৰীয়াই, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰকৃততে পঞ্চায়তৰ উন্নয়ন বিচাৰিছিল। আৰু সেই ধৰণে তেওঁ ক্ষমতা বিকেন্দ্ৰীকৰণ প্ৰকৃতাৰ্থত কৰিছিলে। শাসক পক্ষৰ বিধায়ক সকল, যিসকলে কথা কৈ আছে, যে উন্নয়ন যোৱা কংগ্ৰেছ চৰকাৰৰ দিনত হোৱা নাই। যদি উন্নয়ন বিচৰাই নাছিলে কংগ্ৰেছ চৰকাৰে, তেতিয়াহ'লে পঞ্চায়ত নিৰ্বাচন কিয় পাতিলে। নিশ্চিতভাৱে উন্নয়ন বিচাৰিছিলে। সেইবাবে তেওঁ নিজৰ ইচ্ছাত নিজে বিচাৰি পঞ্চায়ত নিৰ্বাচন পাতিছিল, কোনো হাইকোৰ্টৰ নিৰ্দেশক তেওঁ কিন্তু বাট চাই থকা নাছিল। মাননীয় উপাধ্যক্ষ মহোদয়, বহু কথা ইয়াত আলোচনা হৈছে। মই দুই-তিনিটা কথা ক'ব বিচাৰিছো। পঞ্চায়ত ব্যৱস্থাটো যদি শক্তিশালী কৰিব লাগে, তেতিয়াহ'লে আমি Manpower, কৰ্মচাৰী, বিষয়া, ইঞ্জিনীয়াৰ, জে.ই এই সকলোবিলাক আমি দিব লাগিব।

সদনৰ মজিয়াত পোৰা তত্য কিছু মই দাঙি ধৰিব বিচাৰিছো। বৰ্তমান অসমত ২ হাজাৰ ১ শ ৯৭খন গাওঁ পঞ্চায়ত আছে। প্ৰতিখন গাওঁ পঞ্চায়তৰ বিপৰীতে গাওঁ পঞ্চায়তৰ সচিব নিযুক্ত হৈ থকা নাই। আজি সদনৰ মজিয়াত পোৰা তথ্য। কিছু পঞ্চায়তত Tax Collector আৰু Road Mohorar ৰ সকলক upgrade কৰি পঞ্চায়তৰ সচিব দিয়া হৈছে। যদিও তথ্যমতে মাত্ৰ ২ হাজাৰ ১ শ ৯৭খন গাওঁ পঞ্চায়তৰ ভিতৰত মাত্ৰ ৪ শ ৮০ জনহে পঞ্চায়ত সচিব নিযুক্তি দিয়া হৈছে। তাৰে চাৰিভাগৰ  তিনিভাগতেই পঞ্চায়ত সচিব নাই। মোৰ উদাহৰণ মই নিজে ক'ব লাগিব। মোৰ এটা ব্লক আছে Somoriya Development Block তাতে পঞ্চায়ত আছে ১৫ খন, সচিব আছে ৮ জন, জে.ই আছে মাত্ৰ ১ জন, এ.ই আছে ৩ জন। মোৰ আগৰ সন্মানীয় বিধায়ক সকলে কৈ গৈছে যে, জে.ই, এ.ই আৰু সচিব নাথাকিলে এখন পঞ্চায়ত চলিব জানো? আজি পঞ্চায়তত যথেষ্ট কাম, এন ৰেগা ৰ কাম জি পি-ডি পি তৈয়াৰ কৰিব লাগে, বৃদ্ধ পেঞ্চনৰ লিষ্ট বনাব লাগে, এন ৰেগা ৰ স্কীমবোৰৰ এষ্টিমেট বনাব লাগে, আমাৰ এম এল এ ফাণ্ডবোৰ আমি তাতেই দিওঁ, ব্লকৰ জে.ই এ.ই কে দিয়া হয়। যথেষ্টখিনি কামৰ বোজা আছে। আমি সময়মতে যদি বিচাৰো, কামবোৰ জে. ই এ. ই সকলে আমাক কৰি দিব নোৱাৰে। আমাৰ নিজৰে এম এল এ ফাণ্ডৰ যদি এষ্টিমেট এটা বনাব দিওঁ, ১-২ মাহ পৰ্য্যন্ত তেওঁলোকে বাট চাব লগা হ'য়। সময়মতে তেওঁলোকে দিব নোৱাৰে। ডি চি ৰ অফিচত বিভিন্ন ধৰণৰ মিটিঙত তেওঁলোক যাব লাগে। এই বিভিন্নবোৰ সমস্যা আছে। সেই কাৰণে মই আজি বিভাগীয় মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে অতি শীঘ্ৰে যিখিনি পঞ্চায়তৰ সচিব নাই, তাৰ দিয়াৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে। আগৰ চৰকাৰৰ সময়ত ২৪ টা ব্লকৰ প্ৰস্তাৱ দিয়া আছিলে। খুব প্ৰয়োজন আছে। কাৰণ আমাৰ যিখিনি জনসংখ্যা দহ-বাৰ বছৰৰ ভিতৰত যিটো census ৰ সময়ত 2011 census ত যিখিনি জনসংখ্যা আছিলে, আজি যদি আমি তথ্য চাব যাওঁ, যথেষ্টখিনি বাঢ়িছে। উদাহৰণ স্বৰূপে মোৰ নিজৰ চমৰীয়া ব্লকত এখন পঞ্চায়ত আছে, মাহতলী পঞ্চায়ত। তাতে এখন পঞ্চায়তে প্ৰায়  ১৮ হাজাৰ জনসংখ্যা আছে। পঞ্চায়ত এখন। ১৮ হাজাৰ জনসংখ্যা। পিছপৰা অঞ্চল, বানপীড়িত অঞ্চল, গড়াখহনীয়া অঞ্চল। সেই পঞ্চায়তবিলাক, সেই ব্লকবিলাক যদি delimitation কৰা নাজায়, আগৰ চৰকাৰৰ দিনত ২৪ টা ব্লক, যি দি গ'ল, এইবোৰ যদি implement কৰা নাজায়, তেতিয়াহ'লে পঞ্চায়তৰ যিখিনি আমাৰ সুবিধা ৰাইজক আমি দিব লাগে, সেই কামবিলাক আমি প্ৰকৃতাৰ্থত কৰিব নোৱাৰো। মই চৰকাৰৰ বিভাগীয় মন্ত্ৰীক অনুৰোধ জনাইছো যে, যোৱা চৰকাৰৰ দিনত যি ২৪ টা ব্লকৰ প্ৰস্তাৱ থাকিল, এই প্ৰস্তাৱ যাতে অতি শীঘ্ৰে পালন কৰা হয়, আৰু ইয়াক গ্ৰহণ কৰা হয়। ইয়াৰ বাহিৰে এই  চৰকাৰৰ দিনত পঞ্চায়তবিলাকলৈ delimitation ৰ প্ৰস্তাৱ গৈছিল।  Minimum six thousand, maximum ten thousand বুলি এটা গাইড-লাইন কৰি পঠোৱা হৈছিল। চাৰ্কোল অফিচাৰ, বি ডি অ', চেক্ৰেটাৰী, জে.ই সকলো বহি আমি পঞ্চায়তবিলাক according to population, according to area সকলো বস্তু চাই আমি delimitation ৰ প্ৰস্তাৱ ব্লকৰ পৰা পঠোৱা হৈছিল। আজি প্ৰায় এবছৰেই হবহি চৰকাৰে delimitation ৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিলে। Delimitation ৰ প্ৰয়োজন আছে। মই আগতে কৈছো যে, এখন পঞ্চায়ত ১৮ হাজাৰ জনসংখ্যা একেই সমান। এখন পঞ্চায়তত যদি ৬ হাজাৰৰ  আছে তেওঁলোকে যিখিনি ফাণ্ড পাব ১৮ হাজাৰ জনসংখ্যা থকা পঞ্চায়তখিনিয়েই একেই ফাণ্ড পাব। নিশ্চিতভাৱে আমি কিছু মানুহক deprive কৰি আছো। সেই কাৰণে চৰকাৰে delimitation ৰ যিটো ব্যৱস্থা পঠিয়াইছিলে, এইটো যাতে গ্ৰহণ কৰে, আৰু পঞ্চায়তবিলাকক যিখিনি ভাগ ভাগ কৰা হৈছিলে, নতুন নামাকৰণ কৰা হৈছিল, সেইবিলাক ব্লকৰ

পৰা পঠায় দিয়া হৈছে। সেইবোৰৰ ওপৰত যাতে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। বহু পঞ্চায়ত অফিচৰ পুনৰ নিৰ্মাণৰ প্ৰয়োজন আছে। বহু পঞ্চায়ত অফিচলৈ যোৱাৰ ৰাস্তাও নাই আৰু পঞ্চায়ত অফিচলৈ যোৱা দলংবোৰো কিছু অঞ্চলত ভাঙি-চিঙি গৈছে। যিবিলাক flood affected area সেইবোৰ অঞ্চলত পঞ্চায়তলৈ যোৱা এটা ব্যৱস্থা ভাল নহয়। এইক্ষেত্ৰত যাতে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। যোৱা পঞ্চায়ত নিৰ্বাচনৰ প্ৰায় ছমাহমান আগতে 14th Finance টো allot কৰা আছিলে পঞ্চায়তবোৰত, জি পি বোৰত। কিন্তু আমি দেখিবলৈ পালো, জিলা পৰ্য্যায়ৰ পৰা বিভিন্ন ধৰণৰ গাইড-লাইনবিলাক সলনি কৰি অৰ্ডাৰবিলাক গৈ থাকে। যাৰ ফলত সময়মতে এই 14th Finance ৰ ফাণ্ড আজি পৰ্য্যন্ত ব্যৱহাৰ হোৱা নাই। এবছৰ হবহি। বকো ব্লকত তথ্য চালে পাব, বকো ব্লকত 14th Finance ৰ কাম আজি পৰ্য্যন্ত ব্যৱহাৰ হোৱা নাই। কাৰণ চাৰ্কোলাৰবোৰ সলনি কৰি কৰি পঠাই থাকে, কাৰোবাক কমিটি সলনি কৰে, কেতিয়াবা গাইড-লাইন সলনি কৰে। এই যে বাৰেপতি গাইড-লাইনবিলাক সলনি কৰে, এইবোৰেও কিন্তু প্ৰকৃততে কামবোৰ ইপ্লিমেণ্ট হোৱাত কিছু বাধা প্ৰদান কৰে। এইক্ষেত্ৰত চৰকাৰৰ অলপ দৃষ্টিগোচৰ কৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে যাতে এইটো ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। চেগি, (সাংসদ আদৰ্শ গাওঁ যোজনা), যোৱা চৰকাৰৰ দিনত কেন্দ্ৰত যেতিয়া ইউ পি এ চৰকাৰ আছিল, চেগি কিছু পঞ্চায়তত লোৱা আছিলে আৰু সেই পঞ্চায়ত বোৰত সকলো ধৰণৰ সুবিধাবিলাক সম্পূৰ্ণ কৰাৰ কাৰণে তেতিয়া নিৰ্দেশনা দিয়া আছিলে। কিন্তু আমি যেতিয়া গাওঁবোৰত যাওঁ, পঞ্চায়ত বোৰত যাওঁ, ৰাইজে আমাক আপত্তি কৰে। মোৰ সমষ্টিত মাননীয় মনমোহন সিং ডাঙৰীয়াৰ এখন পঞ্চায়ত লোৱা আছিল। মই অকল শাসক বা আমাৰ দলৰ কথা ক'বলৈ যোৱা নাই। যিহেতু চেগি এটা প্ৰগ্ৰেম, যে সাংসদ আদৰ্শ গাওঁ যোজনা আৰু সেই পঞ্চায়তখনত সকলো ধৰণৰ সুবিধা ৰাইজক দিয়া হ'ব আৰু এইক্ষেত্ৰত মই যিখিনি জানো যে, Principal Secretary আছিল Nodel Officer তেওঁ চাব লাগে, মনিটৰ কৰিব লাগে যাতে কামবোৰ হয়। পানীৰ সুবিধা, লাইটৰ সুবিধা পায়, টয়লেটৰ সুবিধাবোৰ পায়। মই যিখিনি জানিছো, এইখিনি তথ্য হয়তো চৰকাৰে নিশ্চয় পাব। কিন্তু মই দেখা পাইছো যে, এইক্ষেত্ৰত গুৰুত্ব দিয়া হোৱা নাই। যাৰ ফলত চেগি যিটো, প্ৰগ্ৰেম আছিলে, ইউ পি এ চৰকাৰৰ দিনত সেই প্ৰগ্ৰেমটো ভালকৈ ইপ্লিমেণ্ট হোৱা নাই। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে চেগিৰ যিবিলাক পঞ্চায়ত আছে, সকলো পঞ্চায়তত যাতে কামবোৰ সুচাৰুৰূপে হয় তাৰ ব্যৱস্থা হ'ব লাগে আৰু যিখিনি সমস্যা আছে তাতে পানী হওঁক, লাইট হওঁক, সেইবিলাকৰ সমস্যা সমাধান কৰিব লাগে। বহু সময় শাসক পক্ষৰ বিধায়ক সকলে কৈ আছে যে, আই এ ৱাই (ইন্দিৰা আৱাস যোজনা) ৰ ঘৰ বি জে পি চৰকাৰৰ দিনত বহুত দিছে। বহুত পাইছে। আমি কোৱা নাই ডেভল্পমেণ্ট হোৱা নাই বুলি। ডেভলপ্মেণ্ট হৈছে। কিন্তু শামুকীয়া গতিত। পৰিৱৰ্তনৰ যিটো কথা কৈছে, পৰিৱৰ্তন বুলি ক'লে আমি বহুত আশা কৰো, মাননীয় উপাধ্যক্ষ মহোদয়। ৰাইজে আশা কৰে। কিন্তু সেই পৰিৱৰ্তনৰ আশাত ডেভলপ্মেণ্ট হোৱা নাই। মই সাধাৰণ দুটামান উদাহৰণ দিব বিচাৰিছো, বেছি নকওঁ। ইন্দিৰা আৱাস যোজনাৰ নামটো সলনি কৰি দিয়া হ'ল, পি এম এ ৱাই (প্ৰধান মন্ত্ৰী আৱাস যোজনা) নামৰ সলনি হৈছে স্কীমটো একেই আছে। উপাধ্যক্ষ মহোদয়, ..(সদনত হুলস্থূল)..যেতিয়া তেখেতসকলে কৈ আছিলে আমিতো কোৱা নাছিলো তেতিয়া। আমি মনে মনে আছিলো। বস্তুৰ দাম বাঢ়িছে, চিমেণ্ট, ইটা, শিলৰ, কাঠৰ দাম বাঢ়িছে, বাঢ়িবই। উপাধ্যক্ষ মহোদয়, পইচা বাঢ়িছে, পইচা বঢ়াটো স্বাভাৱিক এটা প্ৰচেচ।

মই দুখন জিলাৰ কথাই ক'ম বেছি দীঘলীয়া নকৰো। ২০১২ -১৩ চনত যিটো টাৰগেট

আছিল বাক্সা জিলাৰ ৭৩৭৯ - ২০১৩ ত আছিল ৬০৫৩, ২০১৪ চনত আছিল ৭৯৯৩, ২০১৫ ত আছিল ৬৪৬৩ আৰু এতিয়া ২০১৭ত আহি পালেহি মাত্ৰ ২৫৯৫। তাৰমানে আধাৰো কম এলোটমেন্ট হৈছে। ঠিক তেনেকৈ বৰপেটা জিলাত Target আছিল-৮৭১৩, ২০১৩ আছিল ৬৭৩৪, এতিয়া ২০১৭ত হ'লগৈ ২,৪৩৬ । আধাৰো আধা কমিল । বঙাইগাও জিলাত ২০১২ত আছিল ২০৫৩, ২০১৩ত আছিল ৩৪১৬ আৰু এতিয়া হ'লগৈ- বৰপেটা জিলাত মাত্ৰ ৫০৮ মাত্ৰ। অধ্যক্ষ মহোদয় এই তথ্যটো আপোনাৰ হাততো আছে। মই গোটেইখিনি নকও । ২০১৭ত ক্ৰমে কমি যোৱাৰ তথ্যহে পাব। এইটো সদনৰ মাজিয়াত পোৱা তথ্য। বাহিৰৰ পৰা পোৱা তথ্য নহয়। ২০১১ তুলনাত ২০১৭ চনত কমি গৈছে। এইটোৱে সুচাইছে যে বাৰে বাৰে কৈ আছে যে আমি ৰাইজক পৰিৰৰ্ত্তন আনি দিছো। আমি ৰাইজক বেছি দিছো। কিন্তু তথ্যই কি কৈছে আমি সেইটো চাব লাগিব। ২০১৭ চনত কেন্দ্ৰত বি জে পি চৰকাৰ- অসমত বি জে পি চৰকাৰ কিন্তু I A Y ঘৰ মানুহে পাবলৈ সক্ষম হোৱা নাই । ইয়াৰ বাহিৰেও মই ক'ব বিচাৰে যে ২০১১ চনত যিটো Socio Economic Sensus আছিল এই চেনচাচত বহু মানুহৰ নাম সোমোৱা নাই। অসমত এই sensus টো লৈ প্ৰতিবাদ হৈছিল যে বহু মানুহ বাদ পৰি গৈছে, বহু গাওঁ বাদ পৰি গৈছে , বহু আই এ ৱাই ঘৰ পোৱা নাই। সেই additional খিনিতো পাবলৈ আছেই যিখিনি existing আছে সেইখিনি বি জে পি চৰকাৰ কেন্দ্ৰত থকাৰ পিছত এলটমেন্ট এতিয়া অসমত কমকৈ দিছে। তাৰমানে কেন্দ্ৰত বিজেপিৰ চৰকাৰ থাকিও অসমক মাহী আইৰ চকুৰে চাই আছে। এ ফৰ আচাম বুল কৈছে কিন্তু এতিয়া এ ফৰ কি ক'ব লাগিব মই শব্দটো বিচাৰি পোৱা নাই। কিন্তু আমি বঞ্চিত হৈছো। এইটো সচাঁ। এইখিনি মই তথ্য দিছো উপাধ্যক্ষ মহোদয় , মই এতিয়া অকনমান মোৰ সমষ্টিৰ কথা কম। মোৰ ছমৰীয়া Block - JE এজনে চলাই আছে। তাত ১৫ টা পঞ্চায়ত আছে । মই অনুৰোধ কৰিছো যে, তাত জে ই দিয়াৰ ব্যৱস্থা কৰিব লাগে। ১৫ টা পঞ্চায়ত মাত্ৰ ৮ জন চেক্ৰেটেৰী আছে। ১৫ জন চেক্ৰেটেৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই খিনি কৈ মোৰ বক্তব্য সামৰিছো ধন্যবাদ।

**শ্ৰীপদ্ম হাজৰিকা ঃ** উপাধ্যক্ষ মহোদয় মই এটা অনুৰোধ কৰিব বিচাৰিছো যে তেখেতে যিখিনি তথ্য দিছে তাৰ ভিত্তিত শুদ্ধ উত্তৰ মন্ত্ৰী ডাঙৰীয়াই Yearwise Clear কৰি দিব লাগে। যিখিনি ঘৰ চেংশ্যন দিয়াত ৰৈ গৈছিল মই জনামতে ১২ লাখ ঘৰ ৰৈ গৈছিল তাৰ পিছত গাও সভা পাতি ২ লাখ বাতিল কৰিছিল। ১০ লাখ pending আছিল এই কথাবিলাক তথ্য সহকাৰে উত্তৰটো দিলে কথাখিনি আমাৰ ক্লিয়েৰ হ'ব। নহ'লে যিটো বোকা ছটিওৱা ছটি হৈ আছে এইটো কাৰো বাবে মঙ্গলজনক নহয়। কেৱল মন্ত্ৰী ডাঙৰীয়াক তথ্যসহকাৰে শুদ্ধ উত্তৰটো দিবলৈ আপোনাৰ জৰিয়তে অনুৰোধ জনালো উপাধ্যক্ষ মহোদয়।

**শ্ৰীমতী নন্দিতা দাস ঃ** উপাধ্যক্ষ মহোদয়, মই সদনত দাখিল কৰা তথ্যহে উল্লেখ কৰিছো বাহিৰৰ পৰা অনা নাই। তাত টাৰগেট আৰু কমপ্লিশ্যন দুয়োটাৰে তথ্য আছে।

**মাননীয় উপাধ্যক্ষ** ঃ ঠিক আছে, মন্ত্ৰীয়ে তথ্যসহ উত্তৰ দিব ।

**শ্ৰীপদ্ম হাজৰিকা ঃ** উপাধ্যক্ষ ডাঙৰীয়া, মইও তথ্য চাইহে কথাখিনি দাঙি ধৰিছো। শুদ্ধ কি মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**ডাঃনোমল মোমিনঃ** উপাধ্যক্ষ ডাঙৰীয়া - আই এ ৱাই ঘৰ ইনকমপ্লিট হৈ আছে কিন্তু টকাটো উলিয়াই নিলে এই তথ্যখিনিও দিব লাগে লগত।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে - মন্ত্ৰীয়ে উত্তৰ দিব। এতিয়া গুৰুজ্যোতি দাস।

**শ্ৰীৰূপজ্যোতি কুৰ্মীঃ** চৰকাৰে উত্তৰ দিব। এই যিটো তথ্য দিছে শুদ্ধনে অসুদ্ধ নে আমাক দেখুৱাব

কাৰনে দিছিল সেইটো ক্লিয়েৰ ছবি এটা দাঙি ধৰিব লাগে।

**শ্ৰীকমলেখ্য দে পুৰকায়স্থ ঃ** উপাধ্যক্ষ মহোদয়, আমাক যিখিনি উত্তৰ দিয়া হয় , সেইখিনি যদি অশুদ্ধ হয় সদনক কিয় mislead কৰা হৈছে সেই টো চাব লাগিব।

**শ্ৰীগুৰুজ্যোতি দাস ঃ** ধন্যবাদ উপাধ্যক্ষ মহোদয় পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ ৫৫ আৰু ৫৭ নং মঞ্জুৰীৰ ওপৰত অনা বিৰোধীৰ কৰ্ত্তন প্ৰস্তাৱৰ বিবেচনা কৰি মই কেইটামান কথা ক'বলৈ ওলাইছো। তাৰ আগত মই এল পি স্কুলত পোৰা এটি সুন্দৰ কবিতা পাঠ কৰিব ওলাইছো।

<u>আমাৰ গাওঁ</u>-

শুৱনি আমাৰ গাওঁখন অতি শুৱনী গছেৰে ভৰা
ডাল ভৰি ভৰি ফল ফুল লাগে ক'ত পাওঁ তল সৰা।।
শুৱনি আমাৰ ধাননী পথাৰ ধানেৰে ওপচি পৰে
শুৱনী নদীৰ পানীভৰা ঘাট মুদৈয়ে বেপাৰ কৰে।।

উপাধ্যক্ষ মহোদয়, আমাৰ গাওঁৰ সুন্দৰ দৃশ্য আৰু সৌন্দৰ্য্য এই কবিতাটিত পৰিস্ফুটিত হৈছে। কিন্তু আজি একবিংশ শতিকাৰ আধুনিকতাত ভৰি দিয়াৰ লগে লগে গাওৰ পৰিবেশৰ সলনি কৰাৰ বাবে তাত পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হ'ল। আৰু তাৰ লগে লগে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিখন পৰিৱৰ্ত্তনকামী চৰকাৰ আহিল সেই চৰকাৰে গ্ৰাম্য উন্নয়ণৰ পৰিৱৰ্ত্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। গ্ৰাম্য জীৱন উন্নত কৰাৰ ব্যৱস্থা কৰিছে । গাওঁৰ খেতিয়ক সকলক সুবিধা দিয়াৰ ব্যৱস্থা কৰিছে। প্ৰায় ২৬ হাজাৰ গাওত Tractor ৰ দিয়াৰ ব্যৱস্থা কৰিছে। এতিয়া উন্নত পদ্ধতিৰে খেতি উৎপাদন কৰা হৈছে, কৃষকসকলক খেতি কৰিববলৈ উন্নত সা সুবিধা দিবলৈ ৫০০০ টকাৰ এক কালীন সাহাৰ্য্য প্ৰদান কৰিছে। গাওঁৰ অৰ্থনৈতিক উন্নয়ণ হলেহে দেশৰ অৰ্থনৈতিক উন্নয়ণ হ'ব। গাওৰ যাতায়ত ব্যৱস্থাৰ উন্নতিৰ বাবে প্ৰক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই গাও অঞ্চলত যোজনা আঁচনি যুগোতাইছিল সেই আঁচনিৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ যোগাযোগ ব্যৱস্থা সুচল হৈ পৰিছে আজি যি বিৰোধীয়ে কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছো । আমি পাৰিলে গ্ৰাম্য অঞ্চলৰ আৰু উন্নয়ণৰ চিন্তা কৰিব লাগে আৰু অধিক পৰিমান ধন আমি দিব লাগে। মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো আজি এম জি এন ৰে গাৰ অধীনত প্ৰায় ৫০তকৈ অধিক আঁচনি ৰূপায়িত কৰি বিভিন্ন সময়ত MG NREGA ৰ যিবিলাক কাম হৈছে তাত বহু দুৰ্নীতি হৈছে সচা অৰ্থত। তাত ভূৱা জৱ কাৰ্ড আছিল। কিন্তু আমাৰ চৰাকাৰখনে ভূৱা Job Card ধৰিবলৈও সক্ষম হ'ল প্ৰায় ১ লাখতকৈও অধিক। মই আপোনাৰ জৰিয়তে চৰকাৰখনক এটা অনুৰোধ কৰো । আমাৰ জৱ কাৰ্ডৰ যি ১০০ দিনৰ আছিল তাক যেন ২০০ দিনলৈ বৃদ্ধি কৰিব পাৰো তাৰ পিছত এনৰেগাৰ আমাৰ ১৮৩ আছিল তাৰ পিছত ১৮৯ হ'ল কিন্তু এইটো ২০০ লৈ যাতে বৃদ্ধি কৰিব পাৰো মই এইটো অনুৰোধ জনাম। মই যিমান দুৰ জানো পঞ্চায়ত সমূহত কেতিয়াও ইমান টকা আহা নাছিল । পঞ্চায়ত আৰু গাওঁৰ উন্নয়নৰ বাবে এন ডি এ চৰকাৰৰ অধীনত 14th Finance ৰ অধীনত পঞ্চায়ত সমূহলৈ বহুত টকা আহিছিল। আমাৰ চৰকাৰৰ আগতে পঞ্চায়তত বহু দুনীতি হৈছিল। কেতিয়াও ইমান টকা অহা নাছিল, পঞ্চায়তৰ উন্নয়ন, গাঁৱৰ উন্নয়ন কৰিবৰ কাৰণে। NDA চৰকাৰৰ অধীনত, 14th Finance ৰ অধীনত পঞ্চায়ত সমূহলৈ বহুত টকা আহিছিল। হয় ইয়াৰ আগত আমাৰ ইয়াত আমাৰ চৰকাৰ নাছিল, তাৰকাৰণে আমাৰ চৰকাৰ নোহোৱাৰ সময়ত পঞ্চায়তত বহুত দূৰ্নীতি হৈছিল এই কথা বিলাক যেতিয়া আমি বিধায়ক হলো তেতিয়া চালো আৰু যেতিয়া আমি হস্তক্ষেপ কৰিলো মই বিধায়ক

হোৱাৰ পিছত আমাৰ সমষ্টিত পঞ্চায়তৰ যিবিলাক পইচা আমি দেখিবলৈ পালো। এইটো ভাৰতবৰ্ষৰ ইতিহাসত চাগে 14th Finance ত এইবাৰে বহুত টকা আহিছে। কাৰণ এইবাৰ মোৰ সমষ্টিৰ মোৱামাৰী পঞ্চায়তত এক কোটি ২৫ লাখ টকা আহিছে। যিটো সময়ত আমি বিধায়কৰ উন্নয়নৰ পুঁজিৰ পইচা পাওঁ এক কোটি টকা এবছৰত, এতিয়া এটা পঞ্চায়তেত প্ৰায় এক কোটি ২৫ লাখ টকালৈ আহিছে, ৬০ লাখ টকালৈকে আহিছে, ৫০ লাখ টকালৈকে আহিছে। আমি যদি সেইখিনি পইচা সৎ ব্যৱহাৰ কৰিব পাৰো নিশ্চয় এখন সুন্দৰ গাওঁ গঢ়ি তুলিব পাৰিম। মই এইটোৱে অনুৰোধ কৰিছো যে আমি সেই পইচা সমূহ সঠিক ভাৱে ব্যৱহাৰ কৰিবৰ কাৰণে আমাৰ যি পঞ্চায়তৰ প্ৰতিনীধি সমূহ হ'ল সেইপঞ্চায়তৰ প্ৰতিনীধি সমূহক তেওঁলোকৰ দৰমহা বৃদ্ধি কৰিব লাগে। পঞ্চায়তৰ মেম্বাৰ সমূহৰ, সদস্য সমূহৰ পঞ্চায়তৰ যি সমূহ সভাপতি আছে, যি সমূহ আঞ্চলিকৰ সদস্য আছে, সদস্যা আছে আৰু জিলা পৰিষদৰ সদস্য-সদস্যা সকলৰ যাতে দৰমহাটো বৃদ্ধি কৰিব পৰা যায়, তেওঁলোকে যাতে কাম কৰিবৰ ইচ্ছা এটা প্ৰকাশ কৰে, তেওঁলোকে গ্ৰাম্য অৰ্থনৈতিকৰ উন্নয়নৰ কথা চিন্তা কৰিব পাৰে, তাৰ লগত যাতে মনোবলটো বৃদ্ধি হয়, সেই কাৰণে দৰমহা বৃদ্ধি কৰিব লাগে। কাৰণ আমি ইলেক্চনৰ সময়ত দেখিছো বহুতে ইলেক্চন খেলিব আহে, টিকেট বিচাৰে, জিকি মনটো বৰ ভাল লাগে। কেইদিনমান এগৰাকী গাওঁপঞ্চায়তৰ মেম্বাৰে আমাক সুধিছে, যে চাৰ, আমি দেখোন পইচা নাপাও আমি কেনেকৈ চলিম, কেনেকৈ আমি অফিচলৈ যাম ? তেনেকৈ কথাবিলাক কলে। হয়তো তেওঁৰ মনত এতিয়াও সেইবিলাক কথা চিন্তা কৰা নাই যি আগতে যিমানখিনি কথা এটা মেম্বাৰে IAY ঘৰ দিয়াৰ নামত কিমান টকা লৈছিল, কিবা লৈছিল। সেই বিলাক আমি গাঁৱত যেতিয়া যাওঁ সেইবিলাক কথা আমি শুনিবলৈ পাইছিলো। কিন্তু এতিয়া সেইবিলাক কথা শুনিবলৈ নাই। কিন্তু তেওঁ মেম্বাৰ গৰাকীকে বৰ দুখৰে কৈছে আৰু সেইবাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, চৰকাৰক অনুৰোধ কৰিছো। যাতে আমি পঞ্চায়তৰ প্ৰতিনীধি সমূহৰ দৰমহা বৃদ্ধি কৰিব পাৰো তেওঁ যাতে কাম কৰিবলৈ উৎসাহ পায়। আজি পঞ্চায়তৰ জৰিয়তে আমি গাঁওৰ অৰ্থনৈতিক অৱস্থা উন্নয়ন কৰিবৰ কাৰণে মহিলা সৱলীকৰণৰ কথা ব্যৱস্থাকৰণ কৰিছো। আজি ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছত ইতিহাসত কিন্তু পোন প্ৰথম বাৰৰ বাবে মহিলা সকলক স্বাৱলম্বী কৰবিলৈ কনকলতা আঁচনি যিটো ৰূপায়ণ কৰিছে তাত ২৫ হাজাৰ টকাকৈ এককালীন সাহাৰ্য্য প্ৰদান কৰিছে। তেওঁলোকে যাতে তেওঁলোকৰ নিজৰ ভৰিত ঠিয় দিব পাৰে, তেওঁলোকে যাতে ইনকামৰ পথত আগবাঢ়িব পাৰে, যাতে আমাৰ দেশৰ অৰ্থনৈতিক ব্যৱস্থা উন্নয়ন হয় তাৰ কাৰণে মহিলা সকলক আমাৰ চৰকাৰ খনে ২৫ হাজাৰ টকাকৈ এককালীন সাহাৰ্য্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছো। আজি ইতিমধ্যে কৈছে DDUGKY ৰ যিটো আঁচনি আছিল সেই আঁচনিৰ জৰিয়তে আমাৰ অসম খনত প্ৰধানমন্ত্ৰী কৌশল বিকাশ কেন্দ্ৰ, ইতিমধ্যে বহুখিনি দীনদয়াল উপাধ্যায় বহুকেইটা হৈছে, বহু যুৱক-যুৱতী উপকৃত হৈছে। কিন্তু সামগ্ৰীক ভাৱে তেওঁলোকে প্ৰশিক্ষন লাভ কৰিছে, তেওঁলোকে এগৰাকী চাৰ্টিফিকেট হ'লৰ্ডাৰ হৈছে, কিন্তু আমি এই আঁচনিটোৰ জৰিয়তে যি সমূহ প্ৰাইভেদ কোম্পানী আচলতে তেওঁলোকক সংস্থাপন দিব লাগিছিল কেতিয়াবা কেতিয়াবা সেই সমূহ প্ৰশিক্ষনাৰ্থিক, চাৰ্টিফিকেট হ'লৰ্ডাৰক সংস্থাপিত দিয়া দেখা যোৱা নাই। মই এইটো অনুৰোধ কৰিম যাতে আমি সেই প্ৰাইভেদ কোম্পানী, কাৰণ প্ৰাইভেদ কোম্পানী সমূহে চৰকাৰৰ পৰা বিভিন্ন সময়ত তেওঁলোকে সুবিধা লাভ কৰি আহিছে। তেওঁলোকৰ লগত এইটো দায়বদ্ধ আছিল যে তেওঁলোকে Employment Generate কৰিব লাগিব। মই এইটো অনুৰোধ কৰিম যে আমি এই আঁচনিটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব পাৰো যাতে আমি আৰু যুৱক-যুৱতী সকলক আৰু

কৌশলগত কৰি তেওঁলোকক প্ৰশিক্ষণ দি তেওঁলোকক যাতে আমি অসমত সংস্থাপিত কৰিব পাৰো। মই দেখিছো বহুতো সময়ত তেওঁলোকে অসমৰ বাহিৰত তেওঁলোকক চাকৰি দিয়ে। যাৰ ফলত বহুতে যাবলৈ ইচ্ছা প্ৰকাশ নকৰে। যাতে অসমতে আমাৰ থলুৱা যুৱক-যুৱতী সকলক যিবোৰ দূৰৰ পৰা আহি ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ লৈছে এই আঁচনিৰ জৰিয়তে, তেওঁলোকক যাতে অসমতে তেওঁলোকে নিয়োগ দিয়ে তাৰ বাবে মই এটা অনুৰোধ জনাইছো। আমাৰ ইতিমধ্যে বহুতে কৈ আছে আমাৰ অলপ আগতে বিৰোধীৰ সন্মানীয় সদস্য-সদস্যা সকলে, সন্মানীয় বিধায়ক সকলে বক্তব্য ৰাখিছে। ইন্দিৰা আৱাস যোজনাৰ ওপৰত, হয় আঁচনিটো ৰূপায়ণ কৰিছিল, কিমানখিনি আধৰুৱা আছিল এই কথাবিলাক মই যেতিয়া সমষ্টিত যাওঁ তেতিয়া গম পাইছো। এতিয়াও আমাৰ পঞ্চায়তত বহুকেইটা ঘৰ আধৰুৱা হৈ আছে। বহুকেইটা পৰিয়ালে কয় যে আমি পইচায়ে নাপালো, কিবা অলপ পইচা পালো। কিন্তু আমি গৌৰৱৰে কব পাৰো এইখন চৰকাৰৰ প্ৰতিনীধি হিচাপে যে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত যিখন চৰকাৰে ইতিমধ্যে গ্ৰাম্যাঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ লগতে গ্ৰাম্যঞ্চলৰ লোকৰ থকাৰ ব্যৱস্থা সুবিধাকৰণৰ কাৰণে আজি প্ৰায় কেইদিনমান আগত গোটেই মন্ত্ৰীকে ধৰি, বিধায়ককে ধৰি আমাৰ গোটেই গ্ৰাম্য উন্নয়নৰ পঞ্চায়তৰ গোটেইখিনি বিষয়া থাকি তেওঁলোকে নিজেই ৰাতিটো কটাই আহিছে। এই কথাখিনি সকলোৰে জানে ইতিমধ্যে। অসমৰ ইতিহাসত পোন প্ৰথমবাৰ চাগে। মন্ত্ৰীয়ে গাঁৱৰ এখন দুখীয়া পৰিয়ালৰ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ লাভ কৰা পৰিয়ালৰ ঘৰত ৰাতিটো কটাইছে, এইটো ইতিহাসত প্ৰথমবাৰ। আমিও নিজেই আছো। ইতিমধ্যে পৰিবৰ্তন, বহুতে কৈ আছে বিৰোধী সকলে পৰিবৰ্তন হোৱা নাই। পৰিবৰ্তন শব্দটো হৈছিল আৰু লাহে লাহে এতিয়া ৰাইজে পৰিবৰ্তন পাবলৈ হৈছে। যিটো সময়ত ৭৫ হাজাৰ টকা আছিল প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰত, তাত আজি ১.৫০ লাখ টকালৈ হৈছে। তাৰ লগে লগে যি গৰাকীৰ নামত সেই ঘৰটো আহে সেই আৱাসটো আহে তেওঁ ইতিমধ্যে জব কাৰ্ডৰ জৰিয়তে প্ৰায় ১৮ হাজাৰ টকা পাবলৈ সক্ষম হয়, যাতে তেওঁ তাতে কাম কৰক, বনুৱা হওঁক, সেই হিচাপে তেওঁ ঘৰটোত কাম কৰিলে যাতে তেওঁৰ পইচাটো অথলে নাযায়। প্ৰায় ১৮ হাজাৰ টকা পাবলৈ সক্ষম হৈছে। পৰিবৰ্তন আচলতে কোৱা হয় কিন্তু পৰিবৰ্তন এনেই নহয় পৰিবৰ্তন আমাৰ চৰকাৰ খনে আনিছে আৰু ৰাইজ উপকৃত হৈছে। আজি আমাৰ সমষ্টিত আমি যেতিয়া যাওঁ মোৰ দেউতাৰ নিচিনা বয়সৰ লোকে যেতিয়া আহি ভৰিত ধৰাৰ নিচিনা কৰে যে বোপাই মোৰ পেঞ্চনটো এইবাৰ পাবলৈ সক্ষম কৰি দিয়া, পোৱাই নাই, বহুবাৰ কাগজ দিলো। কিন্তু আমি এতিয়া গৌৰৱৰে কব পাৰো যে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰ খনে, পৰিবৰ্তনকামী চৰকাৰ খনে আজি যি সকলে চৰকাৰী পেঞ্চন লাভ কৰা নাই, যি সকল ৬০ বছৰৰ উৰ্দ্ধৰ ব্যক্তি সকলোৰে পেঞ্চন পাবলৈ সক্ষম হৈছে। আমি গৌৰৱৰে কব পাৰিছো আজি সকলোৰে পেঞ্চন লাভ কৰিছে, এতিয়া বহুতে লাভ কৰিছে। ৩ হাজাৰ, ৪ হাজাৰ টকা লাভ কৰিছে। মনটো ভাল লাগিছে। ইয়াৰ আগত এই কথাবোৰ কেতিয়াও চিন্তা কৰা নাছিল, APL আছিল, BPL আছিল কিমান সমস্যা। প্ৰথমকেইদিন বিধায়ক হোৱাৰ পিছত এই সমস্যা বিলাকে, ভাৰিছিলো কেতিয়াবা দিব পাৰিমনে নোৱাৰিম এওঁলোকক, এই APL কেতিয়া শেষ হ'ব, BPL কেতিয়া শেষ হ'ব, এওলোক আওঁতাত পৰিবনে নপৰে, কিন্তু এতিয়া আমাৰ চৰকাৰ খনে যি ব্যৱস্থা গ্ৰহন কৰিলে তাৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো। আজি পঞ্চায়তত পইচা এইকাৰণে লাগে যে পঞ্চায়ত সমূহৰ কাৰ্য্যালয় বোৰ আমি উন্নিতকৰণ কৰিব লাগিব। আমি Digitalisation কৰিব লাগিব। যি সময়ত ভাৰত বৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াই Digitalisationৰ

কথা কৈ আছে আমি E-Bankingৰ কথা চিন্তা কৰিছো, সেই সময়ত আমাৰ পঞ্চায়তৰ কাৰ্য্যালয় সমূহৰ উন্নয়ন কৰিব লাগিব, Online ৰ ব্যৱস্থা কৰণ কৰিব লাগিব আৰু পঞ্চায়ত কাৰ্য্যালয় সমূহক উন্নিত কৰণ কৰিব লাগিব, সুন্দৰ গৃহ বনাব লাগিব। বহুতো পঞ্চায়তৰ কাৰ্য্যালয় সমূহৰ গৃহ ইতিমধ্যে অলপ জুৰুলা জোপাৰা হৈ আছে, কিন্তু এইবাৰ মই এটা ৰঙা মাটিৰ পঞ্চায়তৰ বাবে আমাৰ চৰকাৰৰ পৰা পাইছো নতুনকৈ বনাবৰ কাৰণে। মই এই চেগতে ধন্যবাদ জ্ঞাপন কৰিছো মন্ত্ৰী মহোদয়ক। আমি ইতিমধ্যে বিভিন্ন সময়ত পঞ্চায়তৰ সচিব কেতিয়াবা খালী হৈ আছে আৰু বহুত ঠাইত বহু বছৰ ধৰি পঞ্চায়তৰ সচিব সমূহে কৰ্ম কৰি আছে, মই এইটো অনুৰোধ জনাম যাতে আমি জিলা ভিত্তিত হলেও পঞ্চায়তৰ সচিব সমূহক যাতে অলপ সাল-সলনি কৰি দিয়া যায়। সাল-সলনি কৰি দিলে হয়তো তেওঁলোকৰ যিটো জড়তা থাকে কৰ্ম সংস্কৃতি অলপ বৃদ্ধি হ'ব যেন মোৰ অনুভৱ হৈছে। কাৰণ আমি গ্ৰাম্য অঞ্চলত অৰ্থনৈতিক অৱস্থা উন্নয়ন কৰিবৰ কাৰণে আমি পঞ্চায়তৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবই লাগিব। আজি NRLMৰ জৰিয়তে, SRLMৰ জৰিয়তে বহু কেইটা আঁচনি ৰূপায়ণ কৰা হৈছে। গ্ৰাম্য অৰ্থনৈতিক উন্নয়ন কৰাৰ ব্যৱস্থাৰ চিন্তা কৰা হৈছে। আজি আমি গাঁৱৰ যুৱক-যুৱতী সকলক আজি আমাৰ যি সকল বিশেষ ভাৱে সক্ষম বুলি কওঁ সেই সকল ব্যক্তিক এককালীন সাহাৰ্য্য প্ৰদান কৰাৰ কথা চিন্তা কৰিছে। ইতিমধ্যে বহুখিনি লোকে পাবলৈ সক্ষম হৈছে আৰু হয়তো বহুতে পাব নিশ্চয়। আজি চৰকাৰখন দায়বদ্ধ প্ৰতিগৰাকী ব্যক্তিৰ কাৰণে। আজি চৰকাৰ খনে দায়িত্বশীল হৈছে, এইবাৰ  বাজেটত যিসকল বিধবা অকলাতে তেওঁলোকৰ স্বামী হেৰুৱাই তেওঁলোকক ২৫ হাজাৰ টকাকৈ দিবৰ কাৰণে ব্যৱস্থাকৰণ কৰিছে। এয়া পৰিবৰ্তন নহয়নেকি ? পৰিবৰ্তন শব্দটো ক'ব পাৰি কিন্তু পৰিবৰ্তন লাহে লাহে পাবলৈ সক্ষম হ'ব। আজি চৰকাৰ খনে প্ৰতিগৰাকীৰ উন্নতিৰ কথা চিন্তা কৰি আজি শিক্ষা ব্যৱস্থাটো বিনামূলীয়া কৰিছে।  মাননীয় অধ্যক্ষ মহোদয়, BA, B.Sc, B.Com. পঢ়িবলৈ সক্ষম নহল, তেনেকুৱা ছাত্ৰ-ছাত্ৰী যদি আমি বিচাৰো বহুত পাম, মই বিধায়ক হোৱাৰ ১ বছৰ মান পিছত এগৰাকী মহিলা আহিছিল, আহি মোক এখন আবেদন দিছিল যে মোক এটা সংস্থাপন লাগে, মই কলো হয় নেকি সংস্থাপনটো এনেকৈ নহয় যেতিয়া বিজ্ঞাপন ওলাব তেতিয়া আপুনি Apply কৰিব, interview দিব তেতিয়া পাব। মই প্ৰশ্ন কৰিলো আপুনি পঢ়া কিমান, তেতিয়া তেখেতে কলে  উচ্চতৰ মাধ্যমিক পাছ। আজিকালি LD হবলৈ হলে BA pass লাগিব, মই তেতিয়া তেখেতক প্ৰশ্ন কৰিলো, আপুনি কিয় BA নপঢ়িলে বুলি মই কওঁতে মানুহ জনীয়ে হুক হুকাই কান্দিছে, মই ৫৯ শতাংশ উচ্চতৰ মাধ্যমিক পাছ কৰিছিলো BA পঢ়িবৰ কাৰণে মই পইচা বিচাৰি গৈছিলো, ৫ হাজাৰ টকা নাপালে Admission ৰ কাৰণে আৰু অসমৰ ইতিহাসত বহুত হয়টো এনেকুৱা লৰা-ছোৱালী আছে, পইচাৰ অভাৱত BA, B.Sc কৰিব পৰা নাই। আমাৰ চৰকাৰ অহাৰ লগে লগে আজি তেনেকুৱা হয়টো অসমত এনেকুৱা এটা পৰিয়াল নাই, এনেকুৱা যুৱক-যুৱতী নাই যে কোনো BA, B.Sc, B.Com পঢ়িবলৈ সক্ষম নোহোৱাকৈ থকা নাই। পৰিবৰ্তন কাক কয়, এই কথা বিলাক কেতিয়াবা বিৰোধীয়ে কব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অকল কৰ্তন প্ৰস্তাৱৰ ওপৰত কওঁক।

**শ্ৰী গুৰুজ্যোতি দাস (মাননীয় সদস্য)  ঃ** মাননীয় অধ্যক্ষ মহোদয়, সামগ্ৰীকভাবে আমি আমাৰ চৰকাৰখনে গাওঁৰ উন্নয়নৰ চিন্তা কৰিছে, শিক্ষা ব্যৱস্থাটো উন্নয়নৰ কথা কৈছে, মই উনুকীয়াই গৈছো, মই আৰু বেছি সময় নলওঁ যাতে আমি গ্ৰাম্য অৰ্থনীতি উন্নয়ন কৰিব লাগে প্ৰতিখন গাওঁ ধুনীয়া কৰিব লাগে। আমি MGNREGA আঁচনিৰ অধীনত বিভিন্ন সময়ত আমি বৃক্ষ ৰোপন

কাৰ্য্যসূচী ৰূপায়ণ কাৰ্য্যসূচী লওঁ। আজি আপোনাৰ জৰিয়তে এটা কথা অনুৰোধ কৰিব বিচাৰিছো বিষয়া সমূহক এটা monitoring কৰিব লাগে, কেতিয়াবা আমি বৃক্ষ ৰোপন কাৰ্য্যসূচী লোৱা যায়, অকল বেৰখিনিয়েহে থকা দেখা যায়, পুলি বিলাক দেখা নাযায়, যি সময়ত অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেউজ অসমৰ কথা চিন্তা কৰিছে, প্ৰদূষণ মুক্ত অসমৰ কথা চিন্তা কৰিছে, আমি যাতে আঁচনি সমূহ ভালদৰে ৰূপায়ন কৰি সেইটো যাতে ৰাইজৰ হিতৰ সমাজৰ হিতৰ, প্ৰকৃতি হিতৰ , সমাজৰ হিতৰ কাৰণে হয় তাৰ কাৰণে সেইটো অনুৰোধ কৰিছো। monitoring ব্যৱস্থাটো যাতে উন্নত কৰে, মই বিশেষ বক্তব্য নাৰাখি পঞ্চায়তৰ প্ৰতিনিধি সমূহৰ দৰমহাটো বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে, যি সমূহ কাৰ্য্যলয়ত আমাৰ ইতিমধ্যে বহুটো নিয়োগ ব্যৱস্থাটো খালী হৈ আছে, সেইটো নিয়োগ দিব লাগে আৰু পাৰিলে আমি অনুৰোধ কৰিম মই এইটো কথা বহুখিনি সময়ত সমস্যাৰ সন্মুখীন হৈছো আৰু যি সমূহ আমাৰ ডাঙৰ ছোৱালী বুলি কওঁ বিয়া হোৱা নাই, বহুটো ছোৱালী হয়টো বিবাহত আবদ্ধ নহল সেই সকলে এটা পইচা বিচাৰি আহে, মই আপোনাৰ জৰিয়তে আমাৰ চৰকাৰখনক মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম তেওঁলোকৰ বাবে এটা আঁচনি ৰূপায়ণ কৰক এই আঁচনি ৰূপায়ন কৰি তেওঁলোকৰ এটা সামগ্ৰীকভাবে তেওঁলোকৰ যাতে উন্নয়ন হওঁক তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰক তাৰ কাৰণেও ধনৰাশি ধৰক। এইটোৱে অনুৰোধ কৰি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি আৰু অধিক পৰিমাণৰ যাতে পইচা দিয়া হওঁক , গাওঁৰ উন্নয়ন হওঁক, এইখিনি কৈ মই মোৰ বক্তব্যৰ সাঁমৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰচিদ আলম তাৰ পিছত মাননীয় সদস্য ড° মতিউৰ ৰহমান মণ্ডল।

**শ্ৰী আবুল কালাম ৰচিদ আলম (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দুযাৰমান কথা কব ওলাইছো। MGNREGA আঁচনি সম্পৰ্কে বহুতে কৈ গৈছে, আমাৰ গাওঁ অঞ্চলত পঞ্চায়তত কেইবাটাওঁ আঁচনি চলি আছে। বিশেষকৈ MGNREGA ৰ আঁচনি 14tn Finance 15th Finance এই বিলাকৰ কামত আমি বিশেষকৈ গুৰুত্ব দি আছো। বাকী সৰু-সুৰা আঁচনি বিলাক MGNREGA কামৰ বিষয়ে সকলো বক্তাই উল্লেখ কৰি গৈছে। সাধৰণতে যিবোৰ মাটিৰ কাম সেই বিলাক কাম Labour & Job Card ক দি কৰা হয় আৰু materials এই কামটো আচলতে practical field ত গৈ বহুত জটিলতাৰ সন্মুখীনত পৰে। মাটিৰ কামখিনি কৰোতে Job Card ৰ wage পইচাখিনি পায়। বাকী materials ৰ পইচাখিনি বাকী থাকে সকলোৱে কৈছে। এই materials ৰ পইচা ১/২ বছৰ পিছত আহে, কামখিনি তেতিয়া চলি থাকে যিজন JE দায়িত্বত থাকে কিন্তু যেতিয়া materials পইচাটো আহে সেই JE জন সেই দায়িত্বত নাথাকে, বেলেগ এজন নতুনকৈ আহে। কামখিনি যেতিয়া কৰে তেতিয়া সেই materials payment টো দিব নোৱাৰে যদিও কামটো কৰা থাকে,কাৰণ বিল নাথাকে। নতুনকৈ যিজন JE আহে, সেই materials ৰ যিখিনি বিল, নতুনকৈ JE জনে দিব নোৱাৰে কাৰণ সেই সময়ৰ record ত নাথাকে। তেনেকুৱা এটা Technical problem আছে। সেই কাৰণে মই চৰকাৰক অনুৰোধ জনাম, চৰকাৰে কেনেকৈ Technical problem টো শেষ কৰে এইটো চেষ্টা কৰিব। মই কেইদিনমান আগতে SOPD ৰ ৰাস্তা উদ্বোধন কৰিব যাওঁতে মোক মহিলা সকলে ঘেৰাওঁ কৰি ধৰিলে, ঘেৰাওঁ কৰি কৈছে আমাৰ Job Card ৰ পইচাটো লাগে, এঠাইত নহয় কেইবা ঠাইটো মই শুনা পাইছো। তাৰ পিছত মই সুধিলো আপোনালোকৰ Job Card ৰ পইচাটো কেতিয়াৰ পৰা বন্ধ হৈ আছে। আপুনি যেতিয়াৰ পৰা বিধায়ক হৈছে

তেতিয়াৰ পৰা বন্ধ হৈ আছে, আপুনি বেয়া বিধায়ক আপুনি অহাৰ পিছত Job Card ৰ পইচা বিলাক বন্ধ কৰি ৰাখিছে। তেতিয়া মই চিন্তা কৰিলো, মই BDO ক ফোন কৰিলো, সচিবক ফোন কৰিলো, মহিলা সকলে ঘেৰাওঁ কৰি ৰাখিছে, তেতিয়া কলে হয় চাৰ ৰাস্তা পইচাটো আমাৰ বন্ধ হৈ আছে। তাৰ মানে পৰিবৰ্তন কামী চৰকাৰ লাহে লাহে পৰিবৰ্তন হৈ আছে, ঠিক এনেধৰণে পৰিবৰ্তন হৈ আছে যে আমি Job Card holder ক আমি মজুৰিটো দিব পৰা নাই। এইটোৰ তদন্ত কৰক, মই Commissioner ৰ তাত আহিছিলো নিশ্চয় Commissioner যদি ইয়াত বহি আছে, তেখেতে শুনি আছে, তেখেতে কৈছে আমাৰটো তেনেকুৰা Payment থাকিব নালাগে। Block ৰ BDO বা পঞ্চায়তৰ Secretary ৰ তাত গলে কয় যে আমাৰ Payment বন্ধ আছে আৰু ৰাস্তাৰ কামৰ পইচাও বন্ধ আছে,materials ৰ payment ৰ কথা বাদে দিছো। MGNREGA ৰ আঁচনিত কৰ্মৰ অধিকাৰ দিয়া হৈছে, আমি কৰ্ম দিব লাগিব কাম নাথাকিলে হাজিৰা দিব লাগিব, যদি বিচাৰে Job Card holder য়ে কিন্তু আমি কাম কৰাৰ অৱস্থাটো সেই মজুৰিটো দিব পৰা নাই, এতিয়ালৈকে বাকী আছে, মইও বিধায়ক হোৱাৰ পিছত এই চৰকাৰ অহাৰ পিছত সেই বিলাক এতিয়াও পৰি আছে, বেলেগ সমষ্টিৰ কথা মই নেজানো। ঠিক তেনেকুৰা এটা Technical problem আছে, এতিয়া ৰাস্তাটো বনাবলৈ গলে অফিচাৰ সকলে কিছুমান অসুবিধাৰ সন্মুখীন হবলগীয়া হয়। যেতিয়া ৰাস্তাটো বনাবলৈ যায়, সেই ৰাস্তাৰ আশে-পাশে মাটি নাথাকে, আঁচনিটো ধৰি দিয়ে পইচা অনুমোদন হৈ যায়। সেই ৰাস্তাটো কৰিবলৈ হলে বাহিৰৰ পৰা মাটি আনিব লাগিব, যেতিয়া বাহিৰৰ পৰা মাটি কঢ়িয়াব লাগিব তেতিয়া সেই মাটি কঢ়িওৱাৰ পইচাটো ধৰা হোৱা নাই, এই ফালে ৰাস্তাটোৰ যদি Bill দিব লগীয়া হয়। MGNREGA ৰ ক্ষেত্ৰত এনেকুৰা problem আছে আৰু মই অনুৰোধ জনাম সচাকৈ যদি ৰাস্তাৰ এইটো কামটো বেলেগ জিলাত কেনেকুৰা হৈছে মই নেজানো কিন্তু মোৰ সমষ্টিত BDO, JE আদিয়ে সকলোৱে কয় যে ৰাস্তাৰ কামটো বন্ধ হৈ আছে, যদি বন্ধ হৈ আছে খুলি দিব লাগে, আৰু যদি বন্ধ হোৱা নাই এই কথাষাৰ কিয় কৈ আছে, তাৰ এটা তদন্ত কৰিব লাগে, আৰু যিখিনি Job Card ৰ যিখিনি মজুৰি বাকী আছে অতি সোনকালে কৰি দিয়াৰ যেন ব্যৱস্থা কৰে। অধ্যক্ষ মহোদয়, 14th Finance এইটো আমাৰ ২০১৯-২০ ৰ অধ্যক্ষ মহোদয়, এইটো ২০১৯-২০ বিত্তীয় বৰ্ষ । মোৰ সমষ্টিত পৰিবৰ্তনকামী চৰকাৰ অহাৰ পিছত ২০১৬-১৭ চনৰ 14th Finance ৰ কাম এতিয়ালৈকে আৰম্ভ হবলৈ বাকী আছে । ইয়াৰ কি সুব্যৱস্থা কৰিব সেই সুব্যৱস্থাটো কৰিব লাগে । 15th Finance ৰ টকা ২ বছৰ আগতে দিয়া হৈছে । এক বছৰ যোৱাৰ পিছত 15th Finance ৰ টকাটো কিয় খৰচ কৰা হোৱা নাই জানিব বিচৰাত পি, ডি য়ে কলে যে টকাটো খৰচ কৰিবলৈ দিয়া নাই , টকাটো ৰাখিবলৈ দিয়া হৈছে । পিছত আকৌ কলো যে পঞ্চায়তৰ টকা পঞ্চায়তত দি দিয়ক । তেতিয়া কলে যে টকা খৰচ কৰাৰ ক্ষেত্ৰত 15th Finance এ কোনো Guide line দিয়া নাই । মই আয়ুক্তক কলো, মন্ত্ৰীক জনালো । মন্ত্ৰীয়ে Guide line দিয়াৰ আশ্বাস দিলে । এতিয়া Guide line দিছেনে নাই মই নাজানো । কিন্তু কামখিনি এতিয়ালৈকে মোৰ চকুত পৰা নাই । এইখিনি মই চৰকাৰক অৱগত কৰিলো । অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী আৱাস যোজনা ঘৰৰ কথা সকলোৱে কৈছে । কিন্তু প্ৰধানমন্ত্ৰী আৱাস যোজনা ঘৰ মোৰ চকুত কেইটামানহে পৰিছে মই বিধায়ক হোৱাৰ পিছত । এটা দিনত গোটেই অসম ভিত্তিত আমি উদ্বোধন কৰিলো । সকলোৱে লগতে মইও ভাৱিছিলো যে কিবা এটা হ'ব । কিন্তু নহ'ল । মই বি ডি অ'ক লিষ্টখন দেখুৱাই সুধিলো এওঁলোকৰ কিয় হোৱা নাই । তেখেতে কলে, মাটিৰ সমস্যা আছে । সমস্যাটো হ'ল যিটো 'খাচ' লেণ্ড তাতে দিব দিয়া নাই । মই ভাৱিছিলো

এইটো অকল গোৱালপাৰাৰ সমস্যা এচেম্বলীৰ Local Fund Account ৰ কাম চোৱাৰ বাবে আমি এবাৰ বিভিন্ন ঠাই ঘুৰিছিলো বেলেগ বেলেগ জিলাত গৈ । তাতো সেই একেই সমস্যা । আচল কথাটো হ'ল মাটি ডোখৰৰ কাৰণে এই ঘৰবিলাক দিয়া নাই আৰু এইটো এটা বাহানা । অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিটো এনেকুৱা পাব । মাটি ডোখৰ খাচ, কিন্তু পট্টাটো কোনে কৰিব ? পাট্টাৰ দায়িত্বত চৰকাৰ, চাৰ্কোল অফিচাৰ, ডি,চি, লেণ্ড এডভাইছ'ৰি বোৰ্ডেই থাকে । ৫০-৬০ বছৰ ধৰি বাস কৰি থকা দুখীয়া মানুহৰ মাটি যদি ‘খাচ’ হৈ আছে, কিয় পট্টা কৰা হোৱা নাই? পৰিৱৰ্তনকামী চৰকাৰ অহাৰ পিছত কিয় সেই ডোখৰ মাটি পট্টা নকৰিলে ? কোনো হাইকোৰ্টৰ অৰ্ডাৰ নাই । আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈ গৈছে যে Forest Act,2006 ত আছে যে যদি ২৫ বছৰ ধৰি ফৰেষ্টত বস-বাস কৰি আছে তেওঁক মাটিৰ পট্টা দিব লাগে। হাইকোৰ্ট, ছু প্ৰিম কোৰ্ট এইবিলাক কাম নকৰাৰ তাল-বাহানা। যদি কোনোবা ভূমিহীন মানুহে খাচ মাটিত ৫০-৬০ বছৰ ধৰি বাস কৰি আছে, এই মানুহখিনিক যদি পট্টা দিয়াৰ , এল'টমেন্ট দিয়াৰ কথাত হাই-কোৰ্ট, ছুপ্ৰিম কোৰ্টে বাধা দিছে, সকলো মিছা কথা । প্ৰমাণ দেখুৱাওঁক । ভূমিহীন মানুহক ভূমি দিব দিছে, গৃহহীন মানুহক গৃহ দিব দিছে । যিয়েই নহওঁক, মই অনুৰোধ কৰিম প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰবিলাক যি সকলৰ ভূমি নাই ভূমি দিয়াৰ ব্যৱস্থা কৰি, ফৰেষ্টত থাকিলে তেওঁলোকৰ নিয়ম অনুযায়ী,গাইড লাইন অনুযায়ী ভূমি এল'টমেন্ট কৰি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰবোৰৰ সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে । অধ্যক্ষ মহোদয়, গাওঁ অঞ্চলত, (আমাৰ বিধান সভাত কৰা প্ৰশ্নৰ উত্তৰতো এইটো কোৱা হৈছিল ) প্ৰতিনিধি সকলৰ Local Fund ৰ পৰা যিখিনি পুঁজি সংগ্ৰহ হয়, সেই টকাৰ পৰা দৰমহা দিব লাগে । আচলতে সেইটোৰ পৰা দৰমহা দিব নোৱাৰে, কিয়নো ইমান টকা Local collection নহয় । বিধায়ক আৰু এম,পি সকলক চৰকাৰে যিহেতু দৰমহা দিয়াৰ ব্যৱস্থা কৰি দিছে, তেওঁলোকৰ যিখিনি মাননি চৰকাৰৰ ফালৰ পৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে । লোকেল ফাণ্ডত আচলতে এটা ডাঙৰ কেলেংকাৰী হৈছে অধ্যক্ষ মহোদয় । আজি মই সদনৰ জৰিয়তে বিষয়া সকলক, চৰকাৰক জনাব খুজিছো। । ‘হাট-ঘাট’ বিলাকত ডাঙৰ কেলেংকাৰী হৈ আছে । ‘হাট’ বিলাকৰ বাবে Tender call হয় । ১০ জন মানে Tender দিব । কোনোবাই ৩০ লাখ, কোনোবাই ৫০ হাজাৰ , কোনোবাই ১ লাখ দিব । তাৰ পিছত টেণ্ডাৰৰ সকলে বুজা-বুজি কৰি ৩০ লাখ, ৫০ লাখ টকা টেণ্ডাৰ দিয়া সকলে Tender উঠাই লৈ আটাইতকৈ কম Tender দিয়া ৫০ হাজাৰ দিয়া জনক আৱন্টন দিয়ে । গতিকে অধ্যক্ষ মহোদয় ৰেভিনিউ Collection ত হাট-ঘাট বিলাকত এটা ঘটলা হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** ক'ত হৈ আছে ?

**শ্ৰী আবুল কালাম ৰছিদ আলম, বিধায়ক ঃ**- গোটেই অসমত হৈ আছে ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ তাত হোৱা নাই, সেই কাৰণে মই সুধিছো ।

**শ্ৰী আবুল কালাম ৰছিদ আলম, বিধায়ক ঃ**- অধ্যক্ষ মহোদয়, চৰকাৰে এইটো ব্যৱস্থা লব লাগে। য'ত হোৱা নাই, হোৱা নাই , এইটো ভাল কথা । কিন্তু য'ত হৈ আছে, তাত ব্যৱস্থা লব লাগিব । ইয়াৰ পৰা ৰেভিনিউ লোকচান হৈ আছে, ৰেভিনিউ আহিব লাগিব ।

মাননীয় অধ্যক্ষ মহোদয়, ‘হাট-ঘাট’ বোৰ যেতিয়া লয়, তেতিয়া খাজনাৰ এটা চাৰ্ট থাকিব লাগে কোনটো আইটেম ত কিমান টকা খাজনা দিব লাগে । বেলেগত যদি আছে নাজানো, গোৱালপাৰা জিলাৰ ক'তো পোৱা নাই । ১০ টকাৰ ঠাইত ১০০ টকা ,৫ টকাৰ ঠাইত ৫০ টকাৰ খাজনা লৈ আছে । নাওঁ দূৰ্ঘটনা হ'লে নাওঁবোৰ বন্ধ কৰি দিয়া হয় । নাওঁ বন্ধ হোৱা নাই, চলি আছে । কিন্তু ৰেট ৫

টকাৰ ঠাইত ৫০ টকা হয় । চৰ অঞ্চলৰ পৰা যিবোৰ মানুহ টাউনত হাজিৰা দিব আহিব তেওঁলোক আহি আছে, কিন্তু হাজিৰা ৩০০ টকা পালে ৫০ টকা নাওঁত দিবলগীয়া হয় । গতিকে 'হাট' ত যেনেকৈ চাৰ্ট থাকিব লাগে 'ঘাট' তো তেনেকৈ চাৰ্ট থাকিব লাগে । অধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব বিচাৰিছো, যিটো ভিজিলেঞ্চ কমিটী কৰি দিছে, ভালকৈ এতিয়ালৈ এখনো ভিজিলেঞ্চ কমিটীৰ মিটিং কৰিব পৰা নাই। হয়তো চেক্ৰেটাৰি সকলে তথ্য দিয়া নাই, নতুবা বি,ডি,অ'ই মিটিংখন পতাৰ ব্যৱস্থা কৰা নাই নতুবা এন, আৰ, চিৰ দোহাই , এই বিলাক চলি থাকে। মোৰ সমষ্টিৰ বিশেষকৈ টিপলাই, মাটিয়া, বালিজানত ভিজিলেঞ্চ কমিটিৰ মিটিং কেইখন হৈছে আমাৰ বিভাগে খবৰ ৰাখিছেনে নাই মই নাজানো । গতিকে মই অনুৰোধ জনাম ভিজিলেঞ্চ কমিটিৰ মিটিংবোৰ যাতে সময়মতে হয় আৰু নিয়মমতে হয় । অধ্যক্ষ মহোদয়, আমাৰ আগৰ এজন বক্তাই কৈ গৈছে কৰ পৰা প্ৰমোচন পাই বি ,ডি, অ' জন হয় । গতিকে অধ্যক্ষ মহোদয়,তিনিটাত নহ'লেও অন্ততঃ ' মাটিয়া' ত এজন উপযুক্ত বি,ডি,অ' দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। তাৰোপৰি অধ্যক্ষ মহোদয়, জে,ইৰ অভাৱ। কেইবাটাও পঞ্চায়তৰ মাজত এজন জে,ই থাকে। তেওঁকো এন,আৰ,চিৰ ডিউটি দি থয়। প্ৰকৃততে জে,ইৰ অভাৱত আমাৰ কামবিলাক হোৱা নাই। গতিকে সোনকালে জে,ইৰ ব্যৱস্থা কৰিব লাগে। সভাপতিৰ অনাস্থাৰ ক্ষেত্ৰত আগতেও কৈ গৈছে। সচাঁকৈয়ে এইটো কবলগীয়া কথা। ডাইৰেক্ট ভোটত নিৰ্বাচিত হোৱাৰ পিছত মেম্বাৰ সকলে অনাস্থা আনিলে সভাপতি ভাঙিব পাৰে। জিলা পৰিষদৰ ওপৰত অনাস্থা আনিব পাৰে কাৰণ জিলা পৰিষদৰ মেম্বাৰ সকলে সভাপতিজন নিৰ্বাচন কৰে। আঞ্চলিক পঞ্চায়তৰ সভাপতিৰ ওপৰত অনাস্থা আনিব পাৰে কাৰণ পঞ্চায়তৰ সদস্য সকলে সভাপতিজন নিৰ্বাচন কৰে। কিন্তু সভাপতিয়ে সদস্যৰ ওপৰত কেনেকৈ অনাস্থা আনিব! গতিকে যাতে অনাস্থা আনিব নোৱাৰে অতি সোনকালে ইয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে আমাৰ যিবিলাক ডাঙৰ ডাঙৰ পঞ্চায়ত আছে এইবোৰ সৰু কৰি এটা গণ্ডীৰ ভিতৰত আনিব লাগে।

.মোৰ তাতে হাৰিমাৰা পঞ্চায়তটোত তিনিটা পঞ্চায়ত হ'ব অথচ বাকাইটাৰী, বামুনপাৰা, মাটিয়া এইবিলাক সৰু সৰু পঞ্চায়ত। গতিকে পপোলেশ্যন মিলাই পঞ্চায়ত বিলাক ঠিক কৰিব লাগে।

বালিজানা ব্লক, গোৱালপাৰা ওৱেষ্ট আৰু গোৱালপাৰা ইষ্ট দুটা সমষ্টিৰ মাজত দুটা ব্লক। ৫ টা জি পি মোৰ ৫ টা ওৱেষ্টৰ এম এল এ ৰ। এতিয়া আমাৰ ভিজিলেঞ্চৰ মিটিং বিলাকত চেয়াৰমেন কোন হ'ব, এই কনট্ৰভাৰ্চি লৈ এবছৰ পাৰ হৈ গ'ল। গতিকে মোৰ পৰামৰ্শ এইটোৱেই যে অন্ততঃ এটা ব্লক হওঁক। দুটা মিলি এটা ব্লক। মোৰ সমষ্টিত তিনিটা আছে, তিনিটা নালাগে লাগে দুটাই হওঁক। এটাব্লকত আছে ৯টা জিপি আৰু এটা ব্লকত আছে ১০ টা জি পি। গতিকে অতি সোনকালে এই ব্লক সমস্যাবিলাক সমাধান কৰিব লাগে আৰু এই দুআষাৰ মোক ক'বলৈ দিয়া বাবে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰনি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিটো অনাস্থাৰ কথা কৈছে এইটো ১৯৯৫-৯৬ ৰ আইনখন নহয় জানো? মই তেতিয়া বিৰোধী পক্ষত আছিলো। আমি তেতিয়াই amendment আনিছিলো। আমাৰ বিষয়া সকলে বনাই মেলি দিয়াৰ পিছত বহুতে এইটো ভয় কৰে পিছলৈ দিগদাৰ হ'ব বুলি। এইটো কিন্তু বহুত ৰিয়েলষ্টিক কথা আছিল। মই ওকালতি কৰাৰ কাৰণে দেখিছো যে পঞ্চায়তে যদি অনাস্থা দি দিয়ে তাৰপিছত কিন্তু ইলেকশ্যন হোৱাটো টান আৰু বহু ক্ষেত্ৰত সমস্যা আহি পৰে। এইটো মই মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছো। এতিয়া ড০ মতিউৰ ৰহমান মণ্ডল।

**ড° মতিউৰ ৰহমান মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ওপৰত মঞ্জুৰী নং ৫৬ আৰু ৫৭ কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই দুআষাৰ ক'বলৈ দিয়াৰ বাবে আপোনাক আৰু পবিত্ৰ

সদনক ধন্যবাদ জনাইছো আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমাৰ দেশৰ শতকৰা ৮০ ভাগ মানুহ গাওঁত বসবাস কৰে। দেশ এখনৰ জনসংখ্যাৰ ৫ ভাগৰ ৪ ভাগ মানুহে গাঁৱত বসবাস কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ব্যৱস্থা ইয়াৰ বাবে অত্যন্ত্য জৰুৰী বিভাগ। যিহেতু এখন সুস্থ সমাজত শান্তিৰে বস্বাস কৰিবলৈ মানুহক অকল পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগটোৱে গোটেইখিনি সামৰি ল'ব নোৱাৰে। অন্যান্য বিভাগ যেনে কৃষি, শিক্ষা, স্বাস্থ্য সকলো বিলাক merge হৈ যায়। আমাৰ ভাৰতবৰ্ষ ১৯৪৭ চনত স্বাধীন হোৱাৰ পিছত দেশৰ অৱস্থা অত্যন্ত দুখীয়া আছিল। আজি ৭০ বছৰে মানুহৰ আৰ্থিক অৱস্থা ক্ৰমান্বয়ে ভাল হৈ আহিছে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে দুখীয়া মানুহৰ চকুলো মচি দি মুখত হাঁহি বিৰিঙাই স্বৰাজ, ৰামৰাজ্যত বসবাস কৰাৰ কথা চিন্তা কৰিছিল। পৰৱৰ্তী সময়ত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়া পঞ্চায়তী ৰাজ ইন্সটিটিউট আইন আনিলে,

**(Hon'ble Chairman Shri Wazed Ali Choudhury on the Chair)**

জিলা পৰ্য্যায়ত, গাওঁ পৰ্য্যায়ত আৰু ব্লক পৰ্য্যায়ত পঞ্চায়ত হ'ল। ত্ৰিণমূল পৰ্য্যায়ৰ সাধাৰণ মানুহে প্ৰশাসনত অংশীদাৰ হ'বলৈ সুবিধা পালে। প্ৰশাসনৰ বিকেন্দ্ৰীকৰণ হ'ল। পঞ্চায়তৰ বিষয়ে ইতিমধ্যে বহুত কথা কোৱা হৈছে। মই ৰিপিট কৰিব বিচৰা নাই। পঞ্চায়ত ব্যৱস্থা আমাৰ শক্তিশালী হ'ব লাগে, বিষয়া সকল, ডি.ডি.ও., সভাপতি, ইঞ্জিনিয়াৰ, সহায়ক থাকিব লাগে। আমাৰ প্ৰতিষ্ঠানবোৰ পঞ্চায়ত অফিচ, ডি.ডি.ও. অফিচ এইবোৰ ভাল হ'ব লাগে। বহু ঠাইত বিশেষকৈ মোৰ মানকাছাৰ সমষ্টিত মানকাছাৰ ব্লকৰ হেড কোৱাৰ্টাৰ জাংগাল তাত ৩০ বিঘাৰ ওপৰত মাটি আছে। ইয়াৰ আগতো প্ৰশ্ন আনিছিলো, দাবী জনাইছিলো তাত আজিলৈকে মাটি বেদখল হৈ আছে, তাত ওৱাল দিয়াৰ ব্যৱস্থা হোৱা নাই। বেলেগ ঠাইতো হয়তো এনেকুৱা অসুবিধা আছে। গতিকে এইক্ষেত্ৰত চৰকাৰে দৃষ্টি দিব লাগে। মই মই মাননীয় সভাপতি মহোদয়ৰ জৰিয়তে চৰকাৰক, বিভাগক অনুৰোধ জনাইছো জংঘলৰ নিচিনা অসমৰ বিভিন্ন ঠাইত মাটি বেদখল হৈ থকাতো বন্ধ কৰিব লাগে আৰু ওৱাল দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ মানুহে দুবেলা দুমুঠি খাবলৈ বিচাৰে, শান্তিত থাকিবলৈ বিচাৰে, থাকিবলৈ ঘৰ এটা লাগে, পানী খোৱাৰ ব্যৱস্থা থাকিব লাগে, চিকিৎসাৰ ব্যৱস্থা থাকিব লাগে, ল'ৰা-ছোৱালীক পঢ়া শুনাৰ ব্যৱস্থা দিব পাৰিব লাগে ইত্যাদি কথা বিলাক আৰু লগতে আবাল বৃদ্ধ-বনিতা সকলোৱে তেওঁলোকৰ প্ৰয়োজনীয় খিনি প্ৰাপ্য হিচাবে চৰকাৰৰ ফালৰ পৰা পাব লাগে। চৰকাৰী প্ৰশাসন, ডেপুটী কমিশ্যনাৰৰ পৰা আৰম্ভ কৰি তল লৈকে এই ব্যৱস্থা বিলাক সঠিক ভাৱে ল'ব লাগে। ইতিমধ্যে বিভিন্ন খেলিমেলিৰ কথা কোৱা হৈছেই। আমি মানো বা নামানো কথাটো কিন্তু সঁচা। আগতও হৈছে এতিয়াও হৈ আছে। ডি চি, এচ পি অফিচত সাধাৰণ মানুহ যাব নোৱাৰে তাত দালালেৰে ভৰ্ত্তি হৈ থাকে। সাধাৰণ মানুহে দিনতো ৰখি থাকি সোমাব নোৱাৰি গুছি যাব লগীয়া হয়। মই মাননীয় সভাপতি মহোদয়ৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো তেওঁলোকে ইয়াৰ বিহীত ব্যৱস্থা ল'ব লাগে। মাননীয় সভাপতি মহোদয়, সুন্দৰ সামাজিক ব্যৱস্থাৰ মাজেৰে, পৰিশ্ৰমৰ মাজেৰে আমাৰ অধিক সংখ্যক মানুহে জীৱনত দুমুঠি খোৱাৰ ব্যৱস্থা কৰে। দুখীয়া মানুহে বিচাৰে যে গোটেই দিনটো পৰিশ্ৰম কৰাৰ পিছত দুবেলা দুমুঠি খাই, ধৰ্ম্ম-কৰ্ম্ম কৰি ল'ৰা-ছোৱালীৰ লগত শান্তিত থাকিবৰ বাবে। সাধাৰণ ৰাইজ, চৰকাৰ আৰু চৰকাৰৰ বিপক্ষ সকলোৱে মিলি চৰকাৰখন গঠন হয়। তাৰ কাৰণে গোটেই প্ৰশাসনে এই লোকসকলৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্ৰীয় আৱাস যোজনাৰ নতুনকৈ নামটো পৰিৱৰ্ত্তন হোৱা 'প্ৰধান মন্ত্ৰী আৱাস যোজনা'ৰ অধীনত বহুতো লোকে এতিয়ালৈকে ঘৰ পোৱা নাই। যিসকলে ঘৰ পাইছে তেওঁলোকৰ কিছুমানৰ ঘৰৰ কাম আধৰুৱা হৈ আছে। কিছুমানে ১০-২০ বছৰ আগতে ঘৰবোৰ পাইছিল, সেইবোৰ বৰ্ত্তমান বেয়া হৈছে। সেইবোৰৰ

নতুনকৈ চাৰ্ভে কৰি মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। যিখিনি ঘৰৰ কাম আধৰুৱা হৈ আছে, সেইখিনি সম্পূৰ্ণ কৰি দিব লাগে। যিসকল লোকৰ মাটি নাই, তেওঁলোকৰ কাৰণে চৰকাৰী ঘৰ এলোট হৈছে। তেওঁলোকক মাটিৰ আবণ্টণ দিব লাগে। এইবাৰ বাজেটত এটা ভাল কথা আহিছে যে ভূমিহীন মানুহক চৰকাৰে ৫০ হাজাৰ টকাকৈ দিব। মই এইটো ভাল পাইছো আৰু এইটো অতি ভাল কাম হৈছে। যিসকল লোকৰ ঘৰ নাই তেওঁলোকক অতি সোনকালে ঘৰ দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। মাননীয় সভাপতি মহোদয়, মোৰ সমষ্টিত যোৱা প্ৰায় ১ বছৰৰ বেছি হৈছে পঞ্চায়ত নাছিল। মই জনা মতে মোৰ সমষ্টি মানকাছাৰৰ হাটশিঙিমাৰীত Head Quarter ৰ DC ওচৰত Central Scheme ৰ 14th Finance Commission ৰ MGNREGA ৰ কামবোৰৰ বাবে অহা পইচাসমূহ জমা হৈ আছে। তেওঁলোকে কিছুমান কাম কৰিছিল। এতিয়া যিহেতু পঞ্চায়ত আহিছে, তেওঁলোকৰ শপত গ্ৰহণ হৈছে। সেয়েহে তেওঁলোকে কামবোৰ ভালকৈ কৰিব লাগে আৰু Monitoring হ'ব লাগে। ইয়াত Vigilance Monitoring Committee ৰ মিটিং সমূহ বহুত দিনৰ পৰা হোৱা নাই। ইয়াৰ ব্যৱস্থা ল'ব লাগে। মই MGNREGA ৰ ক্ষেত্ৰত চৰকাৰৰ বদনাম কৰিব খুজা নাই। কিন্তু MGNREGA ৰ অধীনত অহা টকা বাজেটত ক্ৰমান্বয়ে কমি আহিছে। যোৱা দহ বছৰত পইচা প্ৰায় আধা হৈছে। MGNREGA ৰ কামসমূহ ভালকৈ কৰিব পাৰো যদি আমি গুৰুত্বসহকাৰে লৈ জন প্ৰতিনিধি , প্ৰশাসন আৰু সকলোৱে কাম কৰিবলৈ আগবাঢ়ি আহো। এনেকৈ কৰিলে বহুত কাম হ'ব। মই বিভাগীয় মন্ত্ৰীৰ এই ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বাজেটত আমি এটা প্ৰক্ৰিয়াৰ মাজেৰে কৰ্ত্তন প্ৰস্তাৱ আনিছো। এইবাৰৰ বাজেটত পঞ্চায়তত মঞ্জুৰী নং-৫৬ ত ২,৮১,৩৮৫ লাখ টকা আৰু গ্ৰাম উন্নয়ণৰ মঞ্জুৰী নং-৫৭ ত ৩,২১, ৮১৯ লাখ টকা দুয়োটা মিলাই মুঠতে ৬,০৩২ কোটি টকা দিয়া হৈছে। আমি আলোচনা কৰিবৰ বাবে কৰ্ত্তন প্ৰস্তাৱ আনো । এইটো এটা পৰম্পৰা। ইয়াৰ মাজেৰে দুটা কথা কোৱা হয়। মই ভাৱো এই টকাখিনি যথেষ্ট নহয়। যিহেতু ৮০ শতাংশ লোক গাওঁ অঞ্চলত থাকে, তেওঁলোকৰ সৰ্ব্বাঙ্গীন উন্নতি, বিপদ-আপদৰ বাবে যথেষ্ট টকাৰ দৰকাৰ। সেয়েহে এই টকাটো কমাব নালাগে। বঢ়াবহে লাগে। এইখিনি কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় সভাপতি মহোদয়, আজি আমাৰ গ্ৰামোন্নয়ণ আৰু পঞ্চয়ত বিভাগৰ দুটা গ্ৰ্যাণ্টৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে, সেই কৰ্ত্তন প্ৰস্তাৱত অংশ গ্ৰহণ কৰি আমাৰ সন্মানীয় সদস্য আব্দুল খালেক, মামুন ইমদাদুল হক চৌধুৰী , অশোক সিংহল, কমলাক্ষ্য দে পুৰকায়স্থ, গণেশ লিম্বু, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ৰবিৰাম নাৰ্জাৰী, কিশোৰ নাথ, সুজামউদ্দিন লস্কৰ, নন্দিতা দাস, গুৰুজ্যোতি দাস, আব্দুল কালাম ৰছিদ আলম আৰু ডাঃ মতিউৰ ৰহমান আদি সদস্য-সদস্যাসকলে তেওঁলোকৰ যি বহুমূলীয়া বিভিন্ন ধৰণৰ চিন্তা-চৰ্চ্চা বা এই বিভাগটোত আমি কেনেধৰণে আগবাঢ়িব পাৰো সেই সম্পৰ্কত তেওঁলোকে যি বক্তব্য দাঙি ধৰিছে এই বক্তব্যৰ পৰা তেখেতসকলৰ যি গঠনমূলক পৰামৰ্শ আছে, চৰকাৰে নিশ্চয় গ্ৰহণ কৰিব। প্ৰকৃততে যি পঞ্চায়তী ৰাজ ব্যৱস্থা এই ব্যৱস্থাটো এটা বৈপ্লৱিক পৰিৱৰ্ত্তন হ'ব লাগিব। এই বৈপ্লৱিক পৰিৱৰ্ত্তন হ'লে আমাৰ গ্ৰাম অঞ্চলৰ উন্নয়ণ হ'ব। পঞ্চায়তী ৰাজ আৰু মহামানৱ মহাত্মাগান্ধীৰ যি ৰাম ৰাজ্যৰ সপোন, এই পঞ্চায়তী ৰাজ ব্যৱস্থাৰ দ্বৰাই কৰিব পাৰিব। দুটা Institution অতি গুৰুত্বপূৰ্ণ। এটা হৈছে গাওঁবুঢ়া Institution. Ground level ত। এইটো এটা চৰকাৰী Institution হয়। আমাৰ চৰকাৰে এই Institution ৰ গাওঁবুঢ়াৰ টকা বঢ়াই দিছে, মোবাইল ফোন

দিছে আৰু বিভিন্ন ধৰাণে উন্নতকৰণ কৰিবৰ বাবে চেষ্টা কৰি আছে। এই Institution টোৰ আমি উন্নত কৰিবৰ চেষ্টা কৰিছো । সেইটোৰে এইটো প্ৰমাণ কৰিছে যে আমি এই নিম্ন পৰ্য্যায়ত ক্ষমতাৰ যিটো বিকেন্দ্ৰীকৰণ কৰিছো আৰু আমাৰ চৰকাৰখন পৰিৱৰ্ত্তনকামী চৰকাৰ হয়।¯ ইয়াত কোনো সন্দেহ নাই। সেইকাৰণে আমি এই Institution খনৰ সম্পূৰ্ণ উন্নতকৰণ কৰিব বিচাৰিছো। আনখন Institution হৈছে পঞ্চায়ত। সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে এই দুটা Institution আমি উন্নত কৰিব লাগিব। কাৰণ চৰকাৰৰ সকলো কথা Ground level ত এই দুটা Institution এ Implement কৰে । গাওঁবুঢ়াৰ অনুষ্ঠানটো আমাৰ পাহাৰীয়া অঞ্চল বিশেষকৈ কাৰ্বি আংলং আৰু নৰ্থ কাছাৰ পাহাৰীয়া অঞ্চলত অতি শক্তিশালী আৰু খুব সন্মান জনায়। মই এই কথাটো জানো কাৰণ আমাৰ মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্ৰী থকাৰ সময়ত এখন গাওঁবুঢ়া সন্মিলন তাত পাতিছিল। তেতিয়া আমাৰ মন্ত্ৰী আছিল ছামছেং হাংছে ডাঙৰীয়া। এদিন গাওঁবুঢ়াৰ ঘৰলৈ মই, মহন্ত ডাঙৰীয়া আৰু হাছেং ডাঙৰীয়া গৈছিলো। তেতিয়া তেওঁ আমাক তেওঁৰ ভায়েকৰ লগত চিনাকী কৰি দিছিল আৰু কৈছিল যে তেওঁৰ ভায়েক নগাওঁৰ ADC আছিল আৰু Resgin দি গাওঁবুঢ়া হৈছে। আমি তেতিয়া আচৰিত হৈছিলো। তেওঁ তেতিয়া কৈছিল যে গাওঁবুঢ়া এটা অতি ডাঙৰ পোষ্ট হয়। তাত গাওঁবুঢ়াৰ বহুত ডাঙৰ অনুষ্ঠান হয়।

ভীস্ম নাৰায়ণ সিং যেতিয়া ৰাজ্যপাল আছিল তেতিয়া মই জাতিংগা গাঁৱলৈ গৈছিলো। সেই গাওঁখনলৈ গাওঁবুঢ়া সকলে বৰ ধুনীয়াকৈ আহিছিল আৰু ৰাজ্যপাল ডাঙৰীয়াই গাওঁবুঢ়া এজনক উপহাৰ স্বৰূপে ৫০০ টকা দিছিল। তেতিয়া সেই গাওঁবুঢ়াজনে তেখেতৰ বক্তৃতাত কৈছিল - "Sir, Aap itna accha Governor ho, aisa Governor hum ne zindagi mein nehi dekha hai, mein bhagwan ko prarthana karta hoon ki next promotion me aap zaroor D.C. ban jaoge.''গতিকে গাওঁবোৰত গাওঁবুঢ়াটো বহুত ডাঙৰ institution আৰু এই institution টো develop কৰাৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। পঞ্চায়তৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে আটাইতকৈ দেখিবলৈ বেয়া, ভঙা, ৰং নোহোৱা, মামৰে ধৰা ঘৰটোৱেই পঞ্চায়তক দিয়া হয়। সেয়েহে, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, প্ৰত্যেক পঞ্চায়তেত Model হিচাপে এনেকুৱা এটা ঘৰ হ'ব লাগিব য'ত গাওঁ পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সভাপতি, সদস্য সকলৰ বাবে একোটাকৈ Room থাকিব, এটা Hall থাকিব য'ত টি.ভি.ৰ ব্যৱস্থা থাকিব আৰু তাত ইণ্টাৰনেটৰ ব্যৱস্থাও থাকিব। গতিকে, এনেধৰণৰ basic কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিছে।

অলপ আগতে, নন্দিতা দাস ডাঙৰীয়ানীয়ে কৈছে যে তৰুণ গগৈ চৰকাৰৰ দিনত তিনিবাৰকৈ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল কিন্তু তাৰ বিপৰীতে অগপৰ শাসনত দুবাৰকৈ চৰকাৰ আহিছিল যদিও তেওঁলোকে এবাৰো পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাছিল। এইবাৰ বিজেপি চৰকাৰেও পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব বিচৰা নাছিল, কিন্তু ৰাইজৰ হেঁচাতহে পাতিছে। কিন্তু অধ্যক্ষ মহোদয়, এই কথাটো সত্য নহয় কাৰণ এইবাৰ NRC ৰ কাম চলি থকাৰ বাবে পঞ্চায়ত নিৰ্বাচনৰ কাম পিছুৱাব লগা হৈছিল। NRC is being monitored by the Hon'ble Supreme Court of India. গতিকে প্ৰায়ভাগে NRC ৰ কামত ব্যস্ত থাকিব লগীয়া হৈছিল। NRCৰ খচৰা প্ৰস্তুত হোৱাৰ পিছতহে আমি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। NRCখন আমাৰ সকলোৰে priority আৰু এই অসমৰ ৰাইজৰ জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে একমাত্ৰ দলিল হ'ব। So, the priority was NRC. এনেবোৰ technical

কাৰণতে আমাৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাত দেৰি হৈছিল। আনহাতে অগপ চৰকাৰৰ শাসনত এবাৰো পঞ্চায়ত নিৰ্বাচন নপতাৰ কথা যি আপোনালোকে কৈ আছে, এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে, মহন্ত ডাঙৰীয়াৰ সময়ত law and order ৰ যি situation হৈছিল আৰু উগ্ৰপন্থীৰ বিৰুদ্ধে তেওঁ সেই সময়ত যি ব্যৱস্থা গ্ৰহণ কৰিছিল সেই ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেহে পৰৱৰ্তী কালত কংগ্ৰেছ চৰকাৰে শান্তিপূৰ্ণ ভাৱে তিনিবাৰকৈ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। এই কথাখিনি জ্যেষ্ঠ হিচাপে ৰাজেদ আলী ডাঙৰীয়াই অনুভৱ কৰিব আৰু আমাৰ ৰূপজ্যোতি কুৰ্মীয়ে এইবোৰ সিমান অনুভৱ নকৰিব কিন্তু তেখেতৰ মাতৃ যদি থাকিলহেঁতেন, তেন্তে তেখেতেও এই কথাবোৰ অনুভৱ কৰিলেহেঁতেন। এই কথাখিনি মই দৃঢ়তাৰে সদনৰ মজিয়াত আজি ক'লো।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** Please do not pass comments.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** অধ্যক্ষ ডাঙৰীয়া তেওঁলোকে কোৱাৰ বাবেহে মই তেওঁলোকক clear কৰি দিছো।

**মাননীয় অধ্যক্ষঃ** Do not pass comments. We are discussing panchayat. আপোনালোকে কিয় comment pass কৰি আছে?

(সদনত পুনৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

মন্ত্ৰী ডাঙৰীয়াই ক'বলৈ বিচৰা কথাখিনি শুনিবলৈ কাৰো ধৈৰ্য্য কিয় নাই? যি সময়ত কংগ্ৰেছৰ সন্মানীয় সদস্যা গৰাকীয়ে কেইটামান কথা কৈছিল মই সেই সময়ত সদনত নাছিলো। But, the Minister has the right to reply.

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** আমাৰ সন্মানীয় সদস্যা গৰাকীয়ে যেতিয়া বক্তব্য ৰাখি আছিল, তেন্তে সেই সময়ত শাসকীয় পক্ষৰ ফালৰ পৰা কিয় comment দি আছিল?

**মাননীয় অধ্যক্ষঃ** Rupjyoti Kurmi, I have asked them to keep quiet when I came here.

**মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** অধ্যক্ষক মহোদয়, মন্ত্ৰীয়ে উত্তৰ দিয়াৰ সময়ত বিৰোধীয়ে এনেধৰণে disturb দি থাকিব নালাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাকহে address কৰি কথাখিনি ক'ম I am not supposed to listen all these things now. তেওঁলোকে যেতিয়া তেওঁলোকৰ বক্তব্য ৰাখিছে I have noted the points down, I was listening carefully.

**মাননীয় অধ্যক্ষঃ** Please go to the next point.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** I am answering those questions only which were raised by them and addressing to you. আমাৰ মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়া যেতিয়াই Airport লৈ যায় তেতিয়াই তেওঁক Check in ৰ সময়ত পুলিচে ৰখাই দিয়ে কিয়নো তেওঁৰ বুকুত এটা গুলী আছে। তেওঁ সেই গুলীটো বুকুত লৈয়ে চলি আছে সেইটো উলিয়াব নোৱাৰিলে।

(সদনত আকৌ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** I think opposition must have patience to listen. Minis-

ter, next point.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মানবেন্দ্ৰ শৰ্মাৰ হত্যাৰ বাবে আমি দুখ প্ৰকাশ কৰিছো। কংগ্ৰেছ দলৰো যদি কাৰোবাক হত্যা হৈছে আমি তাতো দুখ প্ৰকাশ কৰিছো কাৰণ উগ্ৰপন্থীৰ বিৰুদ্ধে আমাৰ অবিৰত সংগ্ৰাম চলি থাকিব। উগ্ৰপন্থীৰ হাতত যিসকল নিহত হৈছে আমি সকলোকে সন্মান জনাইছো। কিন্তু তেতিয়াৰ কি পৰিস্থিতি আছিল অধ্যক্ষ মহোদয়, আপুনিও নিশ্চয় জানে কাৰণ সেই সময়ত আপুনিও শক্তি মন্ত্ৰী আছিল। গতিকে নিৰ্ব্বাচন আমি সেইকাৰণে পাতিব পৰা নাই।

অধ্যক্ষ ডাঙৰীয়া, মই আন এটা কথা ক'ব বিচাৰিছো যে পঞ্চায়তৰ যিবিলাক আচঁনি আছে সেইবিলাক খুৱেই ভাল। এই আচঁনি বিলাক বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে অকল পঞ্চায়তৰ BDO বা চৰকাৰে কৰিব নোৱাৰে। তাৰ কাৰণে ৰাইজৰ সহযোগ লাগিব। লগতে সকলো সন্মানীয় সদস্য সকলৰো সহযোগ লাগিব। মই মোৰ নিজৰ অভিজ্ঞতাৰ পৰা কওঁ যে আগতে পঞ্চায়ত বিলাকত Block Level Coordination Committee আছিল। তাত বিধায়কজনক সভাপতি হিচাপে ৰখা হৈছিল। সেই সময়ত RLEGP তেনেকুৱা ধৰণৰ কিছুমান আচঁনি আছিল। মই এইটো ১৯৮৫-৯০ ৰ কথা কৈ আছো। সেই concept ত যিসমূহ কাম হৈছিল সেইবিলাক যথেষ্ট ভাল আছিল। সেইসময়ত BDO সকল ACS cadre ৰ আছিল। কিন্তু আজিৰ দিনত তেওঁলোকে এইবিলাক এনেকুৱা এটা system ত হৈ গল যে এতিয়া BDO post টো দিলে Fishery Extension Officer ক। এইবিলাক এতিয়া Extension Officer আৰু গাওঁ পঞ্চায়তৰ সভাপতি কেন্দ্ৰীক। যোৱা ১৫ বছৰত আগৰ চৰকাৰে এই ব্যৱস্থা কৰি দিলে। সেইকাৰণে এই Block বিলাকৰ অৱস্থা বেয়া হৈছে। ---হুলস্থুল------তাৰকাৰণে আমি দায়ী নহয়। ------হুলস্থুল ---------আজি বিধানসভাত যিসকল BJP, AGP আৰু AIUDF দলৰ সন্মানীয় বিধায়ক সকল আছে, সকলোৰে অভিজ্ঞতা আছে যে আমি কিমান IAY ঘৰ পালো, pension কিমান পালো, কেনেদৰে তেওঁলোকে আমাক target কৰি লৈছিল, কেনেকৈ তেওঁলোকে এই Socio economic sensus বনাইছিল। অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি আচৰিত মানিব যাৰ টিঙৰ ঘৰ আছে তেওঁ IAY ৰ ঘৰ পায়, যাৰ চাকৰি আছে তেওঁলোকে IAY ৰ ঘৰ পায়। -----হুলস্থুল ------

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ দিনত কিছুমান পাব নলগীয়া মানুহে IAY ৰ ঘৰ পাইছিলে এইটো সচাঁ হ'ব পাৰে। যিহেতু আপুনি কামটো কৰা নাই, আপুনি কেলেই বেয়া পাইছে?

**শ্ৰী পদ্ম হাজৰিকা (চতীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে এইখন সদনত আগতে আমি বহু তথ্যভিত্তিক আভিযোগ দাঙি ধৰিছো। বিৰোধী দলে তথ্যসহকাৰে যিবিলাক অভিযোগ দাঙি ধৰিব সেই বিলাক আমাৰ চৰকাৰে তদন্ত কৰি ব্যৱস্থা ল'ব। খালেক ডাঙৰীয়াও ইয়াত আছে। দুখনকৈ বাছ থকা মানুহক ঘৰ দিয়াৰ তথ্য আমি Vigillence Committee ৰ report ৰ সহায়ত দাঙি ধৰিছিলো। আজি আপোনালোকে কব পাৰিবনে যে আপোনালোকৰ দিনত টিঙৰ ঘৰ থকা বা চাকৰি থকা মানুহে ঘৰ পোৱা নাই বুলি ? গতিকে এইবিলাক কথা বেয়া পাব নালাগে। সদনখন ভালদৰে চলাই নিবলৈ সকলোকে সহযোগীতা কৰাৰ বাবে মই অনুৰোধ জনাওঁ।

**শ্ৰী আব্দুল খালেক (জনীয়া ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পূৰ্ব্বৰ চৰকাৰৰ দিনত যদি কিবা ভুল হৈছিলে সেইবিলাক বৰ্তমান চৰকাৰে তদন্ত কৰি ব্যৱস্থা লব লাগে।

**মাননীয় অধ্যক্ষ ঃ** পৰম্পৰা কি? আমাক ধৈৰ্য্য লাগে, tolerance লাগে আৰু mutual respect to each other লাগে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰৰ দিনত ২৭ লাখ ২৭ হাজাৰ ঘৰৰ ভিতৰত এতিয়ালৈকে ৪ লাখ ঘৰৰ আবন্টন বাতিল কৰা হৈছে কাৰণ কিছুমান মানুহৰ নামেই নাই, কিছুমান ধনী আৰু আন কিছুমান চাকৰিয়াল। এনেকুৱা ধৰণৰ মানুহ কিছুমানৰ নাম বাতিল কৰা হৈছে। সেইকাৰণে আমি এতিয়া এই ব্যৱস্থাটো লৈছো আৰু অধ্যক্ষ ডাঙৰীয়া, এটা কথা মই আপোনাক জনাব পাই সুখী হম যে যোৱা চৰকাৰৰ দিনত প্ৰায় ৩ লাখ ঘৰ আধৰুৱা হৈ ৰৈছিল। -মাননীয় অধ্যক্ষ ডাঙৰীয়া ৩ লাখ ঘৰ আধৰুৱা হৈ থাকি যোৱাৰ পাছত তেওঁলোকে কৈছে যে ৰাজনীতি কৰিলে , ৰাজনীতি যদি কৰি কথা কলোহেতেন, ৩ লাখ ঘৰ আমি গুৰুত্ব নিদিলোহেতেন। কিন্তু অধ্যক্ষ ডাঙৰীয়া যোৱা ২ বছৰত আমি সেই ৩ লাখ ঘৰ সম্পুৰ্ন কৰিছো মাত্ৰ ২৫ হাজাৰ ঘৰ বাকী আছে এতিয়াও। ইমান উদাৰতা এই সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ আছে, ৩ লাখ ঘৰ আধৰুৱা হৈ পৰি থাকিল। ৭৫০০০ টকাৰ ৪০,০০০ পালে। বাকীখিনি কি হ'ল ভগৱানে জানে। পইচা নাই। সেই কাৰণে ভাৰত চৰকাৰে কলে, যে তেওঁলোকৰ যিখিনি ঘৰৰ Allotment আমি দিলো, সেই Allotment দিয়া ঘৰখিনি তাৰে 50% immediately complete কৰা আৰু 50% complete কৰাৰ পাছত তোমালোকক আমি বাকী পইচাখিনি দিম। গতিকে আজি আমাৰ বিৰোধী পক্ষৰ পৰা কৈছে যে আমাক ভাল দৃষ্টিৰে ছোৱা নাই। অধ্যক্ষ ডাঙৰীয়া ভাল দৃষ্টিৰে কেন্দ্ৰই নাচাই বুলি কলে বহুত অন্যায় হব। বিধান সভাত সেইটো ৰেকৰ্ড হবই নালাগে। প্ৰথমবাৰৰ বাবে অসমত বিনা আন্দোলনে নুমুলীগড় ৰিফাইনেৰীত ৯ মিলিয়ন টনলৈ শোধন ক্ষমতা বাঢ়িল। ২২৫০০ কোটি টকা investment হল। বিনা আন্দোলনে আজি ৬ খন দলং ইয়াতে হ'ল। আজি পঞ্চায়তৰ ক্ষেত্ৰত যিমান টকা কেন্দ্ৰৰ পৰা আহিছে। গতিকে এই কথাবিলাক আজি তেওঁলোকে শুনা ভাল আৰু বিধান সভাত ৰেকৰ্ড থকা ভাল। কাৰণ কিয়, অসমে যদি পঞ্চায়তৰাজ ব্যৱস্থা দেখিছে, অসমৰ উন্নতি যদি অসমে দেখিছে, আৰু আজি কৈছে কি ? এ জি পি ৰ দিনত এইটো হ'ল, আৰু মই আজি আপোনাক জনাওঁ অধ্যক্ষ ডাঙৰীয়া দেৱেগৌড়া যেতিয়া প্ৰধান মন্ত্ৰী আছিল, মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী আছিল। অসমৰ আটাইকেইটা ব্লকেই তেতিয়া ইয়েচ ব্লকত তেতিয়াই ৰূপান্তৰিত হৈছিল। তাৰ আগত কিন্তু ইয়েচ ব্লক অসমত ২ নে ৩ টা আছিল। Employment Exchange Block. যাৰ কাৰনে আজি NREGA আহিছে, এই বিলাক ব্লকত। গতিকে আমাৰ যিবিলাক তথ্য আছে, এই তথ্য বিলাক যদি আমি লৈ কথা কওঁ তেতিয়া হলে বিধান সভাত আমাৰ কাৰনে সুবিধা হয়। আমিও কবলৈ ভাল আৰু তেখেত সকলেও কবলৈ ভাল। তাৰ পাছত প্ৰথম বাৰৰ বাবে যে উন্নতি অসমৰ হব পাৰে, স্বাধীনতাৰ আগত যিখন দেশ ধনী দেশ আছিল যাৰ capital income highest আছিল আৰু সেইখন দেশ স্বাধীনতাৰ পাছত আমি যে ভাৰতবৰ্ষৰ তললৈকে গুছি গলো দেশখন। কাৰ কাৰণে গলো, কিয় গলো আমি সকলোৱেই বুজি পাওঁ। আৰু কাৰো নাম উল্লেখ নকৰো। গতিকে সেই খন দেশ আগবাঢ়ি যাবলৈ প্ৰথমবাৰৰ বাবে অসমত উন্নয়নৰ এটা পোহৰ দেখুৱালে অটল বিহাৰী বাছপেয়ী ডাঙৰীয়াই। এই আজি যে গাৱত ৰাস্তা ঘাট হৈছে। আজি যে নেশ্যনেল হাইৱে, ফ'ৰ লাইন হৈছে। আজি সদিয়াত দলং হৈছে, আজি বগীবিলত দলং হৈছে এইবিলাক কথা । অধ্যক্ষ ডাঙৰীয়া আমি চিন্তা কৰিছো ভাৰতবৰ্ষৰ ৫ খন ধনী ৰাজ্যৰ ভিতৰত অসমখনো হ'ব, তাতে গ্ৰাম্যাঞ্চলটোও থাকিব। গ্ৰাম্যাঞ্চলৰ উন্নতি নহলে অসমৰ উন্নতি নহয়। তাত চহৰ অঞ্চলো থাকিব গ্ৰাম্যাঞ্চলো থাকিব সামগ্ৰীক বিকাশেৰে অসমৰ ৫ খন ধনী ৰাজ্যৰ ভিতৰত এখন ধনী ৰাজ্য কৰাৰ কাৰণে আমাৰ মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই স্পষ্টভাৱে ৰুড মেপ বনাই লৈছে, এইটো কি বেয়া কথা হৈছে নেকি ? যদি আমি আজি গ্ৰাম্যাঞ্চলৰ কথা কওঁ , আজি

যিটো এনৰেগাৰ কথা , এনৰেগাৰ কথাটো তেওঁলোকে কৈ আছে, আমাৰ এনৰেগাত মাননীয় সদস্য এজনে কৈছে যে আমাৰ পে মেন্টখিনি হোৱা নাই গোৱালপাৰা জিলাত। পেমেন্ট কিয় হোৱা নাই মই এইটো শুধিলো আমাৰ বিভাগক, পেমেন্ট এই কাৰনে হোৱা নাই কাৰন চেংশ্যন নোহোৱাকৈ কামবোৰ কৰি দিছে। কিন্তু মই এইটো নকও যে আপোনালোকে চেংশ্যন নোহোৱাকে কাম বিলাক কৰাৰ পাছত পেমেন্ট যে নহব তেনেকুৱা নহয়। আমি পেমেন্টটো কৰি দিম। ভৱিষ্যতে কিন্তু চেংশ্যন নোহোৱাকে কাম কৰিব নালাগে। গতিকে তেখেতে যে কৈ আছে আমাৰ পেমেন্ট হোৱা নাই তাৰে Main salient features টো হ'ল তেওঁৰ সমষ্টিত পেমেন্টটো হোৱা নাই। সেইটো হ'লsalient features. গোটেই বক্তব্যটোৰ। পেমেন্ট কিয় হোৱা নাই কাৰন চেংশ্যন নোহোৱাকৈ কাম কৰিছে আৰু কাম কৰোতে কি হৈছে তাৰ এটা অনুপাত থাকিব লাগে যে ৬০ শতাংশ মানুহক দিব লাগিব employment আৰু ৪০ শতাংশ material ত যাব। কিছুমান কামত এনেকুৱা হৈ গৈছে যে ৭০ শতাংশ material ত গুছি গৈছে আৰু Labour wage ত গৈছে ৩০ শতাংশ। আইন খন মতে Injustice. গতিকে এইটো কথা। মই আৰু এটা কথা কওঁ কৈছে যে আমাৰ কংগ্ৰেছৰ দিনত বহুত উন্নত হৈছিল আৰু আমাৰ দিনত কমি আহিল। মই এটা কথা কওঁ MGNREGA । ২০১৫-১৬ ত MGNREGA ৰ পইচা অসমলৈ আহিছিল ৬২০ কোটি। আমাৰ চৰকাৰ যেতিয়া আহিল ২০১৬-১৭ চনত MGNREGA ৰ পইচা আহিল ১৫০১.৭৪ কোটি অধ্যক্ষ ডাঙৰীয়া এটা বছৰতে। তাৰ পিছৰ বছৰত পইচা আহিল ১৫৩০.৭৪ কোটি। জানুৱাৰীলৈকে আমি খৰচ কৰিলো ৯৮৯.১২ কোটি এতিয়া কংগ্ৰেছৰ দিনত কিমান আছিল, ৬২০ কোটি, পিছৰ বছৰত ১৫৩০.৮৪ কোটি। তাতে এখেত সকলে কৈ আছে আমাৰ দিনত বহুত হ'ল। একো হোৱা নাই। সামুকীয়া গতিৰে এওঁলোক গৈ আছিল। গতিকে অধ্যক্ষ ডাঙৰীয়া Financial year wise যদি কওঁ ২০১৫-১৬ ত ৬২০ কোটি। ২০১৬-১৭ ১৫০১.৭৪ কোটি। তাৰ পাছত ২০১৮-১৯ এতিয়ালৈকে আমি খৰচ কৰিছো জানুৱাৰীলৈকে ৯৮৯.১২ কোটি। এতিয়া মাৰ্চ বাকী আছে। গতিকে ১৫ শ কোটি পাৰ হৈ যাব। গতিকে যিটো সময়ত আমাৰ NREGA ত অধ্যক্ষ ডাঙৰীয়া মই এটা ৰেফাৰেঞ্চ দিব লাগিব। আপুনি মোক এইটো অনুমতি দিব লাগিব। When I was leader of the opposition sitting in that chair মই তেতিয়া এটা প্ৰশ্ন কৰিছিলো পদ্ম হাজৰিকাহত আছিলে আমাৰ লগত। বৃন্দাৱন দা, মহন্ত ডাঙৰীয়া ফণীভূষণ চৌধুৰী ডাঙৰীয়া আছিল । তেওঁ এটা প্ৰশ্ন কৰিছিল আৰু ফণীভূষণ চেংধুৰী ডাঙৰীয়াৰ নিশ্চয় এই খিনি কথা মনত থাকিব। কাৰন সেইটো লৈ আমি আলোচনা কৰিছিলো। আমি কৈছিলো যে NREGA ৰ কিমান মানুহে, জবকাৰ্ড থকা কিমান মানুহে ১০০ দিনৰ কাম পালে ? এটা প্ৰশ্ন কৰিছিলো। অধ্যক্ষ ডাঙৰীয়া বিধান সভাৰ ৰেৰ্কডত থাকিব তেতিয়া কৈছিল যে ২ শতাংশ মানুহে পাইছে। তেনেহলে অধ্যক্ষ ডাঙৰীয়া ২ শতাংশ মানুহে যদি কাম পাইছিল সেই সময়ত ২০০৮-৯ চনত। কিন্তু আজি অধ্যক্ষ ডাঙৰীয়া আজিৰ দিনটোত মই আপোনাক জনাও যে আমাৰ Active জৱকাৰ্ড আছে কিমান ? ২৭ লাখ ২৭ হাজাৰ Active জৱকাৰ্ড আৰু তাৰে ভিতৰত হাউচহ'ল্ড কিমান হাউচহ'ল্ডে পালে, অধ্যক্ষ ডাঙৰীয়া ১৩ লাখ ৩২ হাজাৰে পালে। more than 50% ক'ত ২% আৰু ক'ত more than 50% । মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকে এইবিলাক কথা নুশুনে। মই জানো যে এইবোৰ কথা ক'লে তেওঁলোকে disturb দিব বুলি জানো। তেওঁলোকে উন্নয়ন কৰাৰ চিন্তা নকৰে। সেইকাৰণে উন্নয়নৰ কথা শুনিলে তেখেতসকলে বেয়া পায়। উন্নয়ন খণ্ড সমূহৰ Extention Officer আৰু পঞ্চায়তৰ সচিবৰ কথা ক'লে তেখেতসকলে ভাল পাব। কাৰণ তেখেতসকলৰ

ৰাজটো এইটো। (সদনত হুলস্থুল)

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** ক্ৰমশ....মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আপোনাকে কৈ আছো। মই কওঁ যে, শুনক, সেইটো যদি ক'ব লাগে নহয়, দুই কোটি চাকৰিৰ কথা কব লাগে।

**মাননীয় অধ্যক্ষ ঃ** কিয় আপোনালোকে কথাখিনি বেলেগ পিনে লৈ গৈছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মহন্ত ডাঙৰীয়া, ফনীভূষণ চৌধুৰী আৰু বৃন্দাবন গোস্বামী ইয়াৰ সাক্ষী আছে। ১৯৯১ চনত ১০ লাখ আপোনালোকে নিযুক্তি দিছিলে, অসমত। যেতিয়া বিধান সভাত সুধিলো যে ১০ লাখ ক'ত ক'ত দিছে কওঁকচোন ? অ' নহয়, ব্লকত যিবিলাকে কাম কৰিছে, সেইবিলাকক নিযুক্তি দিছে। আপোনালোকে কোৱা কথা সেইবিলাক। আমি কোৱা কথা নহয়। আপোনালোকে সেইবিলাক কথা নকব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

(সদনত বাদ-বিবাদ)

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** গতিকে যি নহওক অধ্যক্ষ ডাঙৰীয়া, আগৰ চৰকাৰৰ দিনত আই এ ৱাইৰ যিটো ঘৰ আছিল। কৈ আছো শুনক। মোক ধন্যবাদ জনাব নালাগে। কাৰণ সেইসময়ত এই স্কীমটো আছিল কাৰণে কৈছো। তাৰপাছত পি এম এ ৱাই হৈ গ'ল। গতিকে ৰাইজৰ পইচাৰে ঘৰটো বনাইছে, ইন্দিৰা আৱাস যোজনা, ৰাইজৰ পইচাৰে ইকেক্ট্ৰিচিটি দিছে ৰাজীৱ গান্ধী বৈদ্যুতিক আঁচনি, ৰাইজৰ পইচাৰে জৱহৰলাল নেহৰু আৰবান মিছন...( হুলস্থুল)...... গতিকে অধ্যক্ষ মহোদয়, কিন্তু যিজন গোপীনাথ বৰদলৈয়ে অসমক বচালে, তেখেত কংগ্ৰেছৰেই আছিল। গোপীনাথ বৰদলৈক কিন্তু আজি পাহৰি গ'ল। ভাৰতৰত্ন দিলে এচ কে সিন্‌হা আৰু মহন্ত ডাঙৰীয়াই। আপোনালোকে পাহৰিলে। (..হুলস্থূল)......

**মাননীয় অধ্যক্ষ ঃ** বাহিৰা কথা কোনো কথা ৰেৰ্কডত নাথাকে।

(হুলস্থূল)......

**মাননীয় অধ্যক্ষ ঃ** Please please. আপোনালোকে অদৰকাৰীকৈ লাগি আছে। Let him to reply first. তাৰপাছত আপোনালোকে ক'ব। You will get the chance to reply. তেখেতে কথাতো শেষ কৰি লওঁক। আপোনালোকে নোট কৰি ৰাখক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমি আই এ ৱাই ঘৰৰ কথা কওঁতে খালেক ডাঙৰীয়াই কোৱা কাৰণে মই কৈছো, তেতিয়া আই এ ৱাই ঘৰ দিছিল নহয়, ৰাজীৱ গান্ধী বৈদুত্যিক আঁচনি এইখিনি দিছিল।

**মাননীয় অধ্যক্ষ ঃ** You will get an opportunity to speak. Why you are shouting. Please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** গতিকে অধ্যক্ষ ডাঙৰীয়া, যি নহওঁক মই এতিয়া আই এ ৱাইৰ ঘৰলৈকে আহিছো। আই এ ৱাইৰ কংগ্ৰেছৰ দিনত ১ লাখ ২৩ হাজাৰ ১৯৩ ঘৰ ২০১৫-১৬, ত পাইছিল , শেষৰ চনটোৰেই কৈছো।

**শ্ৰী নুৰুল হুদা, ঃ** ৬ লাখ ৪২ হাজাৰ ৫১৩ ঘৰ হৈছিল, ৫ বছৰত।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক এবছৰৰহে কথা কৈছে। Please carry on. You have a right to reply. আপোনালোকক দিম নহয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই একবছৰহে

কৈছো। তাতে আই এ ৱাই ঘৰৰ কাৰণে পইচা কিমান আহিছিল জানেনে অধ্যক্ষ ডাঙৰীয়া, তাতে ৮.৩২ কোটি, ২০১৫-১৬ ত। কিন্তু ২০১৬-১৭ চনত ঘৰ কিমান হ'ল- ২ লাখ ১৯ হাজাৰ ৬৯১ টা ধুনীয়া ঘৰ। এতিয়া যিবিলাক পি এম এ ৱাইৰ ঘৰ ইমান ধুনীয়া, চাব লাগিব। সেইবিলাকে পৰিৱৰ্তন। এই পৰিৱৰ্তনৰ কাৰণে আমি, আমাৰ চৰকাৰ। অধ্যক্ষ ডাঙৰীয়া, আগৰ চনটোত পইচা আছিল ৮ শ কোটি ৩২ লাখ। কিন্তু আমাৰ এই ২০১৬-১৭ ত পইচা কিমান আহিল অধ্যক্ষ ডাঙৰীয়া- আগত আছিল ৮ শ কোটি ৩২ লাখ। কিন্তু আমাৰ চৰকাৰৰ দিনত কিমান আহিল-২ হাজাৰ ৮ শ ৫৫.৯৮ কোটি। ক'ত ৮ শ কোটি ৩২ লাখ আৰু ক'ত ২ হাজাৰ ৮ শ ৫৫.৯৮ কোটি। অধ্যক্ষ ডাঙৰীয়া কওঁকচোন এইটো পৰিৱৰ্তন হোৱা নাই নে? এইটো এটা ডাঙৰ massive আন্দোলন হোৱা নাই নে এইটো কথা। তাতে আকৌ পইচা-পাতি দিব নালাগে আমাৰ দিনত। Free. কিয় আগত চেক্‌ৰ মাধ্যমত হৈছিল। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আজি আমাৰ চেক্‌ৰ মাধ্যমত নহয়। আজিকালি আমাৰ যিবিলাকে ঘৰ পাব ১ লাখ ৩০ হাজাৰ টকা তেওঁৰ একাউণ্টত জমা হৈ যাব। তেওঁ নিজে ঘৰ বনাব আৰু তেওঁ সেই ঘৰ নিজে বনাই তেওঁ জবকাৰ্ডত পাব ১৮ হাজাৰ টকা, শৌচালয়ৰ কাৰণে পাব ১২ হাজাৰ টকা। Ultimately গৈ ঘৰ পোৱা এজন মানুহে কিমান পায়- ১ লাখ ৬০ হাজাৰ টকা। এইটো কিমান massive পৰিৱৰ্তন। আগতে ৭৫ হাজাৰ, এতিয়া ১ লাখ ৬০ হাজাৰ। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া যি নহওঁক এইটো হ'ল হিচাপ। ২০১৬-১৭ চনৰ এই হিচাপ দিলো। এতিয়া এই বছৰৰ আমাৰ টাৰগেট আছে ২ লাখ ৫৯ হাজাৰ। তাৰে ভিতৰত আমি ইতিমধ্যে সম্পূৰ্ণ কৰিলো ১ লাখ ৩৮ হাজাৰ ঘৰ এতিয়ালৈকে। গতিকে এটা ডাঙৰ concern, বিভাগটো এটা ডাঙৰ revolution হৈছে। এই revolution টো আপুনি কোনো নুই কৰিব নোৱাৰে। মইয়ো সমষ্টি এটা প্ৰতিনিধিত্ব কৰো। যিবিলাক গাওঁত সৰু সৰু ৰাস্তা পি ডব্লিউ ডি য়ে ল'ব নোৱাৰে, আজি সেইবিলাক ব্লক ৰাস্তালৈ ৰূপান্তৰিত হৈছে। Because of Panchayat Department হৈছে আৰু আমাৰ মাননীয় সদস্য সকলেও নিজৰ সমষ্টিটো কৰিছে। এইটো নহয় যে আমাৰ শাসক দলৰ সদস্য সকলে এই কথাখিনি কৰিছে। গতিকে এই কথাতো আজি মানিব লাগিব। মই এটা কওঁ যে, আমাৰ ইয়াতে যিমান স্কীম আছে, মাননীয় বিধায়ক শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা প্ৰশ্ন আনছিল তাত গোটেই স্কীম বিলাক দিয়া আছে, মই স্কীমবিলাকৰ ডিটেইলচ ক'ব নাযাও। কিন্তু SIRD বুলি এটা প্ৰতিষ্ঠান এইটো ১৯৯৬ চনত হৈছিল। SIRD প্ৰতিষ্ঠান হওঁতে, তেতিয়া খীতিন কলিতা নামৰ এজন ডাইৰেক্টৰ আছিল। খানাপাৰাত অফিচটো। তেতিয়াই প্ৰথম এই যিটো Skill Development Project, তেতিয়া তেওঁলোকে লৈছিল। মাছৰুম কেনেকৈ ৰুব লাগে, গাহৰী, গৰু কেনেকৈ পালন কৰিব লাগে, কেনেকৈ গাওঁৰ অঞ্চলৰ উন্নয়ন হ'ব লাগে, কেনেকৈ ক্লাছতাৰ কৰি গাওঁবোৰ আনিব লাগে। গতিকে সেই আচঁনি তেতিয়া হৈছিল। আজি সেইটো এতিয়া, National Rural Livelihood Mission বুলি এটা Mission আহিছিল। ১৯৯৬ চনতে এই কথাখিনি আৰম্ভ SIRD ৰ পৰা। আজিও আমাৰ বৰঝাৰৰ কাষত এই SIRD ত ধুনীয়া ট্ৰেইনিং চলি আছে, আমাৰ মাননীয় সদস্য সকলে কেতিয়াবা চাব। যে USHA Company ৰ লগত tie-up কৰি তেওঁলোকে চিলাই মেচিন তাত বহুৱাই দি টেইনিং দি মানুহখিনিক বেংকৰ লগত tie-up কৰি দি ল'ৰা-ছোৱালী বিলাকক কেনেকৈ employ কৰিছে, এই SIRD ত সেইটো কতিয়াবা আপোনালোকে চাব। এইবিলাক পৰিৰ্ৱতন। গতিকে এই পৰিৰ্ৱতন বিলাক আপোনালোকে চালেহে ভাল পাব। গতিকে এইটো এটা কথা।

দ্বিতীয় কথাটো হ'ল- সকলোৱে কৈছে যে আমাৰ বিষয়াৰ অভাৱ আছে। আমি নিয়োগ

বিজ্ঞাপন দিছো। পৰীক্ষা হৈছে। ক্ৰমান্বয়ে সকলোখিনি হ'ব। বহুতে কৈছে আমাৰ চেক্ৰেটেৰী কম হৈছে। এন আৰ চিৰ বাবে আমাৰ চেক্ৰেটেৰী অলপ কম হৈছিল। নোহোৱা নহয়। কিন্তু অনতিপলমে আমি সেই চেক্ৰেটেৰীসকলক ঘূৰাই লৈ আহিম। এগৰাকী সদস্যই কৈছে যে আমাৰ ঘৰ নাই। মাটি নাই সেই কাৰণে ঘৰ হোৱা নাই । এতিয়া ভি জি আৰ- পি জি আৰ - চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰ আছে। আমাৰ মোমিন ডাঙৰীয়াই কথাটো ভালকৈ কৈছে। তেখেতে বুজি পাইছে, তেখেতক মই ধন্যবাদ দিছো। তেখেতে কৈছে যাৰ মাটি নাই কোনোবাই ভি জি আৰু- পি জি আৰত বহি আছে লেগুলেছৰ ক্ষেত্ৰত এইবাৰ আমাৰ চৰকাৰে কৈছে- সেই মানুহজনক ঘৰো দিম - ১ লাখ ৬০ হাজাৰ টকাৰ আৰু ৫০ হাজাৰ টকা মাটি কিনাৰ বাবেও দিম। লেঠা শেষ- এইটোৱে পৰিবৰ্ত্তন। এই কথাটো আপোনালোকক জনালো। এতিয়া কথা হ'ল- কোনোবা কোনোবাই কৈছে- আমাৰ কাম হোৱা নাই- মই কও যে একুৰেল ডিষ্ট্ৰিবিউশ্যন হৈছে আমাৰ দিনত। আমাৰ পদ্ম হাজৰিকা ডাঙৰীয়াই এই সদনত উত্থাপন কৰিছিল যে জিলা অনুযায়ী আমাৰ এম জি এন ৰেগাৰ কিমান টকাৰ ডিষ্ট্ৰিবিউশ্যনত কাম পাইছে। পদ্ম হাজৰিকাৰ জিলাখনে ৪ কোটি টকা পাইছিল। নগাওঁৰ পৰা ৰুৰেল ডেভল'পমেন্ট মিনিষ্টাৰ পাইছিলনেকি মই নাজানো কিন্তু নগাও জিলাখনে পালে পুঁজি ৬৭ কোটি টকা । কিন্তু শোণিতপুৰ আৰু নগাওঁ জিলা সমান ডাঙৰ।

**শ্ৰীৰাজেদ আলি চৌধুৰী ঃ** নগাওঁ জিলা ডাঙৰ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ঠিক আছে যদি ডাঙৰ- ৮ কোটি পাব লাগিছিল, ৬৭ কোটি টকা কেনেকৈ পালে ? আপোনালোকে যদি কয়- ময়ো ক'ম। মই কাকো কোৱা নাই , যিটো ফেক্ট সেইটোহে কৈছো। যিটো আমাৰ পদ্ম হাজৰিকা ডাঙৰীয়াই এই সদনত চিঞৰি চিঞৰি কৈছিল।- সমষ্টিত কাম নহ'লে তেওঁ কি নক'ব নেকি? আজি ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াৰ সমষ্টিত কাম নহ'লে আপোনালোকে নিচিঞৰিব নেকি ? এতিয়া আপোনালোকে চিঞৰা নাই কিয় ? কাৰণ আপোনালোকৰ সমষ্টিত কাম হৈ আছে সেই কাৰণেহে চিঞৰা নাই। (সদনত হাঁহিৰ ৰোল উঠে) এতিয়া মই মিনিষ্টাৰ হ'লেও মোৰ সমষ্টিত যিমান টকা পাইছো আপোনালোকেও সিমানে পাইছে?

**শ্ৰীআব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, আমি সমানে পোৱা নাই। ইমান অসত্য কথা ক'লে কেনেকৈ হ'ব?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** বেছি পাইছে - বেছি , কোনোবাই কোনোবাই বেছি পাইছে। তথ্য লাগে যদি মই দিব পাৰো।

**শ্ৰীৰাজেদ আলি চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, এচ ও পি ডিত তিনিটা সমষ্টি। গোলকগঞ্জ-বিলাসীপাৰা পূৰ, তাতে ৩০ কোটিকৈ টকা এলটমেন্ট দিছে। বাকী আমাৰ ৩ টা সমষ্টিত এক পইচাও দিয়া নাই। গতিকে এনেকৈ নক'ব। এই কথা নক'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** টকা পোৱা নাই যদি যাব। গতিকে অধ্যক্ষ মহোদয়, যোৱাবাৰ পি ডব্লিউ ডি ডিপাৰ্টমেন্টৰ এলটমেন্ট সকলোকে সমানে দিছিল। দিয়া নাছিল জানো? গতিকে এইটো এটা কথা, দ্বিতীয় আৰু এটা কথা ক'ব বিচাৰিছো আজিৰ দিনটোত । লাজেই লাগে ক'বলৈ- মই নিজে অপজিশ্যনৰ এম এল এ থাকোতে বৃদ্ধ পেনশ্যন এটাও দিব নোৱাৰিলো মোৰ সমষ্টিৰ ৰাইজক।

**শ্ৰীকমলেখ্য দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয় বৃদ্ধ পেনশ্যন বিধায়কে দিয়ে নেকি ? পঞ্চায়তে দিব- যিবিলাক চিষ্টেম আছে -চিষ্টেমত যাব। আমাৰ কাম আমি আইন বনাই থাকিম। ইমপ্লিমেন্ট কৰাৰ দায়িত্ব বিষয়াসকলৰ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো কথা কৈছে- তেখেত আইন প্ৰণেতা হৈয়ে সীমাবদ্ধ হৈ থাকিবনে তেখেতে সমষ্টিৰো কাম কৰিব। গতিকে অধ্যক্ষ ডাঙৰীয়া বেছি নীতিৰ কথা ক'ব নালাগে, নীতি থাকিলেহে নীতিৰ কথা ক'ব লাগে। গতিকে নীতি নোহোৱা মানুহে নীতিৰ কথা ক'ব নাপায়। অধ্যক্ষ মহোদয় সেই সময়ত আমি অপজিশ্যনৰ কংগ্ৰেছী মানুহে এটাও বৃদ্ধ পেনশ্যন নাপালো।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ৰাজেদ আলি ডাঙৰীয়া - বিধায়ক গৰাকীয়ে যদি সমষ্টিৰ মানুহক বৃদ্ধ পেনশ্যন পোৱাৰ বাবে ৰিকোমেণ্ড কৰে আৰু তাৰ পিছত যদি নাপায় স্বাভাৱিতে বিধায়কজনৰ দুখ লাগিব। তেখেতসকলে অপজিশ্যনত থাকোতে বৃদ্ধ পেনশ্যন নাপালে সেয়েহে মনত দুখ আছে। তেখেতসকলে অলপ কৈছে - গতিকে আপোনালোকে স্পৰ্টিঙলী অলপ সোধক।

(তীব্ৰ বাদ-বিবাদ)

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আজিৰ দিনটোত কংগ্ৰেছেই হওক- বি জে পিয়েই হওক বি পি এফয়ে হওক এ জি পিয়ে হওক, নিউট্ৰেল মানুহে হওক, ধনীয়ে হওঁক দুখীয়াই হওঁক সকলোৰে বৃদ্ধ পেনশ্যন পাব। সেই কাৰণে আজি মাননীয় সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াক অসমৰ মানুহে ধন্যবাদ দিছে।

(বাদ- বিবাদ)

**মাননীয় অধ্যক্ষ ঃ** আপুনি দৰকাৰী কথাখিনিহে কওক।

গতিকে অধ্যক্ষ ডাঙৰীয়া আমি বৃদ্ধ পেনশ্যনৰ ব্যৱস্থা কৰিছো। তাৰ ওপৰিও যিবিলাক শাৰীৰিকভাবে অক্ষম আছে তেওলোকৰ সকলোৰে প্ৰতিমাহে নিজৰ একাউন্টত ১০০০ টকা সোমাই যাব। এইবিলাক কি কম ডাঙৰ কথা নেকি? আগৰ চৰকাৰৰ সময়ত এচ এচ ডিবিলাক যেতিয়া পইচা ল'ব যায় তেতিয়া যন্ত্ৰণা কিমান হৈছিল সুধিবছোন তেওলোকক। পইছা কিমান খৰছ হৈছিল? আজিৰ দিনটোত কনকলতা মহিলা সবলীকৰণ আঁচনিত আজি ২৫ হাজাৰকৈ ফাৰ্ষ্ট ইনষ্টলমেন্ট ১ লাখ ২৬ হাজাৰ মহিলা গোটক দিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিয়লি ২.০০ বাজিছে-মই আমাৰ যিখন ৰুল বুক আছে সেইমতে আগবাঢ়িম।মই ৫৬ আৰু ৫৭ কে ধৰি বাকী যিকেইটা মঞ্জুৰী আছে গিলোটিনত দি ল'ম প্ৰথমে।

প্ৰথমে ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮ সদনত অনুমোদন আগবঢ়ালো। যি সকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে মঞ্জুৰী।

**শ্ৰী আমিনুল ইছলাম ঃ** চাৰ, চৰকাৰী পক্ষই এইটো উত্থাপন কৰাই নাই।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট, নাই নাই উত্থাপনৰ কথা অহাই নাই, Bulletin ত দি আছো এতিয়া। মই এতিয়া মঞ্জুৰী একৰ পৰা ৭৮ লৈকে গোটেইকেইটা মই গৃহীত হ'ল বুলি ঘোষণা কৰিছো। এতিয়া অসম বিনিয়োজন নং ২ বিধেয়ক ২০১৯, এই বিধেয়ক খন মই সদনত প্ৰথমে বিতাৰণ কৰিবলৈ অনুৰোধ কৰিছো। ("অসম বিনিয়োজন নং ২ বিধেয়ক ২০১৯" এই বিধেয়ক খন সদনত বিতৰণ কৰা হয়) এতিয়া মই অসম বিনিয়োজন নং ২ বিধেয়ক ২০১৯ উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিবলৈ বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক প্ৰস্তাৱ কৰিবলৈ অনুৰোধ

কৰিলো।

**শ্রী ফনিভূষণ চৌধুৰী ঃ** চাৰ, ইয়াত উদ্দেশ্যমূলক কাৰণ বুলি বিবৃতি যিটো দিয়া আছে তাতে প্রধান সচিবৰ চহীটো নাই, এইটো থাকিব লাগিছিল। মই সেই কথাটোহে উল্লেখ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** থাকিব লাগিব। ঠিক আছে, Practically এইটো আমি চাই লম। মন্ত্রী ডাঙৰীয়া আপুনি কওঁক, প্রস্তাৱটোৰ অনুমতি বিচাৰক।

**শ্রীচন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** অধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাৰ সচিবৰ চহীটোৰ কাৰণে, ইয়াতে কিন্তু আমাৰ মন্ত্রীৰ চহী আছে। সেইটো এনেই যিহেতু আমাৰ এইটো থাকেই, এইটো Generally মন্ত্রীৰে চহী থাকে, নিয়ম মতে। প্রধান সচিব টো ইয়াত কিয় লিখিছে মই নাজানো , অসম বিধান সভাৰ।

**শ্রী ফনিভূষণ চৌধুৰী ঃ** চাৰ, অসম বিধান সভাৰ প্রধান সচিবৰ ষ্টামটো মাৰিলে কিয়?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্রী আব্দুল খালেক ঃ** নহয় চাৰ, আগে পিছে কিন্তু অসম বিধান সভাৰ প্রধান সচিবৰ চহী থাকে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো Debateত যাব নালাগে। চহীটো, যিহেতু আমাৰ এটা কপি আকৌ Circulate কৰি দিব, ডেকা ডাঙৰীয়া Secretary, please go and sign one copy so that can be circulated agina, but. মন্ত্রী ডাঙৰীয়া আপুনি আৰম্ভ কৰক। Actually আমি Correct থকাটো ভাল।

**শ্রীচন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** মন্ত্রীৰ চহী আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্রী চহী থাকিলেও ডেকাৰ চহী থকাটো Compulsory. সেইকাৰণে এইটো আকৌ আমি Circulate কৰাই দিম। Technically you should be corrected, Please.

**শ্রীচন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** Reason of cause এখন আইনত।

**মাননীয় অধ্যক্ষ ঃ** Please, Patowary আপুনি প্রত্যেকটোৰ উত্তৰ দিব নালাগে।

**শ্রীচন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** অধ্যক্ষ ডাঙৰীয়া, অসম বিনিয়োজন নং ২ বিধেয়ক, ২০১৯ সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? (কিছু সময় ৰৈ)। এতিয়া অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৯ চনৰ ২০ ফেব্রুৱাৰী তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো - Under the provision of Article 207(I) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No. II) Bill, 2019 in the Assam Legislative Assembly. এতিয়া মাননীয় বিত্ত মন্ত্রীয়ে বিধেয়ক খন সদনত উত্থাপন কৰিব।

**শ্রীচন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় বিত্ত মন্ত্রীৰ হৈ অসম বিনিয়োজন নং ২ বিধেয়ক, ২০১৯ মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্রধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**মাননীয় প্রধান সচিব ঃ** বিধেয়খনৰ শিৰোনামা 'অসম বিনিয়োজন নং ২ বিধেয়ক, ২০১৯'।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পুনৰ এটা ৰাজ্যপাল মহোদয়ে বাণী পঠিয়াইছে বিধেয়ক খন সদনত

বিবেচনাৰ বাবে। মই বাণীটো পঢ়ি দিছো - Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend that the Assam Appropriation (No.II) Bill, 2019 be taken into consideration by the Assam Legislative Assembly. এতিয়া বিত্ত মন্ত্ৰীয়ে বিধেয়ক খন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিনিয়োজন নং ২ বিধেয়ক, ২০১৯' বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত প্ৰতিনীধি যিবিলাক আছে সিহতৰ Remuneration যিটো আছিল ৪৫ মাহ পোৱা নাই। সেই ক্ষেত্ৰত চৰকাৰে এটা সঠিক পদক্ষেপ ল'ব লাগে যাতে সিহতে সিহতৰ।

**শ্ৰী ফনিভূষণ চৌধুৰী ঃ** চাৰ, চাৰ, পঞ্চায়তৰ বিষয়ে আলোচনা হৈছে, আকৌ এই বিষয়ৰ ওপৰত কব নোৱাৰে, নিয়ম মতে।

**মাননীয় অধ্যক্ষ ঃ** কি কৈছে কথাটো, আপোনাৰ কথাটো কি?

**শ্ৰী ফনিভূষণ চৌধুৰী ঃ** চাৰ, যিবোৰ মঞ্জুৰীৰ বিষয়ে Cut Motionৰ জৰিয়তে আমি আলোচনা কৰিছো সেই বিলাক মঞ্জুৰী, সেইবিলাক বিভাগৰ কথা আমি ইয়াত Appropriation Bill ৰ কথা পাতিব নোৱাৰো। তেখেতে পঞ্চায়তৰ কথা কৈ আছে নহয়।

**মাননীয় অধ্যক্ষ ঃ** নাই, দুটা কথা, আলোচনা কৰা, মই আপোনাৰ কথাটো নুই কৰা নাই। আলোচনা কৰা আৰু Bulletin ত দিয়াৰ আগতে পাচ হোৱাটো দুটা Different Issue. আমি Bulletin ত দিলো, বস্তুটো আমি তেওঁলোকক সেই সময় দিব নোৱাৰিলো, কাৰণ আমি প্ৰস্তাৱকেইটা Withdraw কৰাৰ কাৰণে আমি যিটো তেখেত সকলক সময় দিব লাগিছিল আমি সময় দিব নোৱাৰিলো সেই কাৰণে Bulletin ত গ'ল। আৰু আপুনি কোৱাটো হয়।

**শ্ৰী ফনিভূষণ চৌধুৰী ঃ** চাৰ, আলোচনা হৈছে। পঞ্চায়তৰ আলোচনা হৈছে মন্ত্ৰীয়ে Reply দিছে।

**মাননীয় অধ্যক্ষ ঃ** আলোচনা হৈছে, কিন্তু আলোচনাটো আধৰুৱা হ'ল। নাই নাই, আপুনি সেইটো নকৰিব, Please.

**শ্ৰী আব্দুল খালেক ঃ** Hon'ble Speaker Sir, I was the mover of the last cut motion. এই session ৰ তিনিওটা cut motion ৰ মই mover আছিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, কোৱাৰ সুযোগটো দিব, দুয়োটা বিষয় আমি ধুনীয়াকৈ আলোচনা কৰিছো আৰু Withdraw কৰিছো। পিছৰটোত সেইটো পৰম্পৰা নৰ'লগৈ বাৰু।

**মাননীয় অধ্যক্ষ ঃ** পৰম্পৰা নহয়। The time does not leave me. পৰম্পৰা শব্দটো নক'ব।

**শ্ৰী আব্দুল খালেক ঃ** মই আপোনাক দোষাৰোপ কৰা নাই চাৰ। Rural development ৰ দুটা ৫৬ আৰু ৫৭ মঞ্জুৰী, ইয়াৰ কাৰণে আমি Withdraw কৰোতে কিছুমান কথা কব পাৰিলোহেতেন, নোৱাৰিলো। পাৰিতোষিকৰ কথাটো মোৰ বন্ধু কমলাক্ষ দে পুৰকায়স্থই কব খুজিছিল সেইটো আছেই অধ্যক্ষ মহোদয়, আৰু অন্য ৰাজ্যৰ যিবোৰ ভাল System আছে সেইবোৰ আমি

Incorporate কৰিব লাগে। যাতে চাৰ, পশ্চিমবঙ্গত পঞ্চায়তত খাদ্য কৰ্মদক্ষ্য, PWD কৰ্মদক্ষ্য, বিভিন্ন ধৰণৰ কৰ্মদক্ষ্য আছে। আমাৰ আছে Standing Committee বিলাক আছে। গতিকে আমি সেই কথাটো প্ৰৰ্য্যায়ক্ৰমে চিন্তা কৰিব পাৰো নেকি ? আৰু চাৰ, চৰকাৰে কেইবাটাও নতুন ব্লক কৰিছিল, তাৰে নাজিৰা সমষ্টিৰ চুকাফা ব্লক, মোৰ সমষ্টিৰ জনিয়া ব্লক আৰু ফকিৰগঞ্জ ব্লক, আমাৰ ভাটনাপাইটিৰ ব্লক এই ব্লক সমূহ কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰিব, তাৰ এটা নিৰ্দেশনা থাকিলে ভাল হয় আৰু এই যে চৰকাৰে Vigilance & Monitoring Committee বিলাক কৰি দিয়ে, এই কমিটি বিলাকৰ কেতিয়াবা বছৰৰ পৰা বছৰলৈকে মিটিং নহয় আজি মোৰে এটা প্ৰশ্নৰ উত্তৰত চৰকাৰে কৈছে, তাপাত্তৰি ব্লকত আজিলৈকে এখনো মিটিং হোৱা নাইতাৰ ফলত Rural Development ত মন্ত্ৰী মহোদয়ে আগৰ চৰকাৰক দোষীছে, সেইটো বেলেগ কথা, একে দোষত অভিযুক্ত হব বৰ্তমান চৰকাৰ যদি মিটিং বিলাক ভালকৈ নহয়, সেই কাৰণে মিটিং বিলাক হব লাগে, কেতিয়াবা যদি Major সমষ্টিৰ বিধায়ক জনে সময় দিব নোৱাৰে, Alternative Mechanism কৰি যদি Vigilance & Monitoring Committee মিটিং বিলাক যদি regular কৰিব পাৰে মই ভাবো ভাল হব। তদুপৰি পঞ্চায়তৰ Secretary post ৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যিটো কৈছে NRC ৰ কাৰণে সেইটো নহয় Secretary post বহুত খালী হৈ আছে, সেই পদ বিলাক পুৰণ কৰিব লাগে। শিক্ষা বিভাগত আমি এই সদনত অপ্ৰাদেশিকৃত বিদ্যালয় প্ৰাদেশিকৰণৰ বিষয়টো বহুত কথা পাতিলো কিন্তু এতিয়ালৈকে সঠিক দিশত এটা যাব পৰা নাই। আজি আমি আগৰ আইনখন পাছ কৰা ১বছৰ হৈ গল, কিন্তু আজিলৈকে এখনো নতুন আইন পাছ কৰা নাই। এখনো অপ্ৰাদেশিকৃত বিদ্যালয় প্ৰাদেশিকৰণ নহল। মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে আগৰ যিখন আইন সেইখন বাতিল কৰোতে নিৰ্দেশনা দিছিলে, যে ৬ মাহৰ ভিতৰতে preferably নতুন আইনখন কাৰ্য্যকৰী কৰিব লাগে। সেই মহামান্য উচ্চ ন্যায়লয়ৰ নিৰ্দেশনাটো বাস্তৱত ৰূপায়িত নহল। গতিকে সেই আইনখন যাতে নতুন বিত্তীয় বৰ্ষত কাৰ্য্যকৰী কৰা হয়, পুৰণা বিত্তীয় বৰ্ষত যদি সম্ভৱ হয় ভাল কথা নহ'লে অন্ততঃত নতুন বিত্তীয় বৰ্ষত আৰু token হিচাপে যদি এইটো বিত্তীয় বৰ্ষত কিছু বিদ্যালয়, কিছু কলেজ যদি লব পাৰে token হিচাপত মই ভাবো চৰকাৰখনৰ Credibility বাঢ়িব। মই বিৰোধিতাৰ কাৰণে বিৰোধ কৰা নাইসেই বিষয়টো চাবলৈ অনুৰোধ কৰিছো। Soil Conservation ত যথেষ্ট পৰিমাণৰ টকা বাজেটত ধাৰ্য্য হৈছে, কিন্তু Soil Conservation ৰ কাম বিলাক আমি দেখা নাপাওঁ আগতেও আলোচনা কৰিছো, কেনেকৈ ৰূপায়িত হয়। P&RD ক আমি যিমানে সমলোচনা নকৰো P&RD ৰ কামটো দেখা যাব, কিন্তু তুলনামূলকভাবে Water Resource & P&RD ৰ কথা পাতো P&RD বৰ্তমান চৰকাৰ আগৰ চৰকাৰ সময়ত সমলোচনা হয় যদিও, P&RD ৰ কাম বিলাক বাস্তৱত ৰূপায়িত হয়। বহু সময়ত Water Resource ৰ কাম বিলাক খৰালী বাৰিষাৰ প্ৰতিযোগিতাত উৰি যায় ঠিক একেদৰে Soil Conservation ৰ কাম বিলাক দেখা নাপাও কিন্তু টকা গৈ থাকে। গতিকে আগন্তুক বিত্তীয় বৰ্ষত যাতে Soil Conservation ৰ কামবোৰ দেখা যায় সেই বিষয়টো আপোনাৰ জৰিয়তে মই বিত্ত মন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**শ্ৰী কমলাক্ষ দে পুৰুকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত প্ৰতিনিধি যি সকল আছে তেখেত সকলৰ বেতন ১১ মাহ পাইছিল, তাৰ পিছত ৪৫ মাহ হৈ গল এতিয়া লৈ পোৱা নাই। সেইটো কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে তেখেত সকলৰ কাৰণে কিবা এটা positive step লৈ pending যিখিনি বেতন আছে সেইখিনি যাতে মুকলি

কৰি দিব পাৰে লগতে অধ্যক্ষ মহোদয়, কথাটো হৈছে কি মেঘালয়ৰ MLA ৰ Fund ২ কোটি , পডুচেৰিত ২ কোটি, সৰু সৰু ৰাজ্য তেখেত সকলে যদি ২ কোটি কৈ পায় আমি ৫ কোটি কৈ পাব লাগে। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাৰ বিধায়কৰ Fund টো যাতে বঢ়াব পাৰি অন্ততো ২ বা ৩ কোটি কৰিব পাৰি। সৌভাগ্য আঁচনিৰ অধীনত প্ৰত্যকটো ঘৰে ঘৰে বিদ্যুৎ দিব লাগে ভালে কথা, প্ৰত্যকে বিদ্যুৎ ত পাওঁক আমিও বিচাৰো। এতিয়াও বহুতখিনি গাওঁত বিদ্যুৎ যোৱা নাই, সেই কাৰণে সমষ্টি ভিত্তিত কমিটি আগৰে পৰা আছিল আৰু এই বিষয়ে Monitoring হৈছিল তাৰ ফলত সময়মতে কাম বিলাক হৈছিল, কিন্তু আজি বহু দিন এই কাম বিলাক সময় মতে কৰিব পৰা নাই। সেই কাৰণে সমষ্টি ভিত্তিত যাতে মাননীয় সদস্য সকলৰ নেতৃত্বত কমিটি বনাই এটা নিৰ্দিষ্ট সময় সীমা বান্ধি দিব লাগে, আৰু এই সময়সীমাটো ২ মাহ অৰ্থাৎ মাৰ্চ মাহৰ ভিতৰত কামখিনি সমাপ্ত হয়, তাৰ এটা ব্যৱস্থা কৰিব লাগে। তেতিয়াহে আমি ঘৰে ঘৰে বিদ্যুৎৰ সংযোগ দিব পাৰিম। এতিয়া নাম মাত্ৰ হে ঘৰে ঘৰে বিদ্যুৎ কিন্তু বাস্তৱত ঘৰে ঘৰে মানুহে বিদ্যুৎ পোৱা নাই, সেইটো মোৰ সমষ্টিয়ে হওঁক বা অইন সমষ্টিয়ে হওঁক। গতিকে এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰো অলপ কবলগীয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, দীঘলীয়া নকৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো Power Electricityএইটো সম্পৰ্কত যোৱাবাৰ আমাক ৩০ টাকৈ Transformer দিয়া কথা আছিল। আমি ৩০ টাকৈ Transformer যোৱাবাৰ নাপালো গতিকে আমাৰ বিধায়ক বিলাকক যি ৩০টা Transformer দিয়াৰ কথা আছিল, এই ব্যৱস্থাটো যাতে এই বছৰৰ বাজট ধৰা হৈছে, তাতে ৩০ টা Transformer দিয়া হয় আৰু তাৰ লগে লগে আমাৰ চৰকাৰৰ পৰা আমাৰ ইয়াতে পাহাৰ অঞ্চলত বিশেষকৈ মোৰ পশ্চিম গুৱাহাটীৰ পাহাৰ অঞ্চলত এতিয়া বহুতৰ Connection লগায় থৈছে কিন্তু Connection টো বন্ধ কৰি ৰাখিছে, আৰু যাৰ ফলত বহু area ত সেইটো বন বিভাগৰ নহয়, ৰাজহ বিভাগৰো বহুতে মানে Connection টো এতিয়ালৈকে ASEB দিয়া নাই। গতিকে মই ভাবো যে পাহাৰ অঞ্চলত আমাৰ যি বিলাকত মানুহে আজি ৩০/৪০ বছৰ ধৰি বসতি কৰি আছে, সেই বিলাক ঠাইত যাতে আমাৰ Electricity ৰ Connection টো দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে । তাৰোপৰি শিক্ষাৰ বিষয়ে কৈছে, যে আমাৰ এইবাৰ LP, ME, High School & Junior College হওঁক তেনেকুৱা এই স্কুল কলেজ বিলাকৰ বহুত অপ্ৰাদেশীকৃত আমাৰ কলেজ, বিদ্যালয় আছে। সেই বিলাকো যাতে এই বছৰৰ যিখিনি পুঁজি ধাৰ্য্য কৰা হৈছে তাতে যাতে প্ৰাদেশীকৰণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা যাতে গ্ৰহণ কৰে। তাৰোপৰি Information and Technology ত এইটোত এইবাৰ বিশেষভাবে কেন্দ্ৰীয় চৰকাৰেও গুৰুত্ব দিছে। গতিকে আমাৰ চৰকাৰে Information and Technology এতিয়া যিটো আমাৰ Science City এখন হৈ আছে সোণাপুৰত সেইটোৰো কাম লেহেমীয়া গতিত চলিছে সেইটো যাতে এইবাৰ চায়। দ্বিতীয়তে, Amtron বুলি এটা চৰকাৰৰ Agency আছে, এতিয়া দেখা যায় যে বহু কাম Electronic ৰ বা তেনেকুৱা ধৰণৰ মাধ্যমৰ কিছুমান কাম ইতিমধ্যে বেচৰকাৰক দিয়া হয়, যিহেতু Amtron এটা চৰকাৰী agency গতিকে মই ভাবো যে এই কাম বিলাক বে-চৰকাৰীক নিদি Amtron ৰ

জৰিয়তে যাতে কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। তাৰোপৰি আমাৰ যিখিনি অসম তথা অসমৰ বাহিৰত বিশেষকৈ চিলং, দিল্লী বা কলকাতা, এতিয়া নতুনকৈ মাদ্ৰাছত অসম ভৱন কৰিছে। চিলংত দেখিছো যে সুন্দৰ অসম ভৱন কৰাৰ পিছতো তাতে যি ধৰণে কৰ্মচাৰী নিযুক্তি কৰিব লাগে তেনেধৰণৰ কৰ্মচাৰী নোহোৱাৰ কাৰণে, যি ধৰণে অসম ভৱনটো ভালকৈ চাফ-চিকুণ কৰি ৰাখিব লাগে সেইটো কিন্তু এতিয়া কৰ্মচাৰীৰ অভাৱত কৰিব পৰা নাই। কেই দিনমান আগত দিল্লীত গৈছিলো, দিল্লীৰ অসম ভৱনত কিমান টকাৰ আৱন্টন দিয়ে মই নেজানো কিন্তু যি ধৰণে তাৰ অসম ভৱনৰ বিচনাৰ কোভাৰ বা বিচনাৰ কাপোৰ চাব অৱস্থা নাই আৰু বিশেষকৈ TV News টো চাবৰ কাৰণেও এই recharge ৰ পইচাও দিব পৰা নাই। মই চাৰি দিন থাকিলো চাৰি দিন কলো তাৰে মানে re-charge ৰ পইচা নিদিয়াৰ কাৰণে মই বাতৰিটো চাব নোৱাৰিলো। গতিকে এই অৱস্থাটো হৈছে, গতিকে বিশেষভাবে এই বিলাক ক্ষেত্ৰত যদিও সুক্ষ্ম সুক্ষ্ম কথা হলেও এই বিলাকত যাতে চৰকাৰে বিশেষকৈ মন্ত্ৰী মহোদয়ে দৃষ্টি গোচৰ ৰাখে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ আজি মই মানা কৰিছিলো বিল আনিলে দুটা পইন্টত আমি কথা কব পাৰো মাজত নোৱাৰো, এই সম্পৰ্কত কিবা যদি আপোনাৰ পৰামৰ্শ আছে মানে Budgeted amount ৰ ওপৰত কিবা যদি পৰামৰ্শ আছে, সেইটো কথা কব বেলেগ কথা নহয়।

**শ্ৰী আজিজ আহমেদ খান (দক্ষিণ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আগতে যে আমি ব্লক ôÃþ ßÁ¹Ë ÷Lä÷ËýÂÃßÁ৩ বাৰ কৈছিলো কিন্তু এতিয়ালৈ একো উত্তৰ দিয়া নাই।

**মাননীয় অধ্যক্ষ** ঃ Minister please, you should look into it. তাত ব্লক এটা লাগে। এতিয়া মাননীয় সদস্য শ্ৰী ৰপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ-** অধ্যক্ষ মহোদয়, মই চৰকাৰক দৃষ্টি গোচৰ কৰিব বিচাৰো যে আমাৰ সমষ্টিত খেলৰ সামগ্ৰী এবাৰেই পালো । তাৰ পিচত খেলৰ সামগ্ৰী পোৱা নাই । বাজেটত টকাও ধৰা হৈছে । আমি বিচাৰো যে খেলৰ সামগ্ৰী সমূহ আমাক দিয়াৰ ব্যৱস্থা কৰিব লাগে । দ্বিতীয়তে, চৰকাৰী এনেকুৱা বহু অনুষ্ঠান-প্ৰতিষ্ঠান আছে সাধাৰণতে বিধান সভাত আলোচনা কৰা নহয় । তাৰে এটা আছে " বহুমূখী সমবায় লিমিটেড"। প্ৰধান অফিচ যোৰহাটত আছে । আপুনিও তাৰ অংশীদাৰ হয় । তেওঁলোকৰ বহুত কৰ্মচাৰীয়ে আশা পুহি আছে যে, তেওঁলোকৰ উন্নয়ন হ'ব , বাজেটৰ পৰা তেওঁলোকে এটা অংশ পাব। তেওঁলোকৰ কাৰণে সেই শিতানত ধন ধাৰ্য্যও হৈছে । আমি আশা ৰাখিম ক'অপাৰেচন বিভাগৰ অধীনত " বহুমূখী সমবায় লিমিটেড" চায় । তৃতীয়তে, ক'ব বিচাৰিছো আমাৰ যি 'পাঁচগ্ৰাম' আৰু 'নগাও' পেপাৰ মিল বন্ধ হৈ গ'ল তাৰ ফলত এজন কৰ্মচাৰীয়ে 'আত্মহত্যা'ও কৰিলে । বৰ্তমান ৰাজ্যচৰকাৰে , যিহেতু তেওঁলোক অসমৰে লোক এটা উপযুক্ত মাননী দি হ'লেও যাতে এনেকুৱা ধৰণৰ ঘটনা পুনৰাবৃত্তি নহয় তাৰবাবে গুৰুত্ব দিব লাগে আৰু বাজেটৰ পৰা এটা অংশ তাত দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মোৰ শেষ বিষয়টো হ'ল অধ্যক্ষ মহোদয়, আজি অসম নাগালেণ্ডৰ সীমামূৰীয়া অঞ্চলত নগাই কিমান মাটি দখল কৰিছে এই তথ্যটো পালো। মই এই তথ্যটো পাই ফৰেষ্ট ডিপাৰ্টমেণ্ট, পুলিচ, ব'ৰ্ডাৰ মিনিষ্ট্ৰিৰ থকা মানুহৰ লগত কথা পাতিছো। সকলোৰে এটা কথা কৈছে যে মেন'পাৱাৰ যদি বঢ়োৱা নাযায় ফৰেষ্ট বিভাগতেই হওঁক বা বি ,অ ,পি মানুহবোৰৰ ক্ষেত্ৰতে হওঁক এই সমস্যাৰ সমাধান ন'হব । কিন্তু বাজেট স্পিচ'ত ব'ৰ্ডাৰ শিতানত অৰ্থাৎ আন্তঃৰাজ্যিক ব'ৰ্ডাৰত বিশেষ গুৰুত্ব দিয়া আমি নেদেখিলো । এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰিব লাগে বুলি আমি আহ্বান জনাইছো লগতে আমাৰ চাহ বাগিচাৰ শ্ৰমিকৰ যিটো দৰমহা বা নিৰিখ, ২০১৪ চনত যি ৰাজনৈতিক দলৰ চৰকাৰ কেন্দ্ৰত আছে আৰু বৰ্তমানৰ

ৰাজ্য চৰকাৰখনে কথা দিছিল যে ৩৫০ টকালৈ বৃদ্ধি কৰিম বুলি, কিন্তু আজিলৈকে বৃদ্ধি কৰা ন'হল । এই ক্ষেত্ৰত গুৰুত্ব দিব লাগে বুলি আমি অনুৰোধ জনাইছো । কমন'ৱেলথ গেম্‌চত বৰপেটাৰ নিচাদ আলীয়ে গ'ল্ড মেডেল পাইছিল । নিচাদ আলীৰ দৰে অসমৰ কাৰাটে আৰু অন্য খেলটো পদক পাইছে তেওঁলোককো সন্মান জনাব লাগে ।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য আব্দুল খালেক ডাঙৰীয়া, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, পুৰকায়স্থ ডাঙৰীয়া আৰু এ, আই,ইউ,এফ ৰ ফালৰ পৰা কেইটামান কথা দৃষ্টি গোচৰ কৰিছে । মাননীয় সদস্য সকলে উত্থাপন কৰা সকলো কথা আমাৰ দৃষ্টি গোচৰ হৈছে । শিক্ষা বিভাগৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যোৱা কালি উত্তৰ দিছিলেই । তথাপিও আপোনালোকৰ ক'নচাৰ্ন খিনি শিক্ষা বিভাগক নিশ্চয় অৱগত কৰি কথা পাতিম । ব্লকৰ কথাটো হৈছে - সেই সময়ত যিবিলাক ব্লক ষ্টাফ অবিহনে দিক্কাৰ হয় । গতিকে ষ্টাফ চেংশ্যন নোহোৱাকৈ ব্লক কৰিব নোৱাৰি । কিন্তু আপোনালোকে কৈ আছে আপোনালোকৰ ব্লকবোৰ ষ্টাফ আছে । গতিকে এই ব্লকবোৰ পি, এণ্ড,আৰ,ডি বিভাগেপৰীক্ষা কৰিব আৰু সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব । অধ্যক্ষ মহোদয়, খেলৰ সামগ্ৰীৰ ক্ষেত্ৰত মই ক্ৰীড়া বিভাগক কম যে আগত যেনে ধৰণে Sport's tools দিয়া হৈছিল, এইবাৰো যাতে দিয়াৰ ব্যৱস্থা কৰে । তাৰোপৰি অধ্যক্ষ মহোদয়, ব'ৰ্ডাৰৰ কথা কোৱা হৈছে । নগালেণ্ড ব'ৰ্ডাৰৰ যিখিনি কথা সেইখিনি পুলিচ বিভাগত ভালকৈ আলোচনা হৈছে । গতিকে Border protection ৰ ক্ষেত্ৰত বিহীত ব্যৱস্থা লোৱা হ'ব বুলি মই কলো । পঞ্চায়তৰ কৰ্মচাৰীৰ দৰমহাৰ কথা যিটো কোৱা হৈছে, সেইটো আচলতে বাজেটৰ কাৰণে অসুবিধা হৈছে । গতিকে এইটো আমি পঞ্চায়ত বিভাগক কম ভালকৈ বিবেচনা কৰাৰ বাবে । এটা instalment তেওঁলোকক দিছে আৰু বাকী দিবলৈ আছে । খালেক ডাঙৰীয়াই পঞ্চায়তৰ ইনকাম কিমান বুলি এটা প্ৰশ্ন কৰিছিলে । আমাৰ পঞ্চায়ত বিলাকৰ income ৰ পৰা দৰমহাখিনি দিব পৰা নাযায় ।

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ -** অধ্যক্ষ মহোদয়, সেইখিনি আছিল প্ৰশ্ন উত্তৰৰ ।

(সদনত হুলস্থুলৰ সৃষ্টি হয় )

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ-** অধ্যক্ষ ডাঙৰীয়া, এইখিনি কথা কি কৰিব পাৰি বিবেচনা কৰি চাম । আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি মই note কৰি লৈছো । ইয়াৰ লগত জড়িত সংশ্লিষ্ট বিভাগত কথাখিনি জনাম । এম, এল, এ ফাণ্ডৰ ক্ষেত্ৰটো আপোনালোকৰ concern টো মই জনাম । মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যৰ এই গোটেইখিনি প্ৰশ্নৰ উত্তৰ দিলো আৰু এটা কথা কওঁ, এইটো একেবাৰে positive এইটোত কাৰো দ্বিমত নাই । আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ওপৰত ভালকৈ আলোচনা হ'ল । যিহেতু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ লগত আলোচনা হ'ল, সেইকাৰণে মই এটা কথা কওঁ গোলাম ওচমানী ডাঙৰীয়া Public Accounts Committee ৰ সভাপতি আছিল । সেই সমিতিৰ মই এজন সদস্য আছিলো আৰু সদস্য থকাৰ কাৰণে এবাৰ তেখেতৰ অনুৰোধক্ৰমে তেখেতৰ নেতৃত্বত সুন্দৰবনৰ ৰাংগাবেলীয়া Island ত গৈছিলো । এই Island টো পশ্চিমবংগৰসুন্দৰ বনত আছে । সেইকাৰণে মই আমাৰ মাননীয় সদস্য সকলক অনুৰোধ কৰিছো, আপোনালোকৰ সমিতিয়ে কেতিয়াবা ৰাংগাবেলীয়া Island ত visit কৰিব লাগে । তাত থকা ৭৫ খন গাওঁত পঞ্চায়তে কেনেধৰণে কাম কৰিছে, আপোনালোকে চাব । তাতে আপোনালোকে

পঞ্চায়তীৰাজ বাস্তৱত দেখা পাব । মই সকলো মাননীয় সদস্যৰ উত্তৰ দিলো আৰু মই ইয়াতে সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো । প্ৰস্তাৱটো হৈছে - ' অসম বিনিয়োজন বিধেয়ক, ২০১৯ বিবেচনাৰ বাবে লোৱা হওঁক । যিসকল মাননীয়,মাননীয়া সদস্য সপক্ষে আছে কওঁক 'হয়' । যিসকল বিপক্ষে আছে কওঁক 'নহয়' । মই ভাৱো 'হয় সপক্ষে, হয় সপক্ষে,হয় সপক্ষে' । প্ৰস্তাৱ গৃহীত হৈছে । এতিয়া মই বিধেয়কখনৰ ২ আৰ ৩ নং দফাৰ লগতে অনুসুচীখনো সদনত উত্থাপন কৰিলো । প্ৰশ্নটো হ'ল বিধেয়কখনৰ ২ আৰ ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ব । যিসকল সন্মানীয় সদস্য -সদস্যা সকলে সপক্ষে আছে কওঁক 'হয়' । যিসকল বিপক্ষে আছে কওঁক 'নহয়' । মই ভাবো 'হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে' । এতিয়া বিধেয়কৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ল । মই বিধেয়কখনৰ ১ নং দফা ,সংক্ষিপ্ত নাম সদনত উৎথাপন কৰিছো । প্ৰশ্নটো হৈছে বিধেয়কৰ ১ নং দফা, সক্ষিপ্ত নাম বিধেয়কৰ অংশ হ'ব । যিসকল সন্মানীয় সদস্য -সদস্যা সপক্ষে আছে কওঁক 'হয়' । যিসকল বিপক্ষে আছে কওঁক 'নহয়' । মই ভাবো 'হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে' । বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম বিধেয়কৰ অংশ হৈছে ।

এতিয়া বিত্তমন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ উৎথাপণ কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং-II ) বিধেয়ক, ২০১৯ খন পাৰিত কৰাৰ কাৰণে মই সদনত প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** - এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে উৎথাপন কৰিলো । প্ৰস্তাৱটো হৈছে - অসম বিনিয়োজন (নং-II ) বিধেয়ক, ২০১৯ খন পাৰিত কৰা হওঁক । যিসকল মাননীয় সদস্য-সদস্যা সকলে সপক্ষে আছে কওঁক 'হয়' । যিসকল বিপক্ষে আছে কওঁক 'নহয়' । মই ভাবো 'হয় সপক্ষে, হয় সপক্ষে,হয় সপক্ষে' । প্ৰস্তাৱ পাৰিত হৈছে । বিধেয়কো পাৰিত হৈছে ।

মই সন্মানীয় মন্ত্ৰী ডাঙৰীয়া, সন্মানীয় সকলো সদস্যকে এইখিনি সহযোগ কৰা কাৰণে ধন্যবাদ জনাইছো । এতিয়া ২.৩০ হ'ল ।

**অহা কালিলৈ পুৱা ৯.৩০ বজালৈকে বিধান সভা স্থগিত ৰখা হৈছে ।**